ASSAM
LEGISLATIVE ASSEMBLY
DEBATES



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

BUDGET SESSION

NO. 19

THE 12th APRIL, 1995

PRICE : Rs. 95.70

CONTENTS

BUDGET SESSION

NO. 15

Dated, the 12th April, 1995

		Page
1.	Questions and Answers.	1
2.	Consideration and Passing of Govt. Bills.	78
3.	Government Resolution	112
4.	Announcement from the Chair	125
5.	Reading from the Chair	129
6.	Valedictory Speech	134
7.	Adjournment Sine die	139
8.	Allocation - I to XVIII	141

Debates of the Assam Legislative Assembly

Wednesday, the 12th April, 1995.

The House met at 9 AM of the Clock in the Assembly Chamber, at Dispur with Prof. Debesh Chakraborty, Speaker in the chair.

STARRED QUESTIONS & ANSWERS

(To which oral replies were given)
(Starred Question No. 321 was lapsed)

Mr. Speaker : Now Starred Question No. 322, questioner Shri Bhupen Rai, Minister Industries is to reply.

বিষয় ঃ বস্ত্র নিগমৰ উৎপাদন।

শ্রী ভূপেন ৰায়ে সুধিছে ঃ

* ৩২২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসম ৰাজ্যিক বস্ত্র নিগম নোৱাপাৰা শাখা ব্যক্তিগত খণ্ডত হস্তাগত কৰাৰ সময়ত কেঁচা সামগ্রী লো-তিখা আদি আৰু উৎপাদিত সামগ্রীসমূহ বর্ত্তমান কাৰ অধিকাৰত আছে, অনুগ্রহ কৰি জনাবনে?

(খ) উক্ত সময়ছোৱাৰ সামগ্রিখিনিৰ অনুমানিক মূল্য কিমান টকা হব অনুগ্রহ কৰি জনাবনে?

শ্রী বিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সামগ্রী সমূহ নোৱাপাৰাত থকা অসম ৰাজ্যিক বস্ত্র নিগম উদ্যোগৰ পৰিচালকৰ অধিকাৰত আছে।

(খ) আনুমানিক ১৯,০০,০০০ (ঊনৈশ লাখ) টকা।

* **শ্রী ভূপেন ৰয়** ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এই সামগ্রীবোৰৰ আনুমানিক মূল্য ১৯ লাখ বুলি কৈছে যদিও মোৰ হাতত থকা তথ্য মতে ইয়াৰ আনুমানিক মূল্য এক কোটি টকাৰ ওচৰা-ওচৰি হ'ব বুলি ক'ব খোজো। এই বিষয়ত মন্ত্রী মহোদয়ে তদন্ত কৰি চাব নে?

---

* Speach not corrected

* **শ্রী বিজিত শইকীয়া (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, এই মিলটোৰ ১৯৮৯-৯০, ১৯৯০-৯১, ১৯৯১-৯২ এই তিনিটা বছৰৰ বেলেঞ্চ চিট এতিয়াও সম্পূর্ণ হোৱা নাই, গতিকে সঠিক মূল্যসূচীৰ তথ্য এতিয়াই দিব পৰা নহ'ব। মাননীয় সদস্য ৰায় ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে সেই ক্ষেত্ৰত এক কোটি টকাৰ সামগ্ৰী আছে বুলি আমি নিশ্চিত নহয়। তথাপিও এই বিষয়টো মই পৰীক্ষা কৰি চাম।

* **ডঃ জয়নাথ শর্মা** ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাব নে যিহেতু এই মিলটোৰ ১৯৯২ চনলৈকে বেলেঞ্চ চিট আছিল সেই তাৰিখলৈ গোটেই আৰ্গেনাইজেচনটোৰ নেট এচেট ভেলু কিমান আছিল সেইটো আপোনালোকে কৰিছিল নে?

* **শ্রী বিজিত শইকীয়া (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়ে, এই গোটেই অৰ্গেনাইজেচনটোৰ নেট এচেট ভেলু ২৫ কোটি টকা আছিল।

* **ডঃ জয়নাথ শর্মা** ঃ অধ্যক্ষ মহোদয়, মিলটো হস্তান্তৰ কৰা সময়ত চৰকাৰে চেয়াৰ কিমান ৰাখিছিল জনাব নে?

* **শ্রী বিজিত শইকীয়া (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, এই মিলটোৰ তিনিটা ভাগ আছে - স্পাইনিং, প্ৰচেচিং আৰু ওৱেভিং। ইয়াৰে স্পাইনিং চেকচনটো হস্তান্তৰ কৰা হৈছে বাকী দুটা চেকচন বৰ্ত্তমানলৈ বন্ধ হৈ আছে।

* **ডঃ জয়নাথ শর্মা** ঃ অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে মোৰ প্ৰশ্নটোৰ সঠিক উত্তৰ দিয়া নাই। এই মিলটোৰ স্পাইনিং চেকচনটো হস্তান্তৰ কৰোতে সেইটোৰ নেট এচেট ভেলু এচেচ কৰা হৈছিল নে নাই আৰু সেইমতে চৰকাৰে কি ধৰণে চেয়াৰ ৰাখিছে সেইটো জনাবনে?

* **শ্রী বিজিত শইকীয়া (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, এই গোটেই অৰ্গেনাইজেচনটোৰ নেট এচেট ভেলু এচেচ কৰি দিয়া আছে। বৰ্ত্তমান স্পাইনিং চেক্চনটো চলোৱা হৈছে যদিও বাকী দুটা চেক্চন বন্ধ হৈ থকা কাৰণে সঠিক ভেলুটো উলিয়াব পৰা হোৱা নাই।

* **শ্রী বুবুল দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে এ, পি, এল হস্তান্তৰ কৰা ক্ষেত্ৰত এম, অ, ইউ, চাইন কৰা আজি এবছৰ হৈ গ'ল। এই এম, অ, ইউ, ৰ দ্বাৰা এই প্ৰতিষ্ঠানটো মহাবীৰ জৈন নামৰ মানুহ এজনক দিয়া হ'ল। তেওঁ এই মিলটো লোৱাৰ পিচত যিখিনি কাম কৰিব লাগিছিল সেইখিনি নকৰাৰ ফলত আজি ১৯ মাহে মিলটো বন্ধ হৈ আছে আৰু তাৰ শ্ৰমিক কৰ্মচাৰীসকলে দৰমহা নোপোৱাকৈ আছে। এতিয়া যিহেতু এই মিলটো ইমান দিনে বন্ধ হৈ আছে সেইকাৰণে শ্ৰীজৈনৰ লগত যিখন এগ্ৰিমেন্ট কৰিছিল সেইখন বাতিল কৰি চৰকাৰে কিবা নতুন চিন্তা-চৰ্চা কৰিব নেকি নাই

* Speach not corrected

বা বিহুৰ আগতে শ্ৰমিক কৰ্মচাৰীসকলক পাবলগীয়া দৰমহাখিনি দিয়াৰ কাৰণে কিবা ব্যৱস্থা ল'ব নেকি, সেই ক্ষেত্ৰত আশ্বাস দিব নেকি?

* **শ্ৰী বিজিত শইকীয়া (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ বিষয়। গতিকে ইয়াৰ কাৰণে এটা বেলেগ প্ৰশ্ন দিলে ভাল হব।

* **শ্ৰী বুবুল দাস ঃ** অধক্ষ্য মহোদয়, এই মিলটোত ৬০০ কৰ্ম্মচাৰী আছে। তেওঁলোকৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰী মহোদয় এটা এচুৰেঞ্চ দিলে ভাল হয়।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য গৰাকীয়ে পিচত বিষয়টো মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিব।

* **শ্ৰী বুবুল দাস ঃ** অধ্যক্ষ মহোদয়, এই মিনটোৰ ৬০০ কৰ্ম্মচাৰীয়ে আজি কেবামাহো ধৰি দৰমহা পোৱা নাই। গতিকে বিষয়টো ভালদৰে চিন্তা কৰি সোনকালে এটা ব্যৱস্থা ললে ভাল আছিল। যিহেতু আজিৰ পৰা বিধান সভাৰ অধিবেশনৰ অন্ত পৰিব গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে আমাক এটা আশ্বাস দিলে ভাল হয়।

* **শ্ৰী বিজিত শইকীয়া (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়ত চৰকাৰে চিন্তা চৰ্চা কৰিছে কেনেকৈ মিলটো সুচাৰুৰূপে পৰিচালিত হয়। আমি আশা কৰো এই ক্ষেত্ৰত সোনকালে এটা ব্যৱস্থা লব পৰা হব।

Mr. Speaker : Question No. 323 - Questioner Shri Karendra Basumatary (Minister, Higher Education) is to reply.

Re :- Allotment of posts.

Shri Karendra Basumatary asked :

* 323. Will the Minister of Education (Higher & Technical) be pleased to state :

(a) Whether the Government is aware that there is a science stream including Arts and Commerce streams in Tangla College which were newly introduced during the year 1994 upto Degree course?

(b) If so, why no posts have been so far sanctioned? Whether the Government will sanction posts for science stream in Tangla College early?

Shri Golok Rajbangshi (Minister Education, Higher & Technical), replied :

(a) Yes.

---

* Speach not corrected

(b) The science stream of the college is still in venture stage. Posts can be sanctioned at the time of taking the stream under deficit grant-in-aid only.

* **শ্ৰী কৱেন্দ্ৰ বসুমতাৰী ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে টংলা কলেজত যোৱা বছৰৰ পৰা বিজ্ঞান শাখাটো আৰম্ভ কৰা হৈছে। এতিয়া পৰৱৰ্ত্তী শ্ৰেণীৰ বাবে চৰকাৰৰ পৰা অনুমোদন লাগে। সেই কাৰণে ইতিমধ্যে দৰখাস্ত আদিও কৰা হৈছে। গতিকে এই সম্পৰ্কত সোনকালে ব্যৱস্থা লব নে?

* **শ্ৰী গোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটো কলেজ খনৰ ৰিজাল্টৰ ওপৰত ভিত্তি কৰিহে কৰিব পৰা হব।

* **শ্ৰী কৱেন্দ্ৰ বসুমতাৰী ঃ** অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন হ'ল - টংলা কলেজৰ নুৰজামান আলি নামৰ যিজন এল,ডি,এ, আছিল তেওঁক পোষ্টৰ সৈতে গুৱাহাটীলৈ বদলি কৰি আনিছে। তাৰ ফলত টংলা কলেজত এল,ডি,এ, এজন নথকাত বহুতো অসুবিধা হৈছে। গতিকে এই পোষ্টটো সোলকালে ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মূল প্ৰশ্নটো আছিল চাইন্স ষ্ট্ৰীম সম্পৰ্কে গতিকে এই বিষয়টোৰ ক্ষেত্ৰত মোক বেলেগে নোটিচ দিলে মই তদন্ত কৰি চাম।

* **শ্ৰী দেৱান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা দ্বিতীয় বছৰত অসমৰ ডেফিচিত কলেজ সমূহত কিমান পোষ্ট দিয়া হ'ল মন্ত্ৰী মহোদয় জনাব নে?

* **শ্ৰী গোলোক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এতিয়ালৈ ৪৭টা পোষ্টটো দিয়া হৈছে।

* **শ্ৰী বুবুল দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, দিশপুৰ কলেজত কিমান পোষ্ট দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাব নে?

* **শ্ৰী গোলোক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, দিশপুৰ কলেজত ৩টা পোষ্ট দিয়া হৈছে।

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উচ্চ শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে টঙলা কলেজ ডেফিচিত হোৱাৰ পিচতো তাৰ পৰা কিয় পোষ্ট উঠাই অনা হৈছে? যি জন বিষয়াই এই পোষ্ট উঠাই আনিছে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নে?

* **শ্ৰী গোলোক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটো এটা চেপাৰেটে বিষয়।

---

* Speach not corrected

* ডঃ জয়নাথ শর্ম্মা ঃ অধ্যক্ষ মহোদয়, এখন দেফিচিট কলেজৰ পৰা পোষ্ট উঠাই অনা হৈছে। এইটো আইন বিৰুদ্ধ কথা হৈছে। এনে ক্ষেত্ৰত মন্ত্রী মহোদয়ে কোৱাটো কি অসুবিধা আছে?

* শ্রী গোলোক চন্দ্র ৰাজবংশী (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, সেই পোষ্টটো কিয় উঠাই অনা হৈছে ইয়াৰ তদন্ত কৰি ব্যৱস্থা লোৱা হব।

* শ্রী অতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিমৰীয়া কলেজৰ অধ্যক্ষৰ বিৰুদ্ধে নির্দ্দিষ্ট অভিযোগ থকাৰ পিচতো কিয় আজিলৈকে ব্যৱস্থা লোৱা নহল, এই বিষয়ে মই আগতেও কৈছিলো। মন্ত্রী মহোদয়ে আজি কবনে?

* শ্রী গোলোক চন্দ্র ৰাজবংশী (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এই গৰ্ভানিং বডিয়ে ব্যৱস্থা লব।

* শ্রী কৰেন্দ্র বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, নুৰজামান আলিয়ে এতিয়ালৈকে কাম নকৰাকৈ দৰমহা লৈ আছে, সেই পোষ্টটো উঠাই দি তালৈ নিব লাগে।

শ্রী গোলোক চন্দ্র ৰাজবংশী (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এইটো চোৱা হব।

* শ্রী অতুল বৰা ঃ অধ্যক্ষ মহোদয়, গৰ্ভানিং বডিয়ে ব্যৱস্থা নললে ভঙ্গ কৰি দিব নেকি, এই ক্ষেত্ৰত কিবা সময় বান্ধি দিছে নে?

শ্রী গোলোক চন্দ্র ৰাজবংশী (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, সময় বান্ধি নিদিয়ে, এইটো আমি চাম।

Mr. Speaker : Question No. 324, Questioner Shri Ram Pyare Rabidas.

বিষয় ঃ কাছাড় সুগার মিল।

শ্রী রাম প্যারে রবিদাস জিজ্ঞাসা করছেন ঃ

* ৩২৪। মাননীয় উদ্যোগ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

(ক) ব্যক্তিগত মালিকানায় করিমগঞ্জ জিলার আনিপুরে অবস্থিত কাছাড় সুগার মিলটি পুনরায় চালু করার ব্যবস্থা হয়েছে কি?

(খ) যদি হ্যা, মিলটে কেন আজ পর্য্যন্ত চালু হয় নাই? যদি না, কেন? অতিস্তবর যাহাতে মিনটি চালু হয় তার জন্য সরকার পদক্ষেপ নেবেন কি?

(গ) মিলটি বন্ধ হওয়ার ফলে অনুমানিক কতজন শ্রমিক ও কর্ম্মচারী কর্মহীন হয়েছেন? তাদের জীবিকার জন্য সরকার কেন পুর্নবাসন (পুনর সংস্থাপন) দেবার ব্যবস্থা করবেন কি?

---

* Speach not corrected

শ্রী বিজিত শইকীয়া (উদ্যোগ বিভাগের মন্ত্রী)য়ে উত্তর দিয়েছিন ঃ

(ক) হ্যাঁ, হয়েছে।

(খ)- মিলটি বক্তিগত মালিকানায় ৮-২-৯৫ ইং চুক্তিগত (Memorandum of understanding) স্বাক্ষরিত হাৱার পর হস্তান্তর প্রক্রিয়া আরম্ভ হয়েছে। ইজারাদারদের (Lessee) পরিকল্পনায় মিলটির চাহিদা অনুসারে কাচা মাল (Raw Materials) অর্থাৎ ইক্ষু চাষকরে উৎপন্ন করা এবং রাস্তাঘাট ও যন্ত্রপাতি মেরামতী করে মিলটিকে সম্পূর্ণভাবে চালু করতে ১৯৯৬ সালের নবেম্বর/ডিসেম্বর মাস পর্য্যন্ত সময় লাগবে।

সরকার দ্বারা মিলটি চালু করার পদক্ষেপ নেওয়ার প্রশ্নই ওঠেনা, যেহেতু মিলটি ইজারয় (Lease) দেওয়া হয়েছে।

(গ) ১৯৮৫-৮৬ সালে যখন মিলটির উৎপাদন বন্ধ হয়, তখন প্রায় ৬০০ জন কর্মচারী (নিয়মিত, সাময়িক ও আকস্মিক) মিলটিতে ছিল।

গতিকে ১৯৮৫-৮৬ সাল থেকে এরাস্বাই এখন পর্য্যন্ত কর্মহীন হয়েছিল। ৮-২-৯৫ ইং তারিখে চুক্তিপত্র (MOU) স্বাক্ষরিত হওয়ার দিন পর্য্যন্ত ১২৪ জন কর্মচারী এবং শ্রমিক কাছাড় সুগার মিলের সঙ্গে যুক্তছিল। ইজারাদার (Lessee) দ্বারা ইতিমধ্যে ২৩ জনকে কাজে পুনর নিযুক্তি দেওয়া হয়েছে এবং বাকিদের ক্রমে ক্রমে পুনর নিযুক্তি দেওয়া হবে।

চুক্তির (MOU) মতে যে সকল সাময়িক শ্রমিক মিলটির সঙ্গে পূর্বে যুক্তিছিল তাদেরকে অগ্রাধিকার ভিত্তিতে পুনর নিয়োগের সুযোগ দেওয়া হবে।

* **শ্রী মিছন ৰঞ্জন দস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে উত্তৰত কৈছে যে মিলটোৰ হস্তান্তৰৰ প্রক্রিয়া চলি আছে, হস্তান্তৰ কৰা নাই। তাত যি ১২৪ জন কর্ম্মচাৰী আছিল এই কর্ম্মচাৰী সকলৰ হস্তান্তৰৰ পিচত সুনিশ্চিত নিযুক্তিৰ নিশ্চিত ব্যৱস্থা কৰিব নে মন্ত্রী মহোদয়ে জনাব নে?

* **শ্রী বিজিত শইকীয়া (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, এই ১২৪ জন কর্ম্মচাৰীৰ ক্ষেত্রত যিটো পক্ষই চুক্তি স্বাক্ষৰিত কৰি পৰিচালনাৰ দায়িত্ব লোৱাৰ সম্পূর্ণ আশ্বস দিছে, পর্য্যয় ক্রমে লোৱা হব।

* **শ্রী ভূপেন ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, মিলটো বন্ধ হোৱাৰ কাৰণ কি? ইয়াত কোনোবা দোষী বিষয়া আছিল নেকি, যদি আছিল তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লব নেকি?

* **শ্রী বিজিত শইকীয়া (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, বিভিন্ন কাৰণত ১৯৮৫ চনত বন্ধ হৈছিল, ইয়াৰ পিচত বেলেগ বেলেগ চৰকাৰে ইতিমধ্যে দায়িত্ব লৈছে, যদি তেনে ধৰণে কোনো

* Speach not corrected

বিষয়াৰ ওপৰত ব্যৱস্থা লোৱা হৈছে নাজানো। আমি দায়িত্ব লোৱাৰ পিচত কেনেকৈ মিলটো চলাব পাৰি তাৰ প্ৰচেষ্টা লৈছো আৰু তাৰ পদক্ষেপ হিচাবে আমি এই ব্যৱস্থা লৈছো।

(Starred Question No. 325 was withdrawn)

Mr. Speaker : Question No. 326, Questioner Shri Munin Mahanta.

বিষয় ঃ স্কুলৰ স্বীকৃতি।

শ্ৰী মুনীন মহন্তই সুধিছে ঃ

* ৩২৬। মাননীয় শিক্ষা (মাধ্যমিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে এম ই আৰু এইচ ই স্কুল সমূহ স্থাপন কৰাৰ ক্ষেত্ৰত প্ৰি-পাৰমিচন দিয়াৰ ক্ষেত্ৰত বাধা নিষেধ দি ৰাখিছে নেকি?

(খ) যিবোৰ এম ই স্কুলক অনুমতি দিয়া হল, উক্ত স্কুলসমূহৰ স্বীকৃতি বন্ধ কৰি ৰাখিছে নেকি?

(গ) একে চৌহদতে থকা এম ই আৰু এইচ ই স্কুলসমূহৰ চামিলকৰণ (এমালগেমেশ্চন) বন্ধ ৰাখিছে নেকি?

(ঘ) ক, খ, গ, প্ৰশ্নৰ উত্তৰ যদি সত্য হয়, তেনেহলে বন্ধৰ নিৰ্দ্দেশ প্ৰত্যাহাৰ কৰা সম্পৰ্কে বিবেচনা কৰিবনে?

শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) হয়।

(গ) এই ক্ষেত্ৰত খাটাং সিদ্ধান্ত হোৱা নাই।

(ঘ) ক্ৰমান্বয়ে বাঢ়ি অহা বিদ্যালয়ৰ সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত পুংখানু পুংখ ভাবে পৰীক্ষা কৰি চোৱাৰ বাবে ১৯-৪-৯৪ পৰা ২ বছৰৰ বাবে বন্ধ কৰা হৈছে।

* **শ্ৰী মুনীন মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰি-পাৰমিশ্চনৰ কাৰণে এখন চিঠি চেক্টোৰী বা কমিশ্চন্যাৰ অফিচলৈ গৈছিল, সেই কাৰণে মই সুধিছো প্ৰি-পাৰমিশ্চন বন্ধ কৰি ৰাখিছে নেকি? যিবিলাক স্কুলৰ অনুমতি দিয়া হয় সেই বিলাকৰ স্বীকৃতি দিয়াটো কি কাৰণত বন্ধ কৰি থৈছে? যি বিলাকৰ অনুমতি দিয়া হ ল সেই বিলাক স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* Speach not corrected

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, এম,ই, স্কুল আৰু মাদ্রাছাৰ ক্ষেত্রত বন্ধ বখা আছে, হাইস্কুলৰ ক্ষেত্রত চেবাৰ পৰা হয়, প্রি-পাৰমিশ্বন দুই বছৰৰ কাৰণে বন্ধ আছে। সেইটো পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে। স্কীকৃতিৰ কথাটো পৰীক্ষা কৰি থকা হৈছে, পৰীক্ষাৰ পিচত ব্যৱস্থা লোৱা হব।

* **শ্রী বুবুল দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্রী মহোদয়ে এটা লিখিত প্রশ্নৰ উত্তৰত কৈছিল যে তথ্য বিচৰা হৈছে, ক্ষেত্র বিষয়া বুলি তথ্য বিচৰা হৈছে, মোৰ প্রশ্ন আছিল এইটো। তথ্য মৰিগাওঁৰ পৰা আনিবলৈ ন'টিচ দি তথ্য বিচৰা হৈছে। মোৰ জাগিৰোড সমষ্টিৰে কিছুমান প্রাইমাৰী বিদ্যালয়ত এজনীয়া শিক্ষক দুজনীয়া কৰাৰ নীতি বলবৎ হোৱা নাই। উত্তৰত মন্ত্রী মহোদয়ে কৈছে যে প্রশ্ন নুঠে। কিন্তু মৰিগাওঁ জিলাৰ বিশেষকৈ জাগিৰোড সমষ্টিৰ ৭৫ খন স্কুলত চিঙগুল শিক্ষক আছে, দ্বিতীয় শিক্ষক নিয়োগ হোৱা নাই, কোন কোন প্রাথমিক বিদ্যালয়ত স্থায়ী পদ খালি হৈ আছে এই বিষয়ে ক্ষেত্র বিষয়াৰ পৰা তথ্য বিচৰা হৈছে বুলি কৈছে। চৰকাৰ ভঙ্গ হোৱাৰ পিচত তথ্য আহিব নেকি, নিযুক্তিৰ ব্যৱস্থা হোৱা নাই, দুজনীয়া শিক্ষক কেতিয়া হব জনাব লাগে।

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ক্ষেত্র বিষয়াৰ পৰা তথ্য বিচৰা হৈছিল জিলা ভিত্তিত, সমষ্টিৰ ভিত্তিত নহয়। নিয়োগৰ ক্ষেত্রত এজনীয়া শিক্ষকৰ ঠাইত দুজনীয়া কৰাৰ নীতি আছে। মৰিগাওঁ জিলাৰ নিযুক্তিৰ ক্ষেত্রত আদালতত গোচৰ আছে। সেই কাৰণে নিযুক্তি দিব পৰা নাই।

* **শ্রী বুবুল দাস ঃ** অধ্যক্ষ মহোদয়, এইটো অনন্ত কালৰ কাৰণে বন্ধ ৰাখিব নেকি?

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, সেইটো আদালতে জনাব।

* **শ্রী মুনীন মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক এম, ই স্কুলৰ অনুমতি দিয়া হল সেই বিলাকৰ স্বীকৃতি দিয়াত বাধা কি আছে? এই ক্ষেত্রত এই বিধান সভাত মন্ত্রী মহোদয়ে ব্যৱস্থা লওঁক। প্রি-পাৰমিশ্বন্ বন্ধ ৰখা হৈছে, এইটো দিয়াৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিব নে নাই? এমালগেশ্বনৰ ক্ষেত্রত আমি জানিছো, স্পেচিফিক কেচ আছে, এমালগেশ্বনৰ প্রস্তাব আজি তিন বছৰ ধৰি কিয় পৰি আছে? এই কথাখিনি মন্ত্রী মহোদয়ে জনাব লাগে।

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে দুবছৰৰ কাৰণে বন্ধ ৰখা হৈছে। স্বীকৃতিৰ ক্ষেত্রত পৰীক্ষা কৰি থকা হৈছে, পৰীক্ষাৰ পিচত ব্যৱস্থা লোৱা হৰ্ব। এমালগেশ্বনৰ ক্ষেত্রতো একেই কথা হব।

* **ডঃ জয়নাথ শর্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে ২ বছৰৰ কাৰণে বন্ধ কৰি ৰাখিছে। এই ২ বছৰ কেতিয়া সম্পূর্ণ হব। চৰকাৰে স্কুল খোলাৰ কাৰণে চকু

* Speach not corrected

দিব লাগিছিল চৰকাৰে সম্প্ৰসাৰণৰ নীতি নলৈ সংকোচনৰ নীতিহে অৱলম্বন কৰিছে কিয়। যিবিলাক স্কুলৰ প্ৰস্তাৱ আছে সেইবিলাক স্কুলক ৰিকোগনিচন কৰাৰ ব্যৱস্থা কৰিব নেকি।

* **শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যি সংকোচনৰ কথা কৈছে সেইটো প্ৰশ্নই নুঠে। আমাৰ চৰকাৰে সংকোচনৰ নীতি লোৱা নাই সম্প্ৰসাৰণৰ নীতিহে লৈছে। আগতে যিমান স্কুল আছিল এতিয়া তাতকৈ বহুত বাঢ়িছে। ১৯৯৩ চনত ১০৩৬ খন স্কুল আছে। গতিকে চৰকাৰে এইবিলাক পৰীক্ষা কৰি ব্যৱস্থা লব।

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাৰ্মিচন/ৰিকোগনিচন আদি স্কুল খোলাৰ ক্ষেত্ৰত বন্ধ কৰি ৰাখিছে গতিকে শিক্ষাৰ সম্প্ৰসাৰণ বন্ধ থকাটো নুবুজায় যদি কি বুজায়। কংগ্ৰেছ চৰকাৰৰ নীতি এনেকেয়ে চলি থাকিব নেকি।

* **শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংকোচনৰ নীতি আমি লোৱা নাই। পৰীক্ষা কৰি থকা হৈছে। তাৰ পিচত ব্যৱস্থা লোৱা হব।

* **শ্ৰী হিৰণ্য বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেতিয়ালৈ পৰীক্ষা নিৰিক্ষা শেষ হব।

* **শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ পৰা প্ৰাদেশীকৰণ বন্ধ হৈ আছে। আমি ইতিমধ্যে বহুটো স্কুল প্ৰাদেশীকৰণ কৰিছো।

* **শ্ৰী অতুল বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয়ত কব বিছাৰিছো। শিক্ষা বিভাগৰ বিষয়ে ইতিমধ্যে শ্ৰীবলীন কুলি ডাঙৰীয়াই সমালোচনা কৰিছে। শিক্ষা মন্ত্ৰী ৰাজবংশী ডাঙৰীয়াই বিশেষাধিকাৰ ভংগৰ কথাও কৈছিল ——

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ চৰকাৰে শিক্ষা বিভাগটো জাহান্নামে নিছে।

মাননীয় অধ্যক্ষ ঃ এই প্ৰশ্নটোৰ এটা ইমপোৰটেনচ আছিল। সেই কাৰণে মই বিষয়তো আলোচনাৰ কাৰণে অলপ সময় দিছিলো। কিন্তু এতিয়া দেখা গ'ল ই বেলেগ ফালে গৈছে। গতিকে ইয়াৰ পিচৰ প্ৰশ্নটো আহিব লাগে। Starred Question No. 327. Questioner is absent. Now starred question no. 328. Questioner Shri Jew Ram Boro, Hon'ble Minister, Education is to reply.

বিষয় ঃ কলেজ চৰকাৰীকৰণ।

শ্ৰী জীউৰাম বড়োই সুধিছে ঃ

* ৩২৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

শিক্ষা বিভাগে স্বীকৃতিপ্ৰাপ্ত কলেজসমূহক চৰকাৰৰ হাতত নিয়াৰ বাবে আৰু যিবোৰ

---

* Speach not corrected

উচ্চ মাধ্যমিক বিদ্যালয়সমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয় পর্য্যায়লৈ উন্নীত কৰাৰ বাবে অনুমতি প্ৰদান কৰা হল সেইসমূহ বিদ্যালয়লৈ পদ মঞ্জুৰী দিয়াৰ বাবে সিদ্ধান্ত কৰিছে নেকি অনুগ্ৰহ কৰি জনাবনে?

শ্ৰী গোলোক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

অসমৰ স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় সমূহ চৰকাৰৰ হাতলৈ নিয়াৰ কোনো সিদ্ধান্ত বৰ্ত্তমানলৈ লোৱা নাই। শিক্ষা বিভাগে পদ মঞ্জুৰীৰ প্ৰতিশ্ৰুতি নিদিয়াকৈ যি বিলাক উচ্চ মাধ্যমিক স্কুলক উচ্চতৰ মাধ্যমিক শ্ৰেণী খোলাৰ বাবে অনুমতি প্ৰদান কৰিলে সেই বিলাক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ বৰ্ত্তমান বিত্তীয় বছৰত পদ মঞ্জুৰী দিয়াৰ প্ৰস্তাৱ আছে।

* **শ্ৰী জীউৰাম বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে কৈছে যে স্বীকৃতিপ্ৰাপ্ত কলেজ বিলাক লোৱাৰ কাৰণে ব্যৱস্থা নাই। আমি জানিবলৈ পাইছো কিছুমান কলেজৰ তদৰ্থ মঞ্জুৰী দিয়া হব। যদি তদৰ্থ মঞ্জুৰী দিয়া হয় তেতিয়াহলে কিমানখন কলেজক তদৰ্থ মঞ্জুৰী দিয়া হব। যিবিলাক উচ্চতৰ মাধ্যমিক স্কুলক অনুমতি দিয়া নাই সেইবিলাকক লোৱাৰ কাৰণে প্ৰস্তাৱ আছে নেকি যদি আছে কিমানখনক দিব। মন্ত্ৰী মহোদয়ে জনাব নেকি।

* **শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা ধৰণৰ ১২৫ খন স্কুল আছে আৰু তাৰ কাৰণে পদৰ ব্যৱস্থা কৰিছে ১৩১৮টা। ৫ কোটি ১ লাখ ৮৩ হাজাৰ বাজেট প্ৰভিজন কৰিছে।

* **শ্ৰী জীউৰাম বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, তদৰ্থ মঞ্জুৰীৰ কাৰণে কিমানখন লব ২৮ খন নে ২৪ খন নে ৩৪ খন মন্ত্ৰী মহোদয়ে জনাব নেকি।

* **শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৪ খন লোৱাৰ সিদ্ধান্ত। পিচত বঢ়োৱাৰ চেষ্টা কৰিছো।

* **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগত যিবিলাকক ৩ এফত কলেজৰ অধ্যাপক পদত নিযুক্তি দিয়া হৈছে সেই নিযুক্তিকৰণত ৩ এফত থকাৰ পিচত ৭ বছৰেও কোনো ব্যৱস্থা লোৱা নাই স্থায়ী কৰাৰ কাৰণে। উদাহৰণস্বৰূপে গোলাঘাট পলিটেকনিকত এজন আছে শ্ৰীনাৰায়ণ বৰদলৈ। আজি ৭ বছৰ হ'ল ৩ এফত আছে। এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লব নেকি। দ্বিতীয়তে ইউ, জিচি স্কেল সম্পৰ্কত চৰকাৰে যি ঘোষণা কৰিছিল এতিয়ালৈ দিয়া হোৱা নাই তাৰ ব্যৱস্থা চৰকাৰে লব নেকি?

* **শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩ এফৰ ৰেগুলাৰাইজ কৰে এ,পি, এচ,চি য়ে। আমি এ,পি,এচ,চিলৈ ৰেফাৰ কৰিছো। সোনকালে কৰাৰ কাৰণে একচপিডাইট কৰা হৈছে।

---

* Speach not corrected

* **শ্রী হিতেশ্বৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক মহাবিদ্যালয় প্রাদেশীকৰণ কৰা নাই সেই বিলাক মহাবিদ্যালয়ৰ অধ্যক্ষক চৰকাৰীকৰণ কৰাৰ কাৰণে ডি,পি, আইলৈ চিঠি দিয়া কথাটো সত্য নেকি। মন্ত্রী মহোদয়ে জনাব নেকি।

* **শ্রী গোলোক ৰাজবংশী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পর্কত এতিয়ালৈ সিদ্ধান্ত লোৱা নাই। সিদ্ধান্ত লব পাৰি নেকি ইনভেষ্টিগচন কৰিছো।

* **শ্রী হিতেশ্বৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে যিটো ব্যৱস্থা লৈছে কলেজখন প্রদেশীকৰণ নকৰে কিন্তু অধ্যক্ষ বা কর্মচাৰী সকলক কৰিব। এইটোৰ দ্বাৰা ৩ টা এডমিনিষ্ট্রেচন হব। এইটো কথা চৰকাৰে চিন্তা কৰি ব্যৱস্থা লব নেকি।

* **শ্রী গোলোক ৰজাবংশী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলেজ বিলাক লোৱা হয় ওপিনিয়ন লৈ। এই বিষয়ে সিদ্ধান্ত লোৱা হব।

* **শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক কলেজত লাইব্রেৰীয়ান নাই তাত লাইব্রেৰীয়ান দিয়াৰ ব্যৱস্থা কৰিব নেকি। আৰু এ,পি,এচ,চিয়ে ৩ এফত দিয়াৰ ব্যৱস্থা ৭ বছৰেও কৰা নাই। মন্ত্রীমহোদয়ে ব্যৱস্থা গ্রহণ কৰিব নেকি।

* **শ্রী গোলোক ৰাজবংশী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সক্রান্তত এ,পি,এচ,চিলৈ লিখিছো।

* **শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইউ,জি,চি, স্কেল ১৯৮৫ চনতে দিছে কিন্তু অধ্যপকসকলে আজিলৈকে পোৱা নাই। মন্ত্রী মহোদয়ে এই বছৰতে দিয়াৰ ব্যৱস্থা কৰিব নেকি।

* **শ্রী গোলোক ৰাজবংশী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইউ,জি,চিৰ নর্মচ মতে দিয়া হৈছে। যিবিলাক কোৱালিফাইড সেই সকলো বিলাককে দিয়া হৈছে। অৱশ্যে কিছুমান এক্সচেপচনেল কেচ আছে। যিবিলাকে কনডিচন ফুলফিল কৰিব পৰা নাই তেওঁলোকক দিয়া হোৱা নাই।

* **ডঃ জয়নাথ শর্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৪ খন কলেজ চৰকাৰে লৈছে বুলি কৈছে। এই বিলাকক ৰিকোগনিচন নে ডেফিচিন গ্রান্ট দিব। মন্ত্রী মহোদয়ে কব নেকি।

* **শ্রী গোলোক ৰাজবংশী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডেফিচিত কৰাৰ সিদ্ধান্ত আছে।

* **শ্রী মুনীন মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৪ খন কলেজৰ ভিতৰত বিজ্ঞান কলেজ আছে। মৰিগাওঁ কলেজৰ কাৰণে বেলেগে ভাবিছে নেকি।

---

* Speach not corrected

* শ্রী গোলোক ৰাজবংশী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, লিষ্টখন চেঞ্জ হোৱা নাই। আৰু মই কাৰো পৰা হেচাও পোৱা নাই।

Mr. Speaker : Now, Question No. 329. Questioner Shri Madhu Sudan Tewary and Shri Mission Ranjan Das, Minister of State, Education is to reply.

Re :- Forwarding letter of DEEO Karimganj.

Shri Madhu Sudan Tewari and Shri Mission Ranjan Das asked:

* 329. Will the Minister of Elementary Education be pleased to state :

(a) Whether the Govenment is aware of the representation addressed to the Commissioner and Secretary, Education Department which was forwarded by the DEEO, Karimganj, vide his Memo No. KDEO/94-95/ C-18/521, dated 14th February 1995 for releasing of Teachers salaries for 1989 ?

(b) If yes, whether their salaries up-to-date along with areas will be paid ?

(c) If yes, when ?

(d) If not, state reasons thereof ?

Shri Gautam Bora (Minister of State, Education) replied :

(a) Yes. Director of Elementary Education has been directed to take necessary action after proper enquiry.

(b) Necessary action will be taken after the enquiry is completed.

(c) Does not arise in view of replies anainst (a) & (b).

(d) - do -

* শ্রী মিচন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যিক শিক্ষা মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে যে কি কাৰণত আজিলৈকে তদন্ত কৰা হোৱা নাই?

* শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ জিলাৰ ডাই�ৰেক্ট এলিমেন্টৰী এডুকেচনৰ পৰা যোৱা ৭-৭-৯৪ তাৰিখে ৮৯ জন শিক্ষকক টার্মিনেট কৰা হৈছে বুলি খবৰ পাইছিলোঁ আৰু তেওঁলোকক ৰি ইন্সষ্টেত কৰিবলৈ হাইকর্টৰ পৰা অর্দাৰ হৈছিল। গতিকে সেই শিক্ষক সকলৰ চেলাৰী ব্যৱস্থা কৰিবলৈ ইতিমধ্যে কাম হাতত লোৱা হৈছে।

---

* Speach not corrected

* **শ্রী মিচন ৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কর্ম্মচাৰী সকলে বিনা দৰমহাই চাকৰি কৰি আছে। গতিকে তেওঁলোকক চেলাৰীটো সোনকালে দিয়াৰ ব্যৱস্থা লব নেকি?

* **শ্রী গৌতম ৰৱা (ৰাজ্যিক মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰি ব্যৱস্থা লোৱা হ'ব।

* **শ্রী প্রণব কুমাৰ নাথ ঃ** মাননীয় অধ্যক্ষ মহোদয়, করিমগঞ্জ জেলাৰ বিভিন্ন স্কুলে কিছু সংখ্যক শিক্ষক (ষ্টাইপেনডারী) প্রায় ৮/১০ মাস যাবৎ তাদের বেতন পাচ্ছে না। এই বেতন না পাবার কারন কি? অতি সম্ভব এই সব শিক্ষকদেরে বেতন দেবার ব্যৱস্থা মন্ত্রী মহোদয় করবেন কি?

* **শ্রী গৌতম ৰৱা (ৰাজ্যিক মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা কৰি ব্যৱস্থা কৰা হব।

Mr. Speaker : Now Question No. 330. Questioner Shrimati Renupama Raskhowa, Minister Flood Control is to reply.

বিষয় ঃ বিত্তীয় নাটনি।

শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

* ৩৩০। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) মথাউৰী মেৰামতিৰ বাবে বর্ত্তমান চৰকাৰৰ বিত্তীয় নাটনিৰ কথাটো সত্যনে?

(খ) যদি সত্য নহয়, তেন্তে চৰকাৰে মথাউৰী বিলাক মেৰামতি নকৰাৰ কাৰণ জনাবনে?

(গ) জাঁজী মথাউৰী শোচনীয় (বনাই পথলিয়াল ও এজাৰ গুৰি অঞ্চল) অৱস্থাৰ বাবে ও-গুৰী প্রাথমিক স্বাস্থ্য কেন্দ্র ১৯৮৮ চনতে প্রাক্কলনৰ অনুমোদন পোৱাৰ পাচতো গৃহ নির্মাণৰ কাম আৰম্ভ কৰিব পৰা নাই, এই কথা মন্ত্রী মহোদয়ৰ অৱগতনে?

(ঘ) যদি অৱগত, ইয়াৰ ব্যৱস্থা অতি সোনকালে গ্রহণ কৰিবনে?

শ্রী হৰেন ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, এই কথা সত্য।

(খ) প্রশ্ন নুঠে।

(গ) বাননিয়ন্ত্রণ বিভাগ অৱগত নহয়।

(ঘ) প্রশ্ন নুঠে।

---

* Speach not corrected

* **শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নটো আছিল "মথাউৰি মেৰামতিৰ কাৰণে বর্ত্তমান চৰকাৰৰ বিত্তীয় নাটনিৰ কথাটো সত্যনে? আৰু মন্ত্রী মহোদয়ে উত্তৰত কৈছে - কথাটো সত্য। মই মাননীয় বান নিয়ন্ত্রণ মন্ত্রীৰ পৰা জানিব বিচাৰিছোঁ যে ১৯৯১ চনৰ পৰাই আজি" ৯৫ চনলৈকে বিত্তীয় নাটনি হৈয়ে আছে। আৰু কিমান বছৰত এই নাটনি আঁতৰ হ'ব? বর্ত্তমান চৰকাৰো যাবলৈ বেছি দিন নাই। এই মথাউৰিটো কেতিয়ালৈ মেৰামতি কৰিব পাৰিব? মাননীয় অধ্যক্ষ মহোদয় মোৰ সমষ্টিৰ এই জাঁজী মথাউৰীটোৰ অৱস্থা একেবাৰে শোচনীয়। যাৰ ফলত ৰাইজ যাতায়তৰ কাৰণে নানা অসুবিধা হয়। কাৰণ, এই মথাউৰীটোৱেই একমাত্র পথ - যাৰ ওপৰেদি গাওঁ আৰু চহৰৰ ৰাইজ অহা-যোৱা কৰে। এই মথাউৰীটো মেৰামতি নকৰা বাবে মানুহৰ অনেক দুর্যোগ হৈছে। তাৰোপৰি এই মথাউৰীটোৰ অৱস্থা অতি শোচনীয় হোৱা বাবে অ'গুৰি প্রাথমিক স্বাস্থ্য কেন্দ্রৰ কাম পৰি আছে। গতিকে মাননীয় মন্ত্রী মহোদয়ে এই চৰকাৰৰ দিনতেই মেৰামতি কৰিবলৈ ব্যৱস্থা হাতত লব নে?

* **শ্রী হৰেণ ভূমিজ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পর্য্যন্ত যিবিলাক এগ্জিজ্ফ্লাদ কন্ট্রল ষ্টাক্সাৰ আছে, আমি জনাত বান নিয়ন্ত্রণ বিভাগৰ পৰা গোটেই অসমতে ৪ হাজাৰ ৩ শৰো অধিক কিলোমিটাৰ ব্রহ্মপুত্র আৰু অন্যান্য নৈ সমূহৰ পাৰত মথাউৰী নির্ম্মান কৰিবলৈ চাৰে পাঁচ হেজাৰ স্কীম আছে, চাৰে আঠ হেজাৰ কিলোমিটাৰ ড্রেনেজ চিষ্টেম আছে। এশ স্লুইছ গেট আছে। এইবোৰ মেনতেনেন্স কৰিবলৈ বহু পৰিমানৰ ধনৰ প্রয়োজন। এই আগৰ চৰকাৰৰ কথা নকওঁ। ১৯৯১ চনৰ বাজেটত আমাক এইবোৰ মেৰামতিৰ কাৰণে ধৰি দিছিলে ২৫ কোটি ৬৫ লাখ টকা কিন্তু আমি পালো মাত্র ১ লাখ। ১৯৯২-৯৩ চনত আছিল ২৭ কোটি ৪৯ লাখ কিন্তু পালো ৬ কোটি ৬৯ লাখ টকা। ১৯৯৩-৯৪ চনত আছিল বাজেট প্রভিজন ৩০ কোটি টকা কিন্তু পালো ১০ কোটি ৪১ লাখ টকা। ১৯৯৪-৯৫ চনত আছিল ৩২ কোটি ৫১ লাখ টকা কিন্তু পোৱা হ'ল ১০ কোটি ৬২ লাখ টকা। ১৯৯৫-৯৬ চনৰ কাৰণে আছিল ১৫৫ কোটি ৯৫ লাখ টকা, কিন্তু পোৱা হৈছে ৩৯ কোটি ৯২ লাখ টকা। গতিকে মেৰামতি আৰু পৰিচালনাৰ কাৰণে আৰু টকা পাব লাগিছিল। যোৱা পাঁচ বছৰেও এক তৃতীয়া অংশহে পোৱা হ'ল। গতিকে কামবোৰ আধৰোৱা হৈয়ে থাকিল। বেচি টকা পালে এইবোৰ মেৰামতি কৰা হ'ব।

* **শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে এইখন চৰকাৰৰ দিনতো কামবোৰ আধৰোৱা হৈয়ে থাকিব নেকি? আমাৰ এই মথাউৰীটো মেৰামতি নকৰিলে আমাৰ ৰাইজৰ যথেষ্ট অসুবিধা হ'ব। কাৰণ এতিয়া বাৰিষা আহি পালেহি, কেতিয়ালৈ এই মথাউৰীটোৰ মেৰামতিৰ কাম আৰম্ভ হ'ব।

---

* Speach not corrected

মাননীয় মন্ত্রী মহোদয়ে অতি সোনকালে ইয়াৰ ব্যৱস্থা হাতত লব নে? মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্রী মহোদয়ক টানি অনুৰোধ জনাইছোঁ যাতে এই জাজী মথাউৰীটোৰ মেৰামতিৰ কাম অতি সোনকালে হাতত লয়।

* **শ্রী হৰেণ ভূমিজ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে যিটো মথাউৰীৰ কথা কৈছে সেই জাজী নৈৰ দুই পাৰে থকা বৰ্ত্তমানলৈকে ৩৭.০৫ কিলোমিটাৰ মথাউৰী আছে তাৰে ২৪ কিলোমিটাৰ মথাউৰী স্থানীয় ৰাইজে ৰোড্ কাম বান্ধ হিচাবে ব্যৱহাৰ কৰে এই মথাউৰীটো 'চি' ক্লাচত বন্ধাৰ কাৰণে সেই মথাউৰীয়েদি গধূৰ যান-বাহন চলাচল কৰাটো আমাৰ বিভাগীয় নীতিৰ বিৰুদ্ধ। তথাপিতো পুজি সাপেক্ষে প্রায়বিলাক মথাউৰী মেৰামতি কৰিবলৈ আমি চেষ্টা কৰিম।

* **শ্রী আলাউদ্দিন সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় মই এটা কথা সুধিব খুজিছো যে ডি,আৰ,ডি,এ, টকা প্রয়োজন সাপেক্ষে মথাউৰী বন্ধা কামত ব্যৱহাৰ কৰিব পাৰে। ৰোড্ কাম মথাউৰী বন্ধাৰ কাৰণে টকাটো লৈ মথাউৰী মেৰামতি কৰাৰ ব্যৱস্থা কৰিব নে?

* **শ্রী হৰেণ ভূমিজ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকী নিজেই এই ডি,আৰ,ডি,এ, সদস্য। তেখেতে নিজে এই ব্যৱস্থাটো কৰি লব পাৰিব।

* **শ্রী থানেশ্বৰ বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ৰ পৰা মই এটা স্পষ্টীকৰণ বিচাৰিছো, শতকৰা ১০০ ভাগ লোণ লোৱাৰ কাৰণে বিভাগে একো কাম কৰিব পৰা নাই। ১০০ শতাংশ লোণ লোৱাৰ সলনি ৯০ শতাংশ গ্রান্টটো লবৰ কাৰণে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰাৰ ব্যৱস্থা কৰিব লাগে। Test relief scheme ৰাইজে মেৰামতি কৰাৰ ওপৰিও চৰকাৰেও এই ব্যৱস্থাটো কৰিব পাৰে। ৰোড্-কাম-বান্ধটো পি,ডব্লিউ,ডি,এ আৰু ই, এন্ড, ডি এতিয়া ৰাস্তা হিচাবে যুটীয়াভাৱে মেনটেনেনচ্ কৰাৰ ব্যৱস্থা আছিল। সেই কাৰণে ই, এন্ড,ডি বিভাগ আৰু পি,ডাব্লিউ,ডি বিভাগৰ লগত আলোচনা কৰি বান্ধটো মেৰামতি কৰিব পাৰে। এই ৩ টা প্রশ্নৰ উত্তৰ মই মন্ত্রী মহোদয়ৰ পৰা বিচাৰিছো।

* **শ্রী হৰেণ ভূমিজ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানীত অক্রান্ত হৈ মথাউৰী ভাঙিলে আমাৰ এটা হেডৰ পৰা এইবিলাক মেৰামতি কৰা হয়। যিহেতু আমি বিভিন্ন Natural Calamatics আমাৰ যিটো ৰেভিনিউ হেড আছে সেই হেডৰ পৰা আমি টকা লৈ মেৰামতি কৰো। কিন্তু এই হেডটোৰ অৱস্থাও বৰ শোচনীয়। ১৯৫১ চনত যি ধৰণে মথাউৰী বান্ধিছিলো There was change in the allocation system of money. বানপানীয়ে ভঙা মথাউৰী আৰু বানপানীত আক্রান্ত হোৱা অঞ্চলবিলাক ষ্টাডি কৰিবৰ কাৰণে কেন্দ্রৰ পৰা এটা টীম আহিছিল। চাই এক্সপার্ট টীমটোয়ে চেন্ট্রেল গ্রান্ট হিচাবে পি,ডব্লিউ,ডি আৰু ফ্লাড কন্ট্রল

---

* Speach not corrected

পি,ডাব্লিউ,ডি আৰু বান নিয়ন্ত্রণ বিভাগক এটা শকত অনুদান আগবঢ়াইছিল। ১৯৮৭ চনত অসম চৰকাৰে এটা অনুদান পাইছিল ২৭ কোটি টকা। ১৯৮৮ চনত যিটো বানপানী হৈছিল সেই সময়ত ২৮ কোটি টকা অনুদান দিছিল। ১৯৮৯ চনতো তেনেদৰে কেন্দ্রীয় চৰকাৰৰ পৰা অনুদান পোৱা হৈছিল।

* **শ্রী আলাউদ্দিন সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্রণ মন্ত্রীক নিয়ন্ত্রণ ৰখা হওক।

(সদনত হাঁহিৰ ৰোল উঠে)

* **শ্রী হৰেণ ভূমিজ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩০ কোটি টকা ৫-৬ টা বিভাগক দিয়া হব।

* **ডঃ জয়নাথ শর্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমানটা মথাউৰী আছে এই কথা মন্ত্রী মহোদয়ে জনাবনে? মই জনাত যিমানটা মথাউৰী বানপানীত ভাঙিছে তাৰে এটাও আজিলৈকে মেৰামতি কৰা হোৱা নাই। কথাটো সঁচানে?

* **শ্রী হৰেণ ভূমিজ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো সঁচা নহয়। মহোদয়ে অনুমতি দিলে মই ১৯৬০ চনৰ পৰা কৈ দিব পাৰিম।

* **শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ পৰা এটা ৰুলিং বিচাৰিছো। মই আগতে উল্লেখ কৰা মথাউৰীটো দিয়াৰ ব্যৱস্থা মন্ত্রী মহোদয়ে কৰিব নে?

Re :- Post graduate classes in Diphu Govt. College.

Shri Monsing Rongpi and Shri Dipendra Rangpi asked :

* 331. Will the Minister of Higher Education be pleased to state :

(a) Is there any demand from students, teachers and public for starting of post graduate classes in Diphu Government College?

(b) What is the stand of Government in this regards?

(c) What is the opinion of the concerned University in starting P.G. Classes in the said college?

Shri Golok Rajbangshi (Minister of Higher Education) replied:

(a) Yes.

(b) A provision of 6 lakhs has been made in the annual plan 1995-96 for Hill areas for introduction of P.G. Courses in Diphu Govt. College.

---

* Speach not corrected

Necessary request to Assam University for according permission is being made as required by Assam University.

(c) Assam University authority is willing to accord permission to start P.G. Course in Political Science and History subject to concurrence of Govt. of Assam.

Mr. Speaker : Now, Question No. 332.

বিষয় ঃ বিদ্যালয় উন্নীতকৰণ।

শ্রী নজমুল হকে সুধিছে ঃ

* ৩৩২। মাননীয় মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯৪-৯৫ আৰু ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰত গোৱালপাৰা জিলাত মুঠ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হব সদনক জনাবনে?

(খ) উক্ত স্কুলসমূহৰ নাম বিধান সভাৰ সমষ্টি ভিত্তিত জনাবনে?

(গ) ধুবুৰী জিলাত মানকাছাৰ আৰু দক্ষিণ শালমাৰা বিধান সভা সমষ্টি দুটাত মুঠ কিমানখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে সমষ্টি ভিত্তিত জনাবনে?

(ঘ) অসমৰ কোনখন বিধান সভা সমষ্টিত অসমৰ ভিতৰত আটাইতকৈ বেচি উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে আৰু কোনখন সমষ্টিত আটাইতকৈ কম উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে?

শ্রী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৪-৯৫ চনৰ বিত্তীয় বছৰত উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰাৰ সম্পর্কে কোনো আঁচনি নাছিল।

১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰত পুঁজি সাপেক্ষে উন্নীতকৰণৰ প্রস্তাৱ বর্ত্তমানে আছে। আন আন জিলাৰ লগতে গোৱালপাৰা জিলাৰ আৱেদনো বিবেচনা কৰি চোৱা হব।

(খ) প্রশ্ন নুঠে।

(গ) সমষ্টি ভিত্তিত তথ্য নাই। ধুবুৰী জিলাত মুঠ ২৭ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে।

(ঘ) সমষ্টি ভিত্তিত তথ্য নাই। নগাওঁ জিলাত আটাইতকৈ বেচি আৰু উত্তৰকাছাৰ জিলাত আটাইতকৈ কম উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে।

---

* Speach not corrected

* **শ্রী নজমুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্রী মহোদয়ৰ পৰা জানিব খুজিছো যে হাইস্কুলক হায়াৰ চেকেণ্ডৰীলৈ উন্নীত কৰাৰ ক্ষেত্ৰত সকলো সমষ্টিক সমানে গুৰুত্ব দিবনেকি? এতিয়া দেখা গৈছে যে কিছুমান সমষ্টিত আধিক লোৱা হৈছে আৰু কিছুমানত কমকৈ লোৱা হৈছে - এইটো সম বিতৰণৰ ব্যৱস্থা কৰিবনে?

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উচ্চ ইংৰাজী স্কুলক উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰাৰ ক্ষেত্ৰত সমষ্টি ভিত্তিত কৰা নহয়, জনসংখ্যা, সা-সুবিধা আৰু প্ৰয়োজন ভিত্তিতহে কৰা হয়। মাননীয় সদস্য জনৰ কথাটো পিচত বিবেচনা কৰা হব।

* **শ্রী নজমুল হক ঃ** অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে কোকৰাঝাৰ আৰু বঙাইগাও জিলাৰ কিছুমান স্কুলৰ পৰা (হাইস্কুল আৰু হায়াৰচেকেণ্ডৰী) বিশেষকৈ হায়াৰ চেকেণ্ডৰী স্কুলত শিক্ষক কিছুমানে চাকৰি কৰিব নোৱাৰি তাৰ পৰা গুচি আহিছে চাকৰি এৰি দি। সেই শিক্ষক সকলৰ কাৰণে ভৈয়ামৰ স্কুলত নতুন পদ সৃষ্টি কৰি চৰকাৰে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, গোটেই বিষয়টো পৰীক্ষা কৰি চাব লাগিব।

* **শ্রী অতুল বৰা ঃ** অধ্যক্ষ মহোদয়, বিভাগে যতে ততে হাইস্কুল হায়াৰ চেকেণ্ডৰীলৈ উন্নীত কৰিছে আৰু লগতে বিভিন্ন অঞ্চলত জুনিয়ৰ কলেজ স্থাপনো কৰিছে। এনেকৈ হৈ থাকিলে এটা সময়ত স্কুল কলেজত শিক্ষক উভৈনদী হব আৰু ছাত্ৰ-ছাত্ৰী কমি যাব। শিক্ষক সকলৰ কাম নোহোৱা হব। এই ক্ষেত্ৰত চৰকাৰে এটা স্পষ্ট নীতি গ্ৰহণ কৰিব লাগে। হয় হায়াৰ চেকেণ্ডৰী কৰাটো বন্ধ কৰক নহলে জুনিয়ৰ কলেজ খোলাটো বন্ধ কৰক।

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰে ১২৫ খন হাইস্কুলৰ হায়াৰ চেকেণ্ডৰীলৈ উন্নীত কৰাৰ কাৰণে অনুমতি প্ৰদান কৰিছে। জুনিয়ৰ কলেজৰ কথাটো চিন্তা কৰা হব।

* **শ্রী বুবুল দাস ঃ** অধ্যক্ষ মহোদয়, জাগীৰোড হাইস্কুল খনক হায়াৰ চেকেণ্ডৰী স্কুললৈ উন্নীত কৰা হব বুলি আগৰ শিক্ষামন্ত্রী শ্রীশৰত বৰকটকী ডাঙৰীয়াই ৰাজহুৱা সভাত ঘোষণা কৰিছিল যদিও এই ক্ষেত্ৰত চৰকাৰে এতিয়ালৈকে একো ব্যৱস্থা গ্ৰহণ কৰা নাই। মন্ত্রী মহোদয়ে এই ক্ষেত্ৰত আশ্বাস দিবনে - স্কুলখন উন্নীত কৰাৰ ক্ষেত্ৰত?

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰে ১২৫ খন স্কুল উন্নীত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে - মাননীয় সদস্যৰ কথাটো চিন্তা কৰা হব।

---

* Speach not corrected

* **শ্ৰী হিতেশ্বৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, যিবোৰ হাইস্কুল হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰা হৈছে সেইবোৰত হাইস্কুল চেকচন আৰু হায়াৰচেকেণ্ডেৰী চেকচনৰ শিক্ষক সকলৰ মাজত এক 'কনফিক্ট' চলি আহিছে সেইটো সকলোৱে জানে। চাৰজেক্ট টিচাৰ্চ সকলে স্কুলৰ অধ্যক্ষ সকলক নেমাৰে, হেয়জ্ঞান কৰে কিয়নো তেওঁলোক এম,এ পাছ নহয়। আনহতে এই বিষয় শিক্ষক সকলে ১০ বজাৰ পৰা ৪ বজালৈ স্কুলত উপস্থিত নেথাকে। নিজৰ ক্লাচ যেতিয়া থাকে আহে আৰু শেষ কৰিয়েই গুচি যায়। এই বিষয় শিক্ষক সকল স্কুলত ১০ বজাৰ পৰা ৪ বজালৈ উপস্থিত থাকিব নেলাগেনেকি? তেওঁলোক স্কুলৰ অধ্যক্ষৰ কন্ট্ৰোলত নেথাকেনেকি? এই ক্ষেত্ৰত চৰকাৰে এটা স্পষ্ট নীতি গ্ৰহণ কৰিব লাগে, নহলে শিক্ষানুষ্ঠানবোৰ ধ্বংস হৈ যাব।

* **শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত চৰকাৰৰ পৰা এখন চাৰ্কুলাৰ দিয়া হৈছে যে বিষয় শিক্ষক সকলো স্কুলত ১০ বজাৰ পৰা ৪ বজালৈ উপস্থিত থাকিব লাগিব। লগতে প্ৰয়েজন সাপেক্ষে প্ৰধান শিক্ষক বা অধ্যক্ষৰ অনুমতি নিৰ্দেশ মতে হাইস্কুল চেকচনত তেওঁলোকে ক্লাচ কৰিব লাগিব। অৱশ্যে বহুতো স্কুলত দেখা যায় এই চাৰ্কুলাৰ মনা হোৱা নাই আৰু আন কিছুমান স্কুলত সকলো মিলা-মিলিৰ মাজেৰে ক্লাচ চলাই আছে।

* **শ্ৰী মুনীন মহন্ত ঃ** অধ্যক্ষ মহোদয়, এই চাৰ্কুলাৰৰ কপি এটা মন্ত্ৰী মহোদয়ে দিবনে?

* **শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বৰ্ত্তমান মোৰ হাতত নাই, পিচত দিব পৰা হব।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে প্ৰিন্সিপাল সকলৰ কন্ট্ৰোলত হায়াৰ চেকেণ্ডৰীৰ শিক্ষক সকল থাকেনে নাই? যদি নাই, তেন্তে চৰকাৰে এখন চাৰ্কুলাৰ দি এই শিক্ষক সকলক প্ৰিন্সিপালৰ কন্ট্ৰোলত ৰখাৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰিন্সিপালৰ কন্ট্ৰোলত থাকে শিক্ষক সকল।

* **শ্ৰী লক্ষীপ্ৰসাদ বৰগোহাঁই ঃ** অধ্যক্ষ মহোদয়, ময়ো এখন হায়াৰ চেকেণ্ডৰী স্কুলৰ শিক্ষক আছিলো এই বিষয় শিক্ষক সকলে হাইস্কুল চেকচনৰ ক্লাচ নকৰে। তেওঁলোকৈ নিজকৈ এখন এচোচিয়েচন খুলি কৰ্তৃপক্ষৰ পৰা এই ক্ষেত্ৰত এখন নিৰ্দেশনাও নিছে। গতিকে তেওঁলোকে কেনেকৈ মিলিজুলি ক্লাচ কৰিব? আৰু এটা কথা এখন হায়াৰ চেকেণ্ডৰীৰ অধ্যক্ষ ৰিটায়াৰ কৰিলে। ভাইচ প্ৰিন্সিপালেও ৰিটায়াৰ কৰিলে - এজন সহকাৰী শিক্ষকক ভাইচ প্ৰিন্সিপালৰ চাৰ্জ দিয়া হয়, তেওঁ অবসৰ পালে, অন্য এজন শিক্ষকক পুনৰ ভাইচ প্ৰিন্সিপালৰ চাৰ্জত

---

* Speach not corrected

দিয়া হ'ল, তেওঁ অৱসৰ পালে, অন্য এজন শিক্ষকক পুনৰ চার্জত দিয়া হয় - এনেকৈ স্কুল চলি থাকিব পাৰেনেকি? অধ্যক্ষ মহোদয়, প্রিন্সিপাল আৰু ভাইচ প্রিন্সিপাল চিলেকচনৰ বাবে ইণ্টাৰভিউ লোৱা আজি দুবছৰ হৈ গ'ল কিন্তু আজিলৈকে ইয়াৰ ৰিজাল্ট প্রকাশ হোৱা নাই। ইয়াৰ অন্তৰালত কি ৰহস্য লুকাই আছে মন্ত্রী মহোদয়ে জনাবনে?

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, হাইস্কুল আৰু হায়াৰ চেকেণ্ডৰী স্কুলৰ হেডমাষ্টৰ, অধ্যক্ষ আৰু উপাধ্যক্ষ সকলৰ চিলেকচনৰ বাবে ষ্টেচ চিলেকচন বোর্ডে ইণ্টাৰভিউ লৈ চিলেকচন কৰে। বোর্ডে ভাইচ প্রিন্সিপালৰ তালিকা প্রস্তুত কৰি ডাইৰেক্টৰলৈ পঠাইছে - নিযুক্তি দিয়াৰ কাৰণে। প্রিন্সিপালৰ কাৰণে ইণ্টাৰভিউ শেষ হৈছে আৰু এই তালিকাও সোনকালে বিভাগলৈ পঠাবলৈ কোৱা হৈছে। হেড মাষ্টাৰৰ কাৰণে ইণ্টাৰভিউ চলি আছে।

* **শ্রী লক্ষী প্রসাদ বৰগোহাঁই ঃ** অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যিটো বক্তব্য ৰাখিছে, এইটো কিমান সত্য মই নেজানো। মই শিৱসাগৰৰ বিধায়ক, হায়াৰ চেকেণ্ডৰী স্কুলৰ শিক্ষক কৰি অহা লোক - মই জানো শিৱসাগৰ আৰু যোৰহাটলৈ এনে লিষ্ট যোৱা নাই।

* **ডঃ জয় নাথ শর্ম্মা ঃ** অধ্যক্ষ মহোদয়, একোখন থানাত যেনেকৈ একোজন ইনচার্জ থাকে তেনেকৈ হায়াৰ চেকেণ্ডৰী স্কুলত একোজন ইনচার্জ ৰখাৰ ব্যৱস্থা কৰিলে ভাল হয়।

* **শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ইণ্টাৰভিউটো পাতে ষ্টেট চিলেকচন বোর্ডে। বোর্ডে ভাইচ প্রিন্সিপালৰ তালিকা পাঠাইছে সেইখিনি নিযুক্তি দিয়াৰ কাৰণে কোৱা হৈছে আৰু প্রিন্সিপালৰ তালিকাও সোনকালে পঠাবলৈ কোৱা হৈছে।

(Starred Question Nos. 334 to 340, deferred starred Question Nos. 211, 302, 303, 304, 305, 306, 309, 310, 312, 313, 314, 315, 317, 318 and 319 could not be taken up as the Question Hour is over. However, the replies of the said questions deemed to have been laid on the table of the House.)

বিষয় ঃ প্রাথমিক শিক্ষা উপদেষ্টা বোর্ড।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

* ৩৩৩। মাননীয়া ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ প্রত্যেক মহকুমাতে মহকুমা প্রাথমিক শিক্ষা উপদেষ্টা বোর্ডসমূহ পুনৰ গঠন কৰা হৈছে নেকি?

(খ) যদি হৈছে, কি নীতিৰ ভিত্তিত এই বোর্ড গঠন কৰা হৈছে?

---

* Speach not corrected

(গ) ৰাজ্য চৰকাৰে শিক্ষাৰ ওপৰত পর্য্যালোচনা কৰি চৰকাৰক এই সম্পর্কত পৰামর্শ দিয়াৰ বাবে এখন শিক্ষা আয়োগ গঠন কৰা হৈছিল নেকি?

(ঘ) যদি হৈছিল, তেন্তে আয়োগে ৰাজ্য চৰকাৰৰ হাতত প্রতিবেদন দাখিল কৰিছেনে? (প্রতিবেদনৰ প্রতিলিপি এটা সদনৰ মজিয়াত দাখিল কৰিব।)

(ঙ) প্রতিবেদনখন ৰাজ্য চৰকাৰে গ্রহণ কৰিছে নে নাই?

(চ) মহকুমা প্রাথমিক শিক্ষা উপদেষ্টা বোর্ডখনৰ সম্পর্কত প্রতিবেদনত কি পৰামর্শ আগবঢ়াইছিল, জনাবনে?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিব ঃ

(ক) বর্ত্তমানলৈকে ৩১ খন মহকুমাত, মহকুমা প্রাথমিক শিক্ষা উপদেষ্টা বোর্ড পুনৰ গঠন কৰা হৈছে।

(খ) নিম্নোল্লেখিত ধৰনে বোর্ড সমূহ গঠন কৰা হয় ঃ

(১) চৰকাৰৰ দ্বাৰা মনোনীত 'চেয়াৰমেন' এজন।

(২) সংশ্লিষ্ট জিলা প্রাথমিক শিক্ষা বিষয়াক সদস্য হিচাপে আৰু শিক্ষা বিস্তাৰত আগ্রহী চৰকাৰৰ দ্বাৰা মনোনীত দুজন ব্যক্তিক ৰাইজৰ ফালৰ পৰা সদস্য হিচাপে লোৱা হয়।

(৩) সংশ্লিষ্ট মহকুমা বিদ্যালয় উপ-পৰিদর্শক জনক সদস্য/সম্পাদক হিচাপে লোৱা হয়।

(গ) হয়।

(ঘ) কৰিছে। প্রতিবেদনৰ প্রতিলিপি এটা সদনৰ মজিয়াত দাখিল কৰা হৈছে।

(ঙ) প্রতিবেদন খন বর্ত্তমানে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(চ) মহকুমা প্রাথমিক শিক্ষা উপদেষ্টা বোর্ড সম্পর্কে প্রতিবেদনত পৰামর্শ আগবঢ়োৱা নাই।

Re :- MEGSAT Programme.

Shri Dewan Jaynal Abedin asked :

* 334. Will the Minister of Science & technology be pleased to state :

(a) What we should understand by MEGSAT (MASS Employment Generation for Science and Technology) Programme?

(b) Since when this programme is being conducted in Assam and which Organisation is conducting the programme?

(c) How this programme is being financed?

(d) What benefits are drawn by this programme?

(e) How participants and venues for training are selected?

(f) How many trainees have been trained since 1993-94?

(g) What is the nodal Department for this programme?

(h) Whather the training is being improted by professionals?

Shri Haren Bhumij (Minister, Science & Technology) replied:

(a) BY MEGSAT we should understand Mass Employment Generation through Science & Technology. It is a Socio-Economic Development Programme launched by the Department of Science & Technology (DST), Govenment of India as a national mission throughout the country for creation of both self and wage-employment opportunities for unemployed youth in decentralised productive and service sectors through motivation & skill orientation training programmes.

(b) This programme is being conducted in Assam since 1990-91. North Eastern Industrial & Technical Consultancy Organisation Livited (NEITCO), Guwahati is conducting the programme.

(c) The programme is being financed by Department of Science & Technology, Govt. of India.

(d) The following benefits are derived from this programme :

i) It helps in creation of both self and wage-employment opportunities for the youth in decentralised productive and service sector such as motor mechanic, electrician, radio mechanic, mason, plumber, carpenter, knitting, cutting and tailoring, bookbinding, printing, composing, off-set printing and animal husbandry sector such as poultry and duckery, bee-keeping, platation and in artisan sector like weaving and handicrafts etc. the programme gives necessary confidence to unemployed and unemployable youth to stand on their own feet and also provides job opportunities under wage-employment.

ii) This programme also helps in checking migration of people from rural to urban areas.

(e) i) Selection of participants :

The participants are selected jointly by the implementing agency (NEITCO) and collaborating voluntary/Non-Government Organisations (NGOs) from amongst the local youths of the area depending upon their urge to be self-employed, personal traits and attributes for the identified activities and trades.

ii) Selection of venue :

The venue is selected by a job opportunity survey conducted by the implementing agency (NEITCO) through :

a) desk-survey such as available published documents and

b) field survey.

Some of the pre-requisites for selection of venue are :

a) Availability of the services of NGOs in the area and also training infrastructure.

b) Cluster of present activities in the area and in its surroundings.

c) Demand/market for the identified skill/trades in the area and in its neighbourhood.

d) Availablity of master craftsmen and resource persons for imparting the training.

f) Since 1993-94 till date a total number of 995 trainees have been trained under MEGSAT programme in Assam.

g) The nodal department for this programme is Department of Science and Technology, Govt. of India.

h) Yes.

বিষয় ঃ অসমত নতুনকৈ হাইস্কুল খোলাৰ অনুমতি।

শ্ৰী পৰিমল শুক্লবৈদ্যই সুধিছে ঃ

* ৩৩৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত অসমৰ কোন কোন জিলাত কোন কোন তাৰিখত নতুনকৈ হাইস্কুল খোলাৰ অনুমতি দিয়া হৈছে।

(খ) অনুমতি দিয়া হাইস্কুলৰ নামত কিমান মাটি আছে বিতংকৈ জনাবনে?

(গ) কাছাৰ জিলাৰ অন্তৰ্গত আইৰংমাৰা হাইস্কুলক অনুমতি দিয়া হৈছে নে?

(ঘ) উক্ত হাইস্কুলৰ পৰা কোন চনৰ পৰা হাইস্কুল শেহাস্ত পৰীক্ষা দিয়া আৰম্ভ হৈছে?

শ্রী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত নতুনকৈ হাইস্কুল খোলাৰ অনুমতি দিয়া বিদ্যালয় সমূহৰ তালিকা গাঁঠি দিয়া হ'ল। (See the Annexure-I)

(খ) সাধাৰণতে গাঁৱলীয়া অঞ্চলৰ সহ-শিক্ষা বিদ্যালয়ৰ বাবে ১১ বিঘা, চহৰ অঞ্চলৰ বিদ্যালয় বাবে ২ বিঘা (বহুমহলীয়া বিদ্যালয়ৰ বাবে) আৰু ছোৱালী বিদ্যালয়ৰ বাবে ৪ বিঘা মাটি হলেহে অনুমতি দিয়া হয়।

(গ) হোৱা নাই। বৰ্ত্তমানে অনুমতি দিয়াতো বন্ধ আছে।

(ঘ) ১৯৯১ চনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছে।

বিষয় ঃ স্কুল গৃহ নির্মাণ।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

* ৩৩৬। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) প্রাথমিক আৰু এম,ই স্কুল/মাদ্রাছাৰ গৃহ নির্মাণ, মেৰামতি ও আচবাব পত্র মেৰামতিৰ কাৰণে ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১ মার্চলৈ কিমান টকা খৰচ কৰা হৈছে? (জিলা ভিত্তিত জনাব)

(খ) বিদ্যালয় গৃহ নির্মাণ, মেৰামতি আৰু আচবাব পত্রৰ কাৰণে মঞ্জুৰী দিয়াৰ ব্যৱস্থা লবনে?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গৃহ নির্ম্মাণৰ বাবে ১৩, ০১,৮০ লাখ টকা, মেৰামতিৰ বাবদ ২৯.১৩ লাখ টকা আৰু আচবাব পত্র বাবাদ ৪৫.২০ লাখ টকা মঞ্জুৰ কৰা হৈছে। (See the Annexure-II)

(খ) পুঁজি সাপেক্ষে মঞ্জুৰীৰ ব্যৱস্থা লোৱা হব।

বিষয় ঃ বৈদ্যুতিকৰণৰ আচঁনি।

শ্রী ফণী ভূষন চৌধুৰীয়ে সুধিছে ঃ

* ৩৩৭। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ সমষ্টিত কিমানখন গাওঁ ১৯৯৪-৯৫ বিত্তীয় বছৰটোত বৈদ্যুতিকৰণৰ ব্যৱস্থা লোৱা হৈছে।

(খ) বৈদ্যুতিকৰণৰ বাবে গাওঁ বাচনি কৰাৰ ক্ষেত্রত স্থানীয় বিধায়কক জড়িত কৰা হৈছেনে?

শ্রী গোপীনাথ দাস (ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বঙাইগাওঁ সমষ্টিত ১৯৯৪-৯৫ চনত দুখন গাওঁ বৈদ্যুতিকৰণ আচঁনিত অন্তর্ভূক্ত কৰা হৈছে আৰু তাৰ কামো আৰম্ভ কৰা হৈছে।

(খ) বৈদুতিকৰণৰ বাবে গাওঁ বাচনি কৰাৰ ক্ষেত্রত স্থানীয় বিধায়কক জড়িত কৰা নহয় যদি এই ক্ষেত্রত কিবা পৰামর্শ আগবঢ়ালে সন্মান সহকাৰে বিবেচনা কৰা হয়।

Re :- Supply of Electricity.

Shri Joy Chandra Nagbanshi asked :

* 338. Will the Minister of Power be pleased to State :

(a) Whether Government has any programme for providing electricity supply to the quarters of the Tea workers in the current year 1995?

(b) Is it a fact that ASEB has been insisting on for bulk or industrial rate from the consumers population of Tea Workers for supply of electricity to them?

(c) Is it a fact that ASEB has time to time taken huge amount of loans from the Board of Trus tees ATPPF scheme which are Tea Warkers' money?

(d) What is total amount of loans that were taken from the ATPPF scheme?

Shri Debanada Konwar (Minister, Power) replied :

(a) The Power supply to the entire area of a Tea Estate is normally provided on single point basis under category-9 (Tea, Coffee & Rubber Gardens) of the Schedule of Tariff. The T.E. managements make their own arrangements for the distribution lines inside their complexes at their-own cost including the connections to their factories and quarters of the tea workers.

The Board subsequently offered to provide separate connection for the purpose of power supply to the quarters of the tea workers on single point basis form separate 11/0'4 KV Sub-Station if the tea estate managements arrange for the same at their own cost. It was also offered

to realise the bills for energy consumption at the prevailing tariff rate for "Bulksupply (Others" which is lower than the tariff rate for "Tea Gardens".

(b) The bills for power supply to the quarters of the tea workers are served by ASEB to the T.E. management at tariff rates as stated in para (a) above.

(c) & (d) ASEB has not taken any loan from the Board of Trustees, ATPPF.

বিষয় ঃ বিদ্যালয়ত শিশুমাতৃ নিযুক্তি।

শ্রী গহীন চন্দ্র দাস আৰু শ্রী নজমুল হক্ য়ে সুধিছে ঃ

* ৩৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমত কিমানখন প্রাইমাৰী বিদ্যালয়ত শিশুমাতৃ নিযুক্তি দিয়া আছে?

(খ) প্রত্যেকখন বিদ্যালয়ত শিশুমাতৃ নিযুক্তি দিয়াৰ ব্যৱস্থা কিয় কৰিব পৰা নাই?

(গ) বৰ্ত্তমান নিযুক্তি হৈ থকা সকলক কিমানকৈ টকা দৰমহা দিয়া হয়?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান ৫০০ খন প্রাথমিক বিদ্যালয়ত স্কুল মাতৃ নিযুক্তি দিয়া আছে।

(খ) বৰ্ত্তমান তেনে কোনা আঁচনি নাই।

(গ) নির্দ্ধাৰিত (fixed pay) মাহিলী ৫২৫/- টকা দৰমহা দিয়া হয়।

Re :- Operation Black Board.

Shri Dipendra Rongpi asked :

* 340. Will the Minister of Primary Eduction be pleased to state :

(a) Whether 'Operation Black Board' covered Karbi Anglong District also?

(b) If so, which type of the schemes are there and the amount spent and proposed to be spent against each of the schemes in this year?

(c) Please state items of the scheme already taken up and list of the Schools operated under this scheme?

(d) Who is the executing Officer in the Karbi Anglong district for the above?

Shri Gautam Bora (Minister of state, Education) replied :

(a) Yes.

(b)&(c) The scheme 'Operation Blackboard' is a Centrally Sponsered Scheme. There are three elements under the scheme - (1) conversion of single teacher schools into double teacher schools, (2) provision of teaching learning equipments and (3) construction of all-weather proof rooms. The scheme is operated in a phased manner. The share of the Education Deptt. for the scheme has been kept in the revenue deposit. Karbi Anglong District is also included in the third phase of the scheme, which is now under operation.

411 posts have been released for conversion of single teacher primary schools into double teacher primary schools and for their appointment by the District Council. Further, provision of funds has been made for construction of four Primary School buildings in each Legislative Assembly constituency at a cost of Rs. 1.00 Lakh per school in Karbi Anglong district as in the remaining districts of the State.

Provision has been made for supply of teaching learning equipments in Karbi Anglong district. Approximate expenditure itemwise is indicated in the list enclosed. Regarding posts, expenditure will be incurred only when incumbents are recruited and put in position by District Council.

Expenditure on construction of school building is yet to be incurred as fund is still in the revenue deposit. The list of schools will be submitted as soon as it is made available. (See the Annexure-III)

(d) Director, Elementary Education with the help of Secretary, Primary Education Board, Karbi Anglong District Council.

(Deferred starred Question Nos. 211, 302, 303, 304, 305, 306, 309, 310, 312, 313, 314, 315, 317, 318 and 319 as follows :)

Re :- Misappropriation of Govt. money.

Shri Monsing Rongpi, Shri Haliram Terang and Shri Dipendra Rongpi asked :

* 211. Will the Minister of Hill Areas Department be pleased to state:

(a) Shri Tara Bahadur Chetri, Govt. lawyer and District Council Lawyer at Haflong is presently holding many posts like nominated District Council Member, DRDA Advisory Member, Member of Forest Advisory Board of District Council, Member of Land Advisory Board, Member Hills Planning etc.

(b) Mr. Chetri was dismissed from Government Service on the ground of misappropriation of Government money (Ref-letter from D.C., N.C. Hills dated 15-07-77).

(c) If so, why the Government allows him to continue in so many posts.

Shri G.C. Langthasa (Minister, Hill Areas Department) replied:

(a) Yes.

(b) Yes. There is no bar after the lapse of 5 years.

(c) Does not arise.

Re :- Providing Security Guard.

Shri Karendra Basumatary asked :

* 302. Will the Chief Minister be pleased to state :

(a) The reasons of withdrawal of a Security House Guard party from the residence of Mr. Bali Ram Boro who was the E.M. of Bodoland Autonomous Council (B.A.C.) earlier who is the presently the Vice-president of BPP of Central Committee?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Instead of House guards, two P.S.Os have been attached to Shri Boro to ensure his security.

Re :- Civil Sub-Division.

Shri Kali Ranjan Deb asked :

* 303. Will the Chief Minister be pleassed to state :

(a) In reply to Unstarred Question No. 37, dt. 12-09-94, the Hon'ble Chief Minister of Assam was pleased to state that, about creation of a Civil Sub-Division comprising of Katigora Circle of Cachar District, the matter was under consideration and examination of the Government?

(b) Now, Whether the Government have examined the matter and considering the urgent need and crying demand of the people of that area, the Govenment will declare Katigora, as Civil Sub-Divison during this current financial year ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) It was stated that the matter was under examination.

(b) The matter is still under examination. No comitment about declaration of Civil Sub-Division can be given.

বিষয় ঃ চিপাহী পদত নিযুক্তি।

শ্রী ভূপেন ৰয়ে সুধিছে ঃ

* ৩০৪। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯৫ ইং চনত অভয়াপুৰীস্থ নৱম অসম আৰক্ষী বাহিনীত চিপাহী পদত নিযুক্তি দিয়া হৈছে নেকি? যদি হৈছে, কিমান জনক নিযুক্তি দিয়া হৈছে?

(খ) উক্ত নিযুক্তিৰ বাবে সাক্ষাৎকাৰ বিচাৰি আবেদন লোৱা হৈছিল নেকি, যদি হৈছিল, কিমানজনে আবেদন দিছিল?

(গ) নিযুক্তি পোৱা ব্যক্তি সকলোৰ নাম ঠিকনা আৰু সাক্ষাৎকাৰৰ অৰ্হতাৰ নম্বৰ সদনৰ মজিয়াত দাখিল কৰে যেন?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় ১৯৯৫ চনত ৫৫ জন উত্তীর্ণ প্রার্থীৰ চিপাহী পদত নিযুক্তি দিয়া হৈছে।

(খ) হয়, মুঠ ১২৭২ খন আবেদন পোৱা হৈছিল।

(গ) নিযুক্তি পোৱা ব্যক্তি সকলৰ নাম ঠিকনা আৰু সাক্ষাৎকাৰত লাভ কৰা নম্বৰৰ তালিকা 'পৰিশিষ্ট'ত দিয়া হল। (See the Annexure-IV)

বিষয় ঃ বিজ্ঞাপনৰ বাবদ খৰচ।

ডাঃ কমলা কলিতা আৰু শ্ৰী হিতেশ ডেকাই সুধিছে ঃ

* ৩০৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তথ্য ও জনসংযোগ বিভাগে বৰ্তমানলৈ বিজ্ঞাপনৰ বাবদ বিভিন্ন বাতৰি কাকত, আলোচনী আদিক কিমান টকা দিবলৈ বাকী আছে?

(খ) কি ভিত্তিত বিজ্ঞাপন সমূহ দিওঁতে বাতিৰি কাকত সমূহ নিৰ্বাচন কৰা হয়?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বাতৰি কাকতৰ বিজ্ঞাপন কেন্দ্ৰীয়কৰণ কৰাৰ পৰা অৰ্থাৎ ১৯৯২ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৯৫ চনৰ মাৰ্চ মাহলৈ তথ্য আৰু জনসংযোগ বিভাগে বিভিন্ন বাতৰি কাকত, আলোচনী আদিলৈ দিয়া বিজ্ঞাপনৰ মূল্যৰ ভিতৰত বৰ্ত্তমান মুঠ ৩,৭৭,৮৪,৮৩৩.০০ টকা দিবলৈ বাকী আছে।

(খ) অসম চৰকাৰৰ বিজ্ঞাপন নীতি ১৯৮৬ (১৯৯২ চনৰ সংশোধিত নীতি) অনুসৰি বিজ্ঞাপন দিওঁতে ঘাইকৈ বাতৰি কাকত সমূহৰ -

(১) প্ৰচাৰ সংখ্যা,

(২) বিজ্ঞাপনৰ বিষয়বস্তুৰ সৈতে জড়িত অঞ্চল,

(৩) বিজ্ঞাপনত ব্যৱহৃত ভাষাৰ মাধ্যম আৰু

(৪) বিজ্ঞাপনৰ নিৰ্ধাৰিত সময় সীমা আদি বিবেচনা কৰা হয়।

বিষয় ঃ অসম লোক সেৱা আয়োগ।

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

* ৩০৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম লোক সেৱা আয়োগৰ অধ্যক্ষকে ধৰি মুঠ সদস্য সংখ্যা কিমান আৰু তাৰে বৰ্ত্তমান কিমান খালী হৈ আছে?

(খ) বৰ্ত্তমানৰ অসম চৰকাৰ শাসনলৈ অহাৰ পাচত আয়োগৰ সদস্য সংখ্যা বঢ়োৱা হৈছে নেকি, যদি হৈছে কোন? নিৰ্দেশ মৰ্মে এই সংখ্যা বঢ়োৱা হৈছে তাৰ প্ৰতিলিপি দাখিল কৰিব? ইয়াৰ আগেয়ে অধ্যক্ষকে ধৰি আয়োগৰ মুঠ সদস্য সংখ্যা কিমান আছিল?

(গ) আয়োগৰ বৰ্ত্তমানৰ অধ্যক্ষকে ধৰি অন্যান্য সদস্য সকল আয়োগৰ পদ গ্ৰহণ কৰাৰ আগেয়ে কি পদত কাৰ্য্য-নিৰ্বাহ কৰি আছিল (তথ্য সদনৰ টেবুলত দিব)?

(ঘ) বৰ্ত্তমান চৰকাৰ ক্ষমতালৈ অহাৰ পাচত অসম লোক সেৱা আয়োগে কোনো প্ৰতিবেদন চৰকাৰক দাখিল কৰিছে নেকি, যদি কৰিছে কোন কোন তাৰিখত এই প্ৰতিবেদন দাখিল কৰিছে আৰু এই প্ৰতিবেদনত আয়োগৰ কোনো পৰামৰ্শ চৰাকাৰলৈ আগবঢ়াইছেনে?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম লোক সেৱা আয়োগৰ অধ্যক্ষকে ধৰি মুঠ সদস্য সংখ্যা ১১ (এঘাৰ) জন, আৰু বৰ্ত্তমানে কোনো সদস্য পদ খালী নাই।

(খ) হয়, ইং ৭-১১-৯১ তাৰিখৰ এ,বি,পি - ৭১/৮৬/১৪৪ নং অধি সুচনাযোগে আয়োগৰ সদস্য সংখ্যা ৭ (সাত) জনৰ পৰা ১১ (এঘাৰ) জনলৈ বঢ়োৱা হৈছে।

প্ৰতিলিপি দাখিল কৰা হ'ল ('ক' নিচানত) (See the Annexure-V)

ইয়াৰ আগেয়ে অধ্যক্ষকে ধৰি আয়োগৰ মুঠ সদস্য সংখ্যা আছিল এনে ধৰণৰ ঃ

১/ ইং ১৯৫১ চনত - ৩ (তিনি) জন,

২/ ইং ১৯৬৮ চনত - ৪ (চাৰি জন আৰু

৩/ ইং ১৯৮৬ চনত - ৭ (সাত) জন।

(গ) আয়োগৰ বৰ্ত্তমান অধ্যক্ষকে ধৰি অন্যান্য সদস্য সকল আয়োগৰ পদ গ্ৰহণ কৰাৰ আগতে কি পদত কাৰ্য্য নিৰ্বাহ কৰি আছিল তাৰে এখন তালিকা ('চ' নিচানত) সদনৰ টেবুলক পেচ কৰা হ'ল। (See the Annexure-VI)

১/	ডাঃ তাৰাপদ দাস, অধ্যক্ষ	—	চিকিৎসক।
২/	শ্ৰী কুমুদ নাথ শৰ্ম্মা, সদস্য	—	গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ ৰীডাৰ।
৩/	ডঃ খুৰছেদ আলম	—	গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক।
৪/	ডঃ বিভাস ৰঞ্জন চৌধুৰী	—	শিলচৰ গুৰুচযন মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জেষ্ঠ প্ৰবক্তা।
৫/	মহম্মদ মুজামিল হুছেইন	—	কলগাছিয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ।
৬/	শ্ৰী মেম্বৰ গগৈ	—	অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ অধীক্ষক অভিযন্তা।

৭/ শ্রী ভক্ত কুমাৰ দাস — অসম চৰকাৰৰ অৱসৰ প্ৰাপ্ত সচিব।

৮/ শ্রী ভিক্টৰ মংগল বাৰ্লা — ডেপুটি প্ৰভিডেন্ট ফান্দ কমিচনাৰ, এ,টি,পি,এফ আৰু পেঞ্চন স্কীম।

৯/ শ্রী বিবেকানন্দ সোনোৱাল — অসম চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ সচিব।

১০/ ডঃ হৰেন্দ্র নাথ কলিতা — গুৱাহাটীস্থ চৰকাৰী আইন মহাবিদ্যালয়ৰ অধ্যক্ষ।

১১/ শ্রী উমাচৰণ বনিয়া — অসমৰ অৱসৰপ্ৰাপ্ত যুটীয়া কৰ আয়ুক্ত।

(ঘ) হয়। ইং ১৯৯৪ চনৰ ৬ (ছয়) মে তাৰিখৰ ১৩১ - পি,এছ-চি/এ-আৰ-১/৯০-৯১ নং চিঠি যোগে অসম লোক সেৱা আয়োগে ইং ১৯৮৬-৮৭, ১৯৮৭-৮৮, ১৯৮৮-৮৯ আৰু ১৯৮৯-৯০ চনৰ আৰু ১৯ (উনৈশ) নৱেম্বৰ তাৰিখৰ (৯৪) - ৯৬ পি-এছ-চি/এ-আৰ-১/৯২-৯৩ নং চিঠি যোগে ইং ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনৰ প্ৰতিবেদন কেইখন দাখিল কৰিছে। (দুয়োখন চিঠিৰে প্ৰতিলিপ ক্রমে 'খ' আৰু 'গ' নিচানত দিয়া হ'ল) এই আটাইকেইখন প্ৰতিবেদনত আয়োগে চৰকাৰলৈ যথেষ্ট সংখ্যক পৰামৰ্শ আগবঢ়াইছে আৰু সেই পৰামৰ্শ সমূহ পৰীক্ষা নিৰীক্ষাৰ বাবে সংশ্লিষ্ট বিভাগ সমূহৰ পৰা মতামত তথা তথ্য পাতি আহৰণ কৰি থকা হৈছে। (See the Annexure-VII)

Re :- Construction of Cultural Complex.

Shri Mission Ranjan Das asked :

* 309. Will the Chief Minister be pleased to State :

(a) Whether the Government will consider for sanctioning and starting of construction of a Cultural Complex at Karimganj like Srimanta Sankardev Cultural Complex in Guwahati for preservation of Cultural heritage and developing of Cultural activies during 1995-96.

(b) If yes, State it in detail and if not, State reasons thereof?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) At present, there is no such proposal with Govt.

(b) Sankardev Kala Kshetra at Guwahati was sanctioned by Govt. of India. under clause VI of the Assam Accord. As such, Govt has no proposal at present to establish another Cultural complex at other places.

বিষয় ঃ নতুন পুলিচ বেটেলিয়ানের প্রধান কার্য্যালয় স্থাপন।

শ্রী প্রণব কুমার নাথ জিজ্ঞাসা করছেন ঃ

* ৩১০। মাননীয় মুখ্যমন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) রাজ্য সরকার অসামে নতুন পুলিশ বেটেলিয়ান গঠন করার কোন পরিকল্পনা আছে কি? যদি হয় কখন?

(খ) যদি হয়, তাহলে করিমগঞ্জ জিলায় একটি প্রধান কার্য্যলয় স্থাপনের ব্যৱস্থা করবেন কি?

(গ) করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত এরালীগুল নামক স্থানে পুলিশ বেটেলিয়ান এর প্রধান কার্য্যালয় স্থাপনের ব্যৱস্থা করবেন কি? যদি না কেন?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্ত্তমান নাই।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ Cess, Tax সংগ্রহ।

শ্রী গহীন চন্দ্র দাসে সুধিছে ঃ

* ৩১২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমৰ তৈলক্ষেত্রৰ পৰা কেন্দ্রী চৰকাৰে কিমান টকা প্রতি বছৰে Cess, Tax হিচাবে সংগ্রহ কৰে অসম চৰকাৰে জনাবনে ?

(খ) সেই টকাৰে অসমৰ উন্নয়ন কামত খৰছ কৰিব লাগে বুলি এখন আইন আছে সেইটো সচানে?

(গ) যদি সঁচা আইনমতে কার্যকৰী হৈছেনে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্রীয় চৰকাৰে প্রতি বছৰে তেনে Cess, Tax ৰ পৰা কিমান টকা সংগ্রহ কৰে ৰাজ্য চৰকাৰৰ হাতত তথ্য পাতি নাই।

(খ) তেনে আইন নাই।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ জ্যোতি চিত্রবন আৰু কর্মচাৰী।

শ্রী দিলীপ কুমাৰ শইকীয়া আৰু শ্রী হিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে ঃ

* ৩১৩। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) জ্যোতি চিত্রবনৰ মুঠ কর্মচাৰীৰ সংখ্যা কিমান, কর্মচাৰী সকলৰ কোনো চাকৰি বিধি নথকাটো সত্যনে। এই কর্মচাৰী সকলৰ চাকৰি চৰকাৰী কৰণৰ বাবে জনোৱা আবেদনৰ ক্ষেত্রত চৰকাৰৰ স্থিতি কি?

(খ) ১৯৯৪ চনৰ চেপ্তেম্বৰৰ পৰা এই কর্মচাৰী সকলে দৰমহা নোপোৱাটো সত্যনে, যদি সত্য চৰকাৰৰ এই ক্ষেত্রত বক্তব্য কি?

(গ) চিত্রবনটোত দৃশ্যগ্রহণ কৰা শেহতীয়া ছবিখনৰ নাম কি আৰু কেতিয়া এই দৃশ্যগ্রহণ শেষ হৈছে। ষ্টুডিঅ'ত থকা ৰেকডিং বিভাগটো কেতিয়াৰ পৰা অকার্য্যকৰী হৈ আছে?

(ঘ) অসমীয়া ছবিৰ আমোদকৰ ঘুৰাই দিয়া নীতি অনুসৰি ছবিৰ প্রযোজক সকলক কিমান টকা বর্ত্তমানেও দিবলৈ বাকী আছে? (বিতং তথ্য সদনত টেবুলত দিব)

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জ্যোতি চিত্রবনৰ মুঠ বিষয়া কর্মচাৰীৰ সংখ্যা ৪৮ জন। জ্যোতি চিত্রবনৰ কর্মচাৰী সকলৰ বাবে বর্ত্তমানলৈকে চাকৰি বিধি তৈয়াৰ কৰা হোৱা নাই। চৰকাৰীকৰণৰ প্রস্তাৱ নাই।

(খ) জ্যোতি চিত্রবনৰ পৰা পোৱা তথ্য মতে দৰমহা নোপোৱা কথাষাৰ সত্য। জ্যোতি চিত্রবনৰ কর্মচাৰীৰ দৰমহা চৰকাৰৰ পোনপটীয়া দায়িত্ব নহয়।

(গ) জ্যোতি চিত্রবনৰ ষ্টুডিঅত দৃশ্যগ্রহণ কৰা শেহতীয়া কথাছবি খন হল ডঃ ভবেন্দ্র নাথ শইকীয়া পৰিচালিত "ইতিহাস"। এই ছবিখনৰ দৃশ্য গ্রহণ ১৯৯৪ চনৰ ডিচেম্বৰ মাহত হয়। জ্যোতি চিত্রবনৰ ৰেকডিং বিভাগটো ১৯৯২ চনৰ পৰা অচল হৈ আছে।

(ঘ) অসমীয়া কথাছবিৰ প্রযোজক সকলক দিবলৈ বাকী থকা ধনৰ পৰিমান ১,০৪,০৮,৮০০/- টকা। (বিতং তথ্য ইয়াৰ লগত গাঁঠি দিয়া হল।) (See the Annexure-VIII)

Re :- Activity of insurgent group.

Shri Samarendra Nath Sen asked :

* 314. Will the Chief Minister be pleased to State :

(a) Is it a fact that some insurgent groups are very active in Assam?

(b) If so, what steps Government would take to combat it?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) The Govt. have taken measures to combat the activities of the terrorist groups. There has been contineous pressure on the extremists elements by the Army/Police and Para-Military Forces. Due to operation launched by the Govt., large number of terorists have so far surrendered and quite a large number have been arrested.

বিষয় ঃ প্রধানমন্ত্রীৰ ১৫ দফীয়া নির্দেশনা।

শ্রী যতীন মালীয়ে সুধিছে ঃ

* ৩১৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) প্রধানমন্ত্রীৰ ১৫ দফীয়া নির্দেশনাখন সম্পর্কে জানেনে?

(খ) প্রধানমন্ত্রীৰ ১৫ দফীয়া নির্দেশনা অনুযায়ী প্রয়োজনীয় সময়ত সংখ্যালঘু এলেকাত Special Court বহুৱাব লাগে, হয়নে?

(গ) যদি বহুৱাব লাগে ১৯৯৪ চনৰ ৰৱপেটাৰ সংঘর্ষৰ সময়ত একেই নির্দেশনাৰ আধাৰত Special Court বহুৱাইছিল নে (সবিশেষ জনাবনে)?

(ঘ) অসমত বর্ত্তমানলৈ এই নির্দেশনা মতে কিমানটা Special Court বহুৱালে জনাবনে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানো।

(খ) প্রয়োজন সাপেক্ষে চৰকাৰে Special Court বহুৱাৰ পাৰে।

(গ) যিহেতু ১৯৯৪ চনত ৰৱপেটাত হোৱা সংঘর্ষ সাম্প্রদায়ীক নাছিল, সেয়েহে Special Court বহুৱাৰ প্রশ্ন নুঠে।

(ঘ) এতিয়ালৈকে কোনো Special Court বহুওৱা হোৱা নাই।

বিষয় ঃ বলপূর্বক ধন সংগ্রহ।

শ্রী মুনীন মহন্তই সুধিছে ঃ

* ৩১৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯৪-৯৫ চনত ৰাজ্যখনত আত্মগোপনকাৰী সশস্ত্র সংগ্রামীৰ দ্বাৰা কিমান বলপূর্বক ধন সংগ্রহৰ গোচৰ আহিছে?

(খ) উক্ত বছৰটোত ৰাজ্যখনৰ বিভিন্ন স্থানত সংঘৰ্ষৰ নামত পুলিচৰ হাতত বন্দুকৰ গুলীত কিমানজন লোকৰ মৃত্যু হৈছে?

(গ) ১৯৯৪-৯৫ চনটোৰ ভিতৰত কিমানবাৰ গুলী চালনা হৈছে আৰু লাঠি চালনা, কন্দুৱা গেচ আদি প্ৰয়োগ হৈছে?

(লাঠি চালনাৰ, গুলি চালনাৰ স্থান, মৃত আৰু আহতসকলৰ নাম, ঠিকনা আদি দিব)

(ঘ) চৰকাৰী বেচৰকাৰী ভাৱে মৃত সকলো পৰিয়াললৈ সাহায্য দিয়া হৈছে নেকি?

(ঙ) যদি দিয়া হোৱা নাই, কিয় দিয়া নহয়?

শ্ৰীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৪৮ টা গোচৰ পুলিচে পঞ্জীভূক্ত কৰিছে।

(খ) মুঠ ৫২ জন লোকৰ মৃত্যু হৈছে।

(গ) গুলিচালনা ১৪৯ বাৰ, লাঠি চালনা ২ বাৰ, কন্দুৱা গেছ ১ বাৰ প্ৰয়োগ কৰা হৈছে। পৰিশিষ্ট 'এ' আৰু 'বি' তথ্যবোৰ দেখুউৱা হ'ল। (See the Annexure-IX)

(ঘ) বিস্তৃত তথ্য আহৰণ কৰি থকা হৈছে। এতিয়ালৈকে ৫ টা পৰিয়ালক মুঠ ২৫০০০.০০ টকা সাহায্য হিচাপে দিয়াৰ তথ্যহে আহৰণ কৰিব পৰা গৈছে।

(ঙ) প্ৰশ্ন নুঠে।

Re :- Sanction of Police Out Post.

Shri Badan Barua asked :

* 318. Will the Chief Minister be pleased to state :

(a) Is there any sanction to open a Police Out Post in Ramdia under Hajo Police Thana?

(b) If so, when the Out Post will be opened?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) At present Ramdia Out Post has been kept attached with Hajo Police Station and it covers Ramdia Eleka from Hajo Police Station. Necessary steps are being taken to shift the Out Post to Ramdia.

Re :- Head Quarter of Bajali Sub-Division.

Dr. Krishna Kanta Lahkar asked :

* 319. Will the Chief Minister be pleased to state :

(a) Whether head quarter of Bajali Sub-Division will be declared soon or not?

(b) Whether fundation stone will be laid soon or not?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) The matter is under examination.

(b) Does not arise.

UNSTARRED QUESTIONS AND ANSWERS

Re :- Compensation to the Acquired Land Holder :

Shri Sashakamal Hendique asked :

731. Will the Minister of Flood Control be pleased to state :

(a) Is it a fact all the compensation in connection with land acquisition for protection and erection of embankment in the bank of river Buridihing at Uriamguri, Faltutula village, Joypure and Naharkatia are not paid after repeated prayer by the poor land owners?

(b) If so, when those compensation will be paid?

Shri Haren Bhumij (Minister) replied :

(a) Yes, not yet paid.

(b) Clearance of compensation will be taken up in phased manner, on availibility of fund.

বিষয় ঃ বিদ্যালয় উন্নীতকৰণ।

শ্রী দেৱহাগ্রা মুছাই সুধিছে ঃ

৭৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰে ১৯৭১ চনতে স্থাপিত হোৱা মাজৰ দেউৰী ট্রাইবেল হাইস্কুল খনক উচ্চতৰ

মাধ্যমিকলৈ উন্নীতকৰণ কৰাৰ সিদ্ধান্ত বৰ্ত্তমান চৰকাৰে গ্ৰহণ কৰিছেনে নাই অনুগ্ৰহ কৰি জনাবনে?

(খ) অসমৰ জনজাতি প্ৰধান অঞ্চলৰ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক বৰ্ত্তমান চৰকাৰ শাসন ভাৰ লোৱাৰ পৰা চৰকাৰীকৰণ কৰা হল?

শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণৰ প্ৰস্তাৱ বৰ্ত্তমানে নাই, সেয়েহে মাজৰ দেউৰী ট্ৰাইবেল হাইস্কুলখনক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণৰ সিদ্ধান্ত লোৱা নাই।

(খ) পুঁজিৰ অভাৱত চৰকাৰীকৰণ কৰা নাই।

Re :- Office of the Joint Director of Elementary Education.

Shri Mission Ranjan Das asked :

733. Will the Minister of Education be pleased to state :

(a) Whether the Government is contemplating to open offices of the Joint Director of Elementary Education and Secondary Education in Barak Valley?

(b) If yes, from when these offices will start functioning?

(c) Whether these offices will be opened at Karimganj where there is no Zonal office of any kind of the State Government? If not, state reasons thereof?

Shri Golok Rajbonshi (Minister) replied :

(a) There is a proposal for establishment of a Zonal office at Silchar for effective supervision and Co-ordination of Educational Programmes from Primary to College Level headed by the Joint Director/Addl. Director.

(b) The offices will function as and when it is created.

(c) No. The proposed Zonal office at silchar is expected to cover the Karimganj district also when it is set up.

বিষয় ঃ শিক্ষক নিযুক্তি।

শ্রী তাজেন্দ্র নার্জাৰীয়ে সুধিছে ঃ

৭৩৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পশ্চিম বিলাসীপাৰা সমষ্টি (বৰ্ত্তমান চৰকাৰৰ কার্য্যকালত) এল,পি আৰু এম,ই স্কুলত কিমানজন শিক্ষিত নিবনুৱা যুৱকক নিযুক্তি দিছে?

(খ) ইংৰাজী ১৯৯১ চনত চৰকাৰী বিজ্ঞাপন মতে সাক্ষাৎকাৰত অৱত্তীর্ণ হোৱা প্রার্থী সকলক নিযুক্তি আজিলৈকে হোৱা নাই কিয়?

(গ) চৰকাৰৰ নিয়ম অনুযায়ী উপযুক্ত শিক্ষক নিযুক্তি দিছেনে, যদি দিয়া নাই কিয়?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক)
(খ) সংলিষ্ট বিষয়াৰ পৰা তথ্য বিচৰা হৈছে।
(গ)

বিষয় ঃ গ্রামে বৈদুতিকরণ।

শ্রী চিত্তেন্দ্র নাথ মজুমদারে জিজ্ঞাসা করছেন ঃ

৭৩৫। মাননীয় বিদ্যুৎ (গ্রাম্য) বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি?

(ক) হাইলাকান্দি জেলার গত ১৯৯৪-৯৫ ইং কত গ্রামে বৈদ্যুতিকরণ করা হয়েছে?

(খ) ঐ সব গ্রামের নাম সদনে দাখিল করবেন?

(গ) প্রতিদিন রাত্রি ৬ ঘটিকা হইতে রাত্র ৯ ঘটিকা পর্য্যন্ত বৈদুতিক আলোচনা নাথাকার কারণ কি?

শ্রী গোপীনাথ দাস (ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হাইলাকান্দি জেলায় ১০টি নতুন পিয়লভুক্ত গ্রামে বিদ্যুৎ যোগান ধরার জন্য এবং ১০টি গ্রামে বিদ্যুতিক সম্প্রসারণের কাজ ১৯৯৪-৯৫ সালের যোজনাতে অন্তর্ভূক্ত করা হয়েছে এবং কাজো শুবু করা হয়েছে।

(খ) ঐ সব গ্রামের নাম ইহার সাথে পরিশিষ্ঠ 'ক' তে সন্নিবিষ্ট করা হয়েছে। (See the Annexure-X)

(গ) বরাক উপত্যকায় (হিন্দুস্থান কাগজ কল বাদ দিয়ে) শীর্ষ সময়ে (সন্ধ্যা ৫ ঘটিকা হইতে রাত্র ১০ ঘটিকা পর্য্যন্ত) বিদ্যুতের চাহিদা প্রায় ২৫ থেকে ৩০ মেগাওয়াট বিদ্যুৎ পরিষদের

নিজস্ব প্রকল্পের উৎপাদন এবং কেন্দ্রীয় প্রতিষ্ঠা (NEEPCO এবং NHPC), মেঘালয় এবং EREB থেকে আমদানিকৃত বিদ্যুতের দ্বারা প্রয়োজনীয় বিদ্যুৎ সরবরাহ করা অসম্ভব হওয়ার জন্য সমগ্র রাজ্যের সাথে হাইলাকান্দি জেলায়ুক্ত সময়ে সময়ে বিদ্যুৎ কর্ত্তন করা হয়।

বিষয় ঃ নবোদয় বিদ্যালয় স্থাপন।

শ্রী মহেন্দ্র বড়াই সুধিছে ঃ

৭৩৬। মাননীয়া শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান প্রতিষ্ঠা কৰিবলৈ লোৱা নবোদয় বিদ্যালয় খনৰ স্থান পূর্বতে প্রশ্ন কর্ত্তাই মৌখিক ভাবে তিতাবৰ সমষ্টিৰ ঠেঙ্গাল মৌজাৰ চৰকাৰী মাটিত প্রতিষ্ঠা কৰিবলৈ চৰকাৰলৈ প্রস্তাব দিয়া মতে বৰ্ত্তমান সেই মতে প্রতিষ্ঠা হবনে?

(খ) স্থান নির্দ্ধাৰণৰ কোনো ব্যতিক্রম হৈছেনে?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক)আৰু(খ) নবোদয় বিদ্যালয় স্থাপনৰ স্থান নবোদয় বিদ্যালয় সমিতিয়ে নির্ৰাচন কৰে। তিতাবৰৰ ববৰা গাঁৱত যোৰহাট জিলাৰ নবোদয় বিদ্যালয় স্থাপন কৰিবলৈ নবোদয় বিদ্যালয় সমিতিয়ে সিদ্ধান্ত লৈছে।

বিষয় ঃ স্কুল ভৱন নির্মাণ।

শ্রী প্রণৱ কুমার নাথ জিজ্ঞাসা করছেন ঃ

৭৩৭। মাননীয় শিক্ষা ৱিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেনকি ঃ

আসামের গ্রামোন্নয়ন বিভাগ থেকে প্রতিটো নির্বাচন সমষ্টি ভিত্তিক চারটি করে স্কুল ভৱন নির্মানের জন্য প্রত্যেক জিলার জন্য অর্থ ৱরাদ্দ করা হয়েছে এবং আসামের শিক্ষা বিভাগ থেকে চল্লিশ্ শতাংশ অর্থ গ্রামোন্নয়ন বিভাগে দেওয়ার পর কাজ শুরু হৱর এবিষয়ে শিক্ষা বিভাগ কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন বিশদ তথ্য সদনের মেঝে দাখিল করিবেন?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

অপাৱেশ্যন ব্লেক বোর্ডৰ অধীনত নির্মাণ কৰিব লগা প্রাথমিক বিদ্যালয় সমূহৰ বাবে জৱাহৰ ৰোজগাৰ যোজনা আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ অংশ হিচাবে ১৯৯৩-৯৪ চনত ২ (দুই) কোটি টকাৰ মঞ্জুৰী দিয়া হৈছিল। বৰ্ত্তমান এই টকাখিনি চৰকাৰৰ 'ৰাজহ্ শিতানত' জমা ৰখা হৈছে। বিত্ত ৱিভাগে ৰাজহ্ শিতানৰ পৰা মোকোলাই দিলে বিতৰণ কৰিব পৰা হব।

Re :- Loss of Silchar Wholesale Cooperative Society Ltd.

Shri Samarendra Nath Sen asked :

738. Will the Minister of Cooperation be pleased to State :

(a) Is it a fact that the Silchar Wholesale Cooperative Society Ltd., sustained a loss of Rs. 19,99,859 in 1992-93 (period ending 31-3-93) and Rs. 1,32,623.20 from 1st April 1993 to 30th September 1993?

(b) Is it a fact that an enquiry was held and report submitted on 1st April 1994?

(c) If so, what are the reasons and steps have taken against officers found at fault?

Shri Nagen Neog (Minister, Cooperation) replied :

(a) No. it is not a fact. But an amount of Rs. 1,32,623.20 incurred loss from 1-4-93 to 30-9-93 as per provisional accounts of the Society.

(b) Yes, an enquiry was held but no report was submitted on 1-4-94.

(c) The reasons for losses are (a) huge staff (b) heavy Establishment charges (c) lack of own capital (d) short fail of business turnover.

The Question of taking action against officer at fault would come up for consideration after statutory audit report and Balance sheet of the Society for 1992-93 is received.

বিষয় ঃ পৰিচালনা সমিতি গঠন।

শ্ৰী মুজিবুৰ ৰহমানে সুধিছে ঃ

৭৩৯। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বেচৰকাৰী ঘাটী মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ৰ পৰিচালনা সমিতি (গেৱৰ্ণিং বডি) গঠন কৰাৰ কৰ্তৃত্ব কাৰ হাততে?

(খ) কি বিধি ব্যৱস্থা মতে এই পৰিচালনা কমিটি সমূহ গঠন কৰা হয়?

(গ) সাহায্যপ্ৰাপ্তি অথচ অমঞ্জুৰীকৃত মহাবিদ্যালয়ৰ ক্ষেত্ৰতো এই বিধি ব্যৱস্থা প্ৰযোজ্য নে?

(ঘ) কিহৰ ভিত্তিত মহাবিদ্যালয় সমূহ ঘাটি মঞ্জুৰী দিয়া হয়?

শ্রী গোলোক চন্দ্র ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰৰ হাতত।

(খ) Assam Aided College Management Rules, 1976 - বিধি ব্যৱস্থা মতে চৰকাৰী সাহার্য্যপ্রাপ্ত মহাবিদ্যালয় সমূহৰ পৰিচালনা সমিতি গঠন কৰা হয়।

(গ) অকল তদর্থ সাহার্য্যপ্রাপ্ত আৰু ঘাটিমঞ্জুৰীপ্রাপ্ত মহাবিদ্যালয় বিলাকৰ ক্ষেত্রতহে এই বিধি প্রযোজ্য।

(ঘ) নিম্নলিখিত ভিত্তি সমূহৰ ওপৰত নির্ভৰ কৰি মহাবিদ্যালয় সমূহ ঘাটি মঞ্জুৰী আঁচনিৰ অধীনলৈ অনা হয়।

(১) মহাবিদ্যালয়খন সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত হব লাগিব।

(২) বিশ্ববিদ্যালয়ে দিয়া স্বীকৃতিত চৰকাৰে সন্মতি (Govt. Concurrence non affiliation) জনাব লাগিব।

(৩) বেচৰকাৰী মহাবিদ্যালয় সমূহ ঘাটি মঞ্জুৰী আঁচনিৰ অধীনলৈ অনাৰ সময়ত চৰকাৰৰ দ্বাৰা স্বীকৃতি সন্মতি দিয়াৰ তাৰিখ আৰু স্বীকৃতি দিয়া বছৰ আদি বিবেচনা কৰা হয়।

(৪) মহাবিদ্যালয় খনত যথেষ্ঠ সংখ্যক ছাত্র-ছাত্রী থাকিব লাগিব। অৱশ্যে ছোৱালী মহাবিদ্যালয়ৰ ক্ষেত্রত কিছু ৰেহাই দিয়া হয়।

(৫) বিশ্ববিদ্যালয়ৰ বিধি অনুযায়ী অর্হতা সম্পন্ন আৰু প্রয়োজনীয় পৰিমানৰ শিক্ষক মহাবিদ্যালয়ত থাকিব লাগিব। উক্ত শিক্ষক সকল বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা নির্দ্দিষ্ট কৰি দিয়া শিক্ষাগত অর্হতা সম্পন্ন হব লাগিব।

বিষয় ঃ বান্ধ মেৰামতি।

শ্রী ধ্রুব কুমাৰ সেনে সুধিছে ঃ

৭৪০। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ধুবুৰী Exceutive Engineer, Flood Control (বাননিয়ন্ত্রণ বিভাগৰ অধীনত যি Timber Spur, with boulder Apron including pitching & Road cum bund আছে (near Gogonaya Asrom ward No. (III) সেইটো মেৰামতি কৰা কাৰণে চৰকাৰে কোনো ব্যৱস্থা হাতত লৈছে নেকি?

(খ) যদি লোৱা হোৱা নাই অতি সোনকালে ব্যৱস্থা লবনে?

শ্রী হৰেণ ভূমিজ (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নাই লোৱা।

(খ) বিত্তীয় স্বচ্ছলতা সাপেক্ষে মেৰামতিৰ কাম হাতত লোৱাৰ কথা বিবেচনা কৰা হব।

বিষয় ঃ এজনীয়া শিক্ষক থকা বিদ্যালয়ৰ সংখ্যা।

শ্রী বুবুল দাসে সুধিছে ঃ

৭৪১। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) জাগীৰোড সমষ্টিত এজনীয়া শিক্ষক থকা প্রাথমিক বিদ্যালয়ৰ সংখ্যা কিমান? (তালিকা সদনত দিব)

(খ) এই বিদ্যালয় সমূহত চৰকাৰৰ ঘোষিত নীতি "এজনীয়াৰ পৰা ২ জনীয়া কৰা" নীতি ৰূপায়ন নকৰাৰ কাৰণ কি?

(গ) জাগীৰোড সমষ্টিত মুঠ কিমানটা প্রাথমিক বিদ্যালয়ত স্থায়ী পদ খালি আছে, কোন কোন বিদ্যালয়ত এই পদ সমূহ খালি আছে?

(ঘ) বুনিয়াদী শিক্ষা বঞ্চিত হৈ থকা কন কন শিশুৰ প্রতি লক্ষ্য ৰাখি খালি পদ সমূহ তৎকালিন ভাবে পুৰণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রী গৌতম ৰৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সমষ্টি ভিত্তিত তথ্য ক্ষেত্র বিষয়াৰ পৰা বিচৰা হৈছে।

(খ) তথ্যমতে অসমৰ সকলোবোৰ এজনীয়া শিক্ষকৰ প্রাথমিক বিদ্যালয়লৈ ২য় শিক্ষকৰ পদ ইতিমধ্যে মঞ্জুৰী দিয়া হৈছে। নীতি ৰূপায়ন নকৰাৰ প্রশ্ন নুঠে।

(গ) বিদ্যালয় উপ-পৰিদর্শকৰ পৰা বিতং তথ্য বিচৰা হৈছে।

(ঘ) প্রাথমিক শিক্ষক নিযুক্তিৰ ক্ষেত্রত থকা বাধা (Ban) ইতিমধ্যে শিথিল কৰি দিয়া হৈছে। অৱশ্যে আদালতৰ বাধাৰ কাৰণে ব্যৱস্থা লব পৰা হোৱা নাই।

বিষয় ঃ বিজুলী সংযোগ।

শ্রী কোষেশ্বৰ বৰুৱাই সুধিছে ঃ

৭৪২। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে যে ১৯৮৩ আৰু ১৯৮৯ চনত হোৱা গহপুৰৰ ভাতৃ ঘাটি সংঘর্ষত

ইয়াৰ উত্তৰাঞ্চলৰ বনগাওঁ তথা পূৰ্বজ্যোতি কৃষি পাম নিগমৰ প্ৰায় সকলো ঠাইৰ বিজুলী যোগানৰ সকলো ব্যৱস্থা বিকল হৈ পৰিল আৰু এতিয়াও ইয়াৰ পুনৰ সংযোগৰ ব্যৱস্থা নকৰাত ৰাইজৰ অসুবিধা হৈছে?

(খ) ওপৰোক্ত অঞ্চলত বিজুলী পোহৰ যোগানৰ কিবা ব্যৱস্থা লোৱাৰ দিহা কৰিবনে?

শ্ৰী গোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৩ চনত গহপুৰৰ উত্তৰাঞ্চলৰ বনগাওঁ তথা পূৰ্বজ্যোতি কৃষি পাম নিগমলৈ বিজুলী যোগানৰ কোনো ব্যৱস্থা নাছিল। ১৯৮৯ চনত হোৱা সংঘৰ্ষৰ সময়ছোৱাত উক্ত অঞ্চললৈ বিজুলী যোগান ব্যৱস্থা ক্ষতি সাধন হয় আৰু বিদ্যুৎ যোগান ব্যৱস্থা ব্যাহত হয়।

(খ) উপৰোক্ত অঞ্চল সমূহত পুণৰ বিজুলী যোগানৰ ব্যৱস্থা কৰিবলৈ বহু পৰিমানৰ পুঁজিৰ আৱশ্যক। আৱশ্যকীয় পুঁজিৰ ব্যৱস্থা হলে কামখিনি হাতত লোৱা হব।

বিষয় ঃ ইক্ষুৰ দাম।

শ্ৰী বদ্ৰি নাৰায়ণ সিংহ জিজ্ঞাসা কৰচেণ ঃ

৭৪৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জনাবেন কি?

(ক) কামপুৰ চিনি মিলে লামডিং এলাকা হইতে যে সব কৃষক ইক্ষু সৰবৰাহ কৰে তাহাদের কুইঃ প্ৰতি কিদরে payment দেওয়া হয় আৰ যে কৃষক বা ইক্ষু উৎপাদক নিজে আনিয়া মিল পৰ্য্যন্ত ইক্ষু প্ৰোছাইতেছে তাহারা কুইঃ প্ৰতি কত দাম প্ৰায় এবং যে সব কৃষকৰ ইক্ষু মিলের তৰফ হইতে আনানো হয় তাহারা কুইঃ প্ৰতি কত দাম পাইয়া থাকে?

(খ) ইক্ষু উৎপাদনের জন্য মিলের তৰফ হইতে উৎপাদককে কি কি সুবিধা দেওয়া হয়? যদি সুবিধা দেওয়া হইয়া থাকে জানাবেন, যদি দেওৱা হয় নাই ইহার কাৰন কি?

শ্ৰী নগেন নেওগ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) লামডিংৰ পৰা অনা কৃষকক কুইন্টল প্ৰতি বৰ্ত্তমান ৫৬.৫০ টকা দিয়া হয়, মিললৈ নিজে অনা কৃষকে কুইন্টল প্ৰতি ৫৩.০০ টকা পায় আৰু মিলৰ তৰফৰ পৰা আনিলে তেনে কৃষকে কুইন্টল প্ৰতি কিমান দাম পায় তাৰ সঠিক তথ্য বিছৰা হৈছে।

(খ) নগদ হিছাবে ও যাবতীয় সামগ্ৰী বাবদ ঋণ দিয়া হয়। কুঁহিয়াৰ কটা সময়ত বিবেচনা ক্ৰমে কৃষি ঋণো দিয়া হয়।

Re :- Panel list of Principals.

Shri Mudhu Sudan Tewari asked :

744. Will the Minister of Secondary Education be pleased to state :

(a) Why the panel of Principals for provincialised Higher Secondary Schools in Assam is not being published for which interviews were taken long back please state it in details?

(b) When this panel will be published?

(c) If not, will the delay in publishing the panel creat resentment amongst teachers and problem in school administration?

Shri Gautom Bora (Minister of State Education) replied :

(a) The select list of Principals of provincialised Higher Secondary schools has been approved by the Govt.

(b) Approved panel has been sent to Director Secondary Education for further necessary action.

(c) Director of Secondary Education has been directed to take prompt action on the matter.

বিষয় ঃ শ্লুইচ গেট নির্মানৰ দাবী।

শ্রী মুনীন মহন্তই সুধিছে ঃ

৭৪৫। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) মৰিগাওঁ জিলাৰ মকিগাওঁ সমষ্টিৰ অন্তর্গত চনুৱাবড়ি বৰঝাওঁ অঞ্চলৰ ৰাইজে ধৰমতুল আৰু ৰেলৱে দলংৰ মাজত ৫৯ কিঃমিঃ ও এখন শ্লুইচগেট নির্মানৰ বাবে দাবী জনাই অহা সম্পর্কে চৰকাৰ আৱগত নে?

(খ) উক্ত স্থানত শ্লুইচগেট এখনৰ প্রয়োজনীয়তা চৰকাৰে অনুভৱ কৰেনে?

(গ) উক্ত স্থানত মথাউৰীটো বর্ত্তমানলৈকে ৰাইজে কিমান বাৰ কাটি দিছে জনাবনে?

(ঘ) উক্ত কটা স্থান মেৰামতী কৰাৰ বাবে বর্ত্তমানলৈকে কিমান টকা খৰছ কৰা হৈছে জনাবনে?

(ঙ) উক্ত স্থানত মথাউৰী কাটি দিয়াৰ কাৰণটো কি জনাবনে?

(চ) ৰাইজৰ দাবীৰ ভিত্তিত সমস্যাটো স্থায়ী সমাধানৰ বাবে শ্লুইচগেট নির্মানৰ ব্যৱস্থা শীঘ্রে কৰিবনে?

(ছ) শ্লুইচগেট নির্মানক বাবে প্রাক্কলন প্রস্তুত কৰি দাখিল কৰিবলৈ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রী হৰেণ ভূমিজ (বানিয়ন্ত্রণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) আইঁতগুৰিৰ পৰা ৰেলৱে দলঙলৈ কপিলিৰ দক্ষিণ পাৰে থকা মথাউৰীৰ দৈর্ঘ্য মুঠ ১৬.২০ কিঃমিঃ। গতিকে এই মথাউৰীৰ প্রশ্ন কৰা মতে ৫৯ কিঃমিটাৰত কোনো দাবীৰ কথা নুঠে।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

(ঙ) প্রশ্ন নুঠে।

(চ) প্রশ্ন নুঠে।

(ছ) প্রশ্ন নুঠে।

Re :- Office of the D.I. of Schools.

Shri Rampyare Rabidas asked :

746. Will the Minister of Primary Education be pleased to state :

(a) Whether it is a fact that Government has sanctioned an office of the Depurty Inspector of Schools at Ramkrishna Nagar in the Karimganj District?

If yes, when?

(b) Why the office has not been inauguarated yet although there are many Private Buildings available on rent at Ramkrishna Nagar?

(c) Whether Government would direct the appropriate authority for making all necessary arrangements, so that the D.I. Office may be inaugurated soon?

(d) Whether Government will enquire and take action against the authority for whose negligency the matter is delayed?

Shri Gautam Bora (Minister of State, Education) replied :

(a) No office of the D.I. of Schools at Ramkrishna Nagar in Karimganj District has been sanctioned by the Govt.

(b), (c) & (d) Do not arise.

বিষয় ঃ প্রধান মন্ত্রী যোজনা আঁচনি।

শ্রী জীউৰাম বড়োই সুধিছে ঃ

৭৪৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলাত শিক্ষিত নিবনুৱা সকলক উৎসাহিত কৰিবলৈ 'প্রধান মন্ত্রী যোজনা' আঁচনিখন কেতিয়া প্রচলন কৰা হৈছে।

(খ) এই যোজনা আৰম্ভনিৰে পৰা এতিয়ালৈ কিমান জন যুৱক যুৱতীক এই আঁচনিত সামৰি লোৱা হ'ল আৰু সেইসকল ব্যক্তিৰ নাম সমূহ অৱগত কৰাৰ লগতে জনজাতি আৰু অনুসূচীত জনজাতিক শতকৰা কিমান জনক সামৰি লোৱা হ'ল?

শ্রী বিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রধান মন্ত্রী ৰোজগাৰ যোজনা আঁচনিখন যোৱা ২ (দুই) অক্টোবৰ ৯৩ৰ পৰা দৰং জিলাত প্রচলন কৰা হৈছে।

(খ) এতিয়ালৈকে ২৬১ জন যুৱক-যুৱতীয়ে এই আঁচনিৰ অধীনত ঋণ লৈ স্বনিয়োজিত হৈছে। হিতাধীকাৰীৰ তালিকা সদনৰ মজিয়াত পেছ কৰা হ'ল। উপকৃত হোৱা যুৱক-যুৱতী সকলৰ ভিতৰত শতকৰা ২৪% (চৌৱিশ) ভাগ অনুসুচিত জনজাতিৰ লোক আৰু শতকৰা ৮% (আঠ) ভাগ অনুসূচীত জাতিৰ লোকক সামৰি লোৱা হৈছে।

বিষয় ঃ স্কুল স্বীকৃতি বন্ধ।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

৭৪৮। মাননীয় শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰে নিজাববীয়াকৈ স্কুল প্রতিষ্ঠা কৰাৰ চিন্তা কৰিছে নে?

(খ) যদি কৰা নাই, তেন্তে ৰাইজে প্রতিষ্ঠা কৰা স্কুলৰ অনুমতি বা স্বীকৃতি দিয়াটো চালু কৰিবনে?

(গ) যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব?

শ্রী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তেনেধৰণৰ কোনো আঁচনি নাই।

(খ) আৰু অলপ দিন বন্ধ থাকিব।

(গ) প্রশ্ন নুঠে।

Re :- Special Sanction.

Shri Mission Ranjan Das asked :

749. Will the Minister of Higher Education be pleased to state :

(a) Whether the Government will consider for special sanction of amount for Karimganj College on its Golden Jubilee Celebration Year in 1995 for construction of its Science Laborataries?

(b) If yes, please state the amount and time and if not, state reasons thereof ?

Shri Golok Rajbangshi (Minister of Higher Education)

(a) There is no such provision of fund in the Budget.

(b) Does not arise.

বিষয় ঃ কৃষি আৰু খাদ্য প্রস্তুতকৰণৰ উদ্যোগ।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৭৫০। মাননীয় কৃষি আৰু খাদ্য প্রস্তুতকৰণ বিভাগৰ মন্ত্রীয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কৃষি আৰু খাদ্য প্রস্তুতকৰণ উদ্যোগ বর্ত্তমান চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে কিমনটা স্থাপন কৰা হ'ল জনাবনে?

(খ) কৃষি আৰু খাদ্য প্রস্তুতকৰণ উদ্যেগৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে আৰু দিয়াৰ দ্বাৰা উদ্যোগীসকলক কি সুবিধা দিয়া হৈছে?

(গ) কৃষি আৰু খাদ্য প্রস্তুতকৰণ উদ্যোগৰ বাবে কেন্দ্রীয় চৰকাৰে এতিয়ালৈকে ৰাজ্য চৰকাৰৰ কিমান টকাৰ অনুমোদন জনাইছে, জনাবনে?

(ঘ) ১৯৯৫-৯৬ চনৰ বাবে কৃষি আৰু খাদ্য প্রস্তুতকৰণৰ উদ্যোগৰ বাবে কি আঁচনি গ্রহণ কৰিব জনাবনে?

শ্রী ৰছিদুল হক (কৃষি আৰু খাদ্য প্ৰস্তুতকৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১০০৯ টা।

(খ) কৃষি আৰু খাদ্য প্ৰস্তুতকৰণ উদ্যোগিক খণ্ডৰ উন্নয়নৰ বাবে কেইটামান কৃষি ভিত্তিক উদ্যোগ চিনাক্তকৰণ কৰি উলিওৱা হৈছে যেনে ঃ

(১) ১০০% ৰপ্তানিকৰণ মাচৰুম (Mushroom) প্ৰকল্প।

(২) সংহত ফলমুল আৰু শাকপাচলি প্ৰকল্প।

(৩) ১০০% ৰপ্তানিকৰণ কল ৰসৰ (Banana Puree) প্ৰকল্প।

(৪) মচলা জাতীয় উদ্যোগ।

(৫) ১০০% ৰপ্তানি ভিত্তিক অমিতা ভিত্তিক প্ৰকল্প।

(৬) মাংস আৰু হাঁহ কুকুৰা ভিত্তিক প্ৰকল্প।

(৭) মৎস ভিত্তিক প্ৰকল্প।

উপৰোক্ত উদ্যোগ কেইটাৰ ভিতৰত প্ৰথম তিনিটা প্ৰকল্পৰ Techno Economic Feasibility Report প্ৰস্তুত কৰা হৈছে ও মাচৰুম প্ৰকল্প আৰু ফলমুল আৰু শাক-পাচলি ভিত্তিত প্ৰকল্পৰ বাবে দুজন উদ্যোগিক বাচনি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ ৮ম পঞ্চবাৰ্ষিক পৰিকল্পনামতে যিবোৰ সুবিধা খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ দিয়াৰ ব্যৱস্থা আছে, সেই সুবিধা/অনুমোদনৰ বাবে ইতিমধ্যে ৪ টা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠিওৱা হৈছে।

(গ) কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে উদ্যোগ বিভাগক ৩ (তিনি) লাখ ৫০ (পঞ্চাশ) হেজাৰ টকা খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ কাৰ্য্যলয়ৰ সা-সামগ্ৰীৰ বাবে অনুদান আগবঢ়াইছে আৰু ৩০ (ত্ৰিশ) লাখ টকাৰ এটি অনুদান কৃষি বিবাগৰ canning centreৰ বাবে উদ্যোগ বিভাগলৈ পঠিয়াইছিল। ইতিমধ্যে কৃষি বিভাগক সেই অনুদানৰ কথা চমজাই দিয়া হৈছে। ১৯৯১-৯২ চনত কেন্দ্ৰীয় চৰকাৰে Assam Livestock and Poultry Corporationক (১) কুকুৰাৰ মাংস প্ৰস্তুতকৰণ প্ৰকল্পৰ বাবে ২৯১.৬২ লাখ টকা (২) গাহৰি মাংস প্ৰস্তুতকৰণ প্ৰকল্পৰ বাবে ২৬২.১৭ লাখ টকা আৰু ভেড়া আৰু ছাগলীৰ মাংস প্ৰস্তুতকৰণ প্ৰকল্পৰ বাবে ৩০০.৩৪ লাখ টকাৰ অনুদান দিছে। ১৯৯৪ চনৰ আগষ্ট মাহত কেন্দ্ৰীয় চৰকাৰৰ খাদ্য প্ৰস্তুত কৰণ মন্ত্ৰনালয়ে নাজিৰাত গাহৰিৰ উৎপাদন আৰু গাহৰিৰ মাংস প্ৰস্তুতকৰণ প্ৰকল্পৰ বাবে ৩৬০.০০ লাখ টকাৰ অনুমোদন দিছে।

(ঘ) অসম লঘু উদ্যোগ উন্নয়ন নিগমে কৃষি আৰু খাদ্য প্ৰস্তুত কৰণ উদ্যোগ সমূহৰ উৎপাদিত খাদ্য সামগ্ৰীবোৰ "সুবুচী" নামেৰে নামাকৰণ কৰি বজাৰত বিক্ৰিৰ বাবে এক নতুন আঁচনি গ্ৰহণ কৰিছে।

বিষয় ঃ স্বীকৃতি প্ৰাপ্ত মহাবিদ্যালয়ৰ অধ্যক্ষ।

শ্ৰী নজমূল হকে সুধিছে ঃ

৭৫১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ চাৰিখন বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কিমানখন স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় আছে?

(খ) এই মহাবিদ্যালয় বিলাকৰ অধ্যক্ষ সকলৰ নিয়োগৰ ক্ষেত্ৰত কি অৰ্হতা লাগে?

(গ) বৰ্ত্তমান কিমানখন মহাবিদ্যালয়ত অৰ্হতা সম্পন্ন অধ্যক্ষ আছে?

(ঘ) বৰ্ত্তমান কাম কৰি থকা ভাৱপ্ৰাপ্ত অধ্যক্ষ সকলৰ বাছনি ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা লৈছেনে চৰকাৰে। এই সকল ব্যক্তি সাপেক্ষে মহাবিদ্যালয়ৰ পূৰ্ণাঙ্গ অধ্যক্ষ নিয়োগৰ ক্ষেত্ৰত বাছনি পৰীক্ষা কেতিয়া অনুষ্ঠিত কৰিব?

শ্ৰী গোলোক চন্দ্ৰ ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯১ খন।

(খ) ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয়ৰ ক্ষেত্ৰত অসম চৰকাৰৰ বিধি অনুযায়ী অধ্যক্ষ নিযুক্তিৰ বাবে ৰাজ্যিক বাছনি পৰিষদৰ দ্বাৰা মনোনিত হব লাগিব।

(গ) ১০৭ খন মহাবিদ্যালয়ত।

(ঘ) ৰাজ্যিক বাছনি পৰিষদৰ যোগেদি অধ্যক্ষ পদৰ বাছনিৰ বাবে সোনকালে সাক্ষাৎকাৰ অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

বিষয় ঃ ঠিকাদারকে টাকা আদায়।

শ্ৰী চিত্তেন্দ্ৰ নাথ মজুমদার জিজ্ঞাসা করছেন ঃ

৭৫২। মাননীয় বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

(ক) হাইলাকান্দি জেলায় ১৯৯৪-৯৫ ইং/ ও ১৯৯৩-৯৪ ইং ওরিজিনেল আঠ ওৱর্ক কাজের জন্য কত টাকা কোন ঠিকাদারকে আদায় দেওয়া হয়েছিল? ঠিকাদারদের নাম সদনে দাখিল করবেন?

(খ) এনেৰেল রিপেয়ার কাজের জন্য কত টাকা কোন ঠিকাদারকে আদায় দেওয়া হয়েছিল তাহাদের নাম সদনে দাখিল করবেন?

(গ) ঠিকাদারদের পাওনা বকেয়া টাকা সককার ১৯৯৫-৯৬ ইং আর্থিক বৎসরে আদায় করবেন কি?

শ্রী হরেন ভূমিজ (বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী)য়ে উত্তর দিছে ঃ

(ক) হাইলাকান্দি জেলায় ১৯৯৪-৯৫ ইং ও ১৯৯৩-৯৪ ইং তে ওরিজিনেল আঠ ওৰার্ক কাজের জন্য যে সকল ঠিকাদারকে টাকা দেওয়া হয়েছিল তাদের নাম ও টাকার পরিমাণ ইত্যাদির বিস্তারিত বিৱরণ সংলগ্ন তালিকা 'ক' এর মাধ্যমে সদনের টেবিলে দাখিল করা হয়েছে।

(খ) এনেৰেল রিপেয়ার কাজের জন্য যে সকল ঠিকাদারকে টাকা দেওয়া হয়েছিল তাদের নাম ও টাকার পরিমাণ ইত্যাদির বিস্তারিত বিৱরণ সংলগ্ন তালিকা 'খ' এর মাধ্যমে সদনের টেবিলে দাখিল করা হয়েছে।

(গ) বিত্তীয় স্বচ্ছলতা সাপেক্ষে পাওনা বকেয়া টাকা পর্য্যায়ক্রমে দেওয়ার কথা বিবেচনা করা হ'চ্ছে।

বিষয় ঃ শিক্ষক পদত মঞ্জুৰী।

শ্রী ভূপেন ৰয়ে সুধিছে ঃ

৭৫৩। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ১৯৯১ ইং চনতে প্রাদেশীকিকৰণ কৰা প্রাথমিক বিদ্যালয় সমূহত ২য় সহকাৰী শিক্ষক হিচাবে কাম কৰি থকা শিক্ষক সকলোৰে পদ সমূহ মঞ্জুৰী দিয়াৰ ব্যৱস্থা লৈছেনে?

(খ) যদি লৈছে চলিত বিত্তীয় বছৰতে উক্ত পদ সমূহ মঞ্জুৰী দিয়া হবনে?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৮-১-৯৫ তাৰিখৰ পৰা কার্যকৰী হোৱাকৈ ইতিমধ্যে পদসমূহ মোকোলাই দিয়া হৈছে।

(খ) প্রশ্ন নঠে।

বিষয় ঃ কেন্দ্রীয় পুথিভঁড়াল।

শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

৭৫৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কেন্দ্রীয় পুথিভঁড়ালৰ অন্তর্গত জিলা পুথিভঁড়াল সমূহটো পুথি যোজনা ধৰা হৈছেনে?

(খ) যোৰহাট জিলা পুথিভঁড়াল আৰু শিৱসাগৰ জিলা পুথিভঁড়াললৈ কিমান বছৰৰ পৰা অনুদান বা পুথি যোগান ধৰা নাই জনাবনে?

(গ) শিৱসাগৰ জিলা পুথিভড়ালত দৈনিক বাতৰি কাকতো যোগান নধৰাৰ কাৰণ মন্ত্রীমহোদয়ে জনাবনে ?

শ্রী গোলোক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোগান ধৰা হৈছে।

(খ) কেৱল ১৯৯৩-৯৪ চনৰ বাবে কিতাপ সমূহহে যোগান ধৰা হোৱা নাছিল।

(গ) শিৱসাগৰ জিলা পুথিভঁৰাললৈ দৈনিক বাতৰি কাকত যোগান ধৰাৰ বাবদ পাবলগীয়া ধন সময়মতে আদায় দিব নোৱাৰাৰ বাবে ১৯৯৪ চনৰ পৰা যোগনিয়াৰে বাতৰি কাকতৰ যোগান বন্ধ কৰি দিছিল। বৰ্ত্তমান ধন মোকলাই দিয়া হৈছে। গতিকে দৈনিক বাতৰি কাকত নিয়মীয়াকৈ যোগান ধৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

বিষয় ঃ শিক্ষক আৰু অধ্যক্ষ পদৰ বাবে বাঁচনি।

শ্রী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৭৫৫। ৰাজ্যিক শিক্ষা মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমৰ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমক বিদ্যালয়ত ক্রমে ভাৰপ্রাপ্ত প্রধান শিক্ষক আৰু ভাৰপ্রাপ্ত অধ্যক্ষৰ হতুৱাই কার্য্যনির্ব্বাহ কৰাই আছে?

(খ) উক্ত বিদ্যালয়সমূহত স্থায়ী প্রধান শিক্ষক আৰু স্থায়ী অধ্যক্ষ নিযুক্তি দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(গ) প্রধান শিক্ষক আৰু অধ্যক্ষ পদৰ বাবে বাঁচনি (Selection) পৰীক্ষা অনুষ্ঠিত হোৱা কথাটো সঁচানে?

(ঘ) যদি সঁচা হয়, উক্ত বাঁচনি পৰীক্ষাৰ ফলাফল কেতিয়া ঘোষণা কৰা হব?

শ্রী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উচ্চ মাধ্যমিক বিদ্যালয় ৩২২ খনত আৰু উচ্চতৰ মাধ্যমিক ২৩৪ খনত বৰ্ত্তমানে ভাৰপ্রাপ্ত প্রধান শিক্ষক/অধ্যক্ষই কার্য্য নির্ব্বাহ কৰি আছে।

(খ) অধ্যক্ষ বাঁছনি তালিকা অনুমোদন কৰি চৰকাৰে ইতিমধ্যে অধ্যক্ষ সকলক স্থায়ী নিযুক্তি

দিয়াৰ বাবে মাধ্যমিক শিক্ষা সঞ্চালকলৈ প্ৰেৰণ কৰিছে। প্ৰধান শিক্ষক বাচনিৰ বাবে ৰাজ্যিক বাছনি পৰিষদক হেঁচাদি থকা হৈছে।

(গ) সঁচা।

(ঘ) অধ্যক্ষ পদৰ বাছনিৰ তালিকা ইতিমধ্যে চৰকাৰে পাইছে আৰু স্থায়ীভাবে নিযুক্তি দিয়াৰ বাবে অনুমোদন কৰি তালিকা সঞ্চালকলৈ পঠোৱা হৈছে। প্ৰধান শিক্ষকৰ বাছনি প্ৰক্ৰিয়া বৰ্ত্তমান চলি আছে। তালিকা পালে ব্যৱস্থা লোৱা হব।

বিষয় ঃ শিক্ষানুষ্ঠান চৰকাৰীকৰণ।

শ্ৰী মহেন্দ্ৰ বড়াই সুধিছে ঃ

৭৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ প্ৰতিখন জিলাত পৰ্য্যায়ক্ৰমে কিমান শিক্ষানুষ্ঠান চৰকাৰিকৰণ হল?

(খ) ১৯৯১ চনৰ পৰা ১৯৯৪-৯৫ লৈকে পৰ্য্যায়ক্ৰমে কিমান লোকক শিক্ষক চাকৰিত নিযুক্তি দিয়া হল তাৰ নাম, ঠিকনা, বয়স, শিক্ষাগত অৰ্হতা সকলো বিতং বিৱৰণ জিলা ভিত্তিত হিচাব সদনৰ মজিয়াত দাখিল কৰিবনে?

শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত পৰ্য্যায়ক্ৰমে মুঠ প্ৰাথমিক স্তৰত ৫১০ খন মাধ্যমিক স্তৰত ৩৫ খন আৰু উচ্চ শিক্ষা স্তৰত ৪ খন শিক্ষানুষ্ঠান চৰকাৰীকৰণ কৰা হৈছে। (জিলা ভিত্তিত তালিকা গাঠি দিয়া হ'ল।) (See the Annexure-XI)

(খ) তথ্য বিচৰা হৈছে।

বিষয় ঃ শিক্ষকের বেতনের দাবী।

শ্ৰী প্ৰণৱ কুমার নাথ জিজ্ঞাসা করছেণ ঃ

৭৫৭। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেনকি ঃ

(ক) করিমগঞ্জ জিলায় দির্ঘদিন থেকে যে সকল এল,পি, ও এম,ই/এম,ভি স্কুলের শিক্ষক শিক্ষীকাদের বেতন দেওয়া হাচ্ছেনা এবিষয়ে সরকার অবহিত আছেনকি? তাহার কারণ কি?

(খ) বৈধভাবে নিযুক্তি পাওয়া এল,পি, ও এম,ই/এম,ভি স্কুল শিক্ষক শিক্ষীকাদের বেতন প্রদানের জন্য কার্য্যকরী পদক্ষেপ গ্রহণ করবেন কি?

শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বার্ষিক পুনৰধাৰণ (Retention) দিওঁতে কেতিয়াবা বেতন পোৱাত পলম হয়।

(খ) বৈধ মঞ্জুৰীকৃত পদক বিপৰীতে নিযুক্তি পোৱা সকলো শিক্ষক শিক্ষয়ত্রীক বেতন নিদিয়াৰ প্রশ্নই নুঠে।

Re :- Electric connection in village.

Shri Samarendra Nath sen asked :

758. Will the Minister of Rural Electrification be pleased to state :

(a) Is it a fact that many villages, for example, Sankarbasti, Nutan Kanchanpur, Boaljun, Jaifarpur and Merua etc. under Silchar Constituency are without electric connection?

(b) If, so, what steip the Government would take for their electric connection?

Shri Gopi Nath Das (Minister, of State Rural Electrification) replied :

(a) Electrification of census villages, Nutan Kanchanpur, Boaljun, Jaifarpur and Merua Grant has already been completed partially. The name of Sankarbasti village does not appear in the census book.

(b) The remaining works in the above mentioned villages will be taken up for electrification under Intensification Scheme in a phased manner by including them in the future R.E. Extension Schemes subject to availability of plan fund.

বিষয় ঃ ৰাজ্যিক সংগ্রহালয় প্রতিষ্ঠা।

শ্রী কোষেশ্বৰ বৰুৱাই সুধিছে ঃ

৭৫৯। মাননীয় শিক্ষা (ৰাজ্যিক সংগ্রহালয়) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

উত্তৰ পূৰ্ব ভাৰতৰ প্রাচীন চুতীয়া ৰাজ্যৰ ৰাজধানী শদিয়াৰ আশে-পাশে থকা আৰু বৰ্ত্তমান অৰুণাচল প্রদেশৰ লোহিত জিলাৰ অ'ত ত'ত সিচৰিত চুতীয়া ৰাজ্যৰ প্রাচীন ভগ্নাৱশেষবোৰ কেন্দ্রীয় চৰকাৰৰ সহযোগত সংগ্রহ কৰি বৰ্ত্তমানৰ শদিয়াতে (চেপাখোৱা) এটা ৰাজ্যিক সংগ্রহালয় প্রতিষ্ঠা কৰাৰ ব্যৱস্থা লব নেকি?

শ্রী গোলোক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

যিহেতু গুৱাহাটীত এটা ৰাজ্যিক পর্য্যায়ৰ সংগ্রহালয় আছে গতিকে শদিয়াৰ চেপাখৌৱাত

ৰাজ্যিক পর্য্যায়ৰ সংগ্রহালয় স্থাপন কৰিব পৰা নেযায়। কিন্তু পুঁজি সাপেক্ষে তাত এটা মহকুমা পর্য্যায়ৰ সংগ্রাহলয় স্থাপন কৰিব পৰা যাব পাৰে।

বিষয় ঃ বাগিছাৰ বাবে ক্রয় কৰা সামগ্রী।

শ্রী মুনীন মহন্তই সুধিছে ঃ

৭৬০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসম চাহ নিগমৰ ১৫ খন বাগিচাত ১৯৯০-৯১, ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪ বছৰকেইটাত মুঠতে কিমান লাখ টকাৰ নিত্য প্রয়োজনীয় বয়-বস্তু ক্রয় কৰা হৈছিল? (এই বয়-বস্তু বোৰৰ মূল্য সহ তালিকা সদনৰ মেজত দাখিল দিব)

(খ) এই দ্রব্য সমূহ ক্রয় কৰিবলৈ কেতিয়া নিবিদা আহ্বান কৰা হৈছিল? আৰু কিমান নিবিদা পোৱা হৈছিল?

(গ) দ্রব্য যোগান দিয়া প্রতিস্থান সমূহৰ নাম কি কি?

(ঘ) চাহ নিগমৰ বৰ্ত্তমানলৈকে হোৱা লাভ/লোকচানৰ পৰিমান কি?

(ঙ) চাহ নিগমৰ মুখ্য কার্য্যালয়ত কিমান কর্মচাৰী আছে? তেওঁলোকৰ নাম পদবী আৰু পাৰিতোষিক কিমান?

(চ) অসম চাহ নিগমৰ বর্ত্তমানৰ মুখ্য উপদেষ্টা জনে ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪ চনত ভ্রমন বানচ আৰু অন্যান্য বিষায়ত লাভ কৰা ধনৰ পৰিমান কিমান?

শ্রী বিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চাহ নিগমৰ ১৫ খন বাগিচাত ১৯৯০-৯১, ১৯৯১-৯২, ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ বছৰ কেইটাত নিত্য প্রয়োজনীয় বয়বস্তু ক্রয় কৰাৰ হিচাব তলত দিয়া হল ঃ

১৯৯০-৯১	-	৬০৫.৭৫ লাখ টকা
১৯৯১-৯২	-	৭৩৭.৮৫ লাখ টকা
১৯৯২-৯৩	-	৮৪৯.৩৯ লাখ টকা
১৯৯৩-৯৪	-	৮৬৬.৫০ লাখ টকা

এই বয়বস্তুবোৰৰ মূল্যৰ তালিকা লগত গাঠি দিয়া হ'ল (তালিকা "ক")।

(See the Annexure-XII)

(খ) এই দব্য সমূহ ক্রয় কৰিবলৈ নিবিদা আহ্বান কৰাৰা সময় হল ঃ

চন	সময়	নিবিদাৰ সংখ্যা
১৯৯০-৯১	নবেম্বৰ, ডিচেম্বৰ	৪৭ খন
১৯৯১-৯২	ঐ	৯৮ খন
১৯৯২-৯৩	ঐ	৮১ খন
১৯৯৩-৯৪	ঐ	৮২ খন

(গ) দ্রব্য যোগান দিয়া মুখ্য প্রতিস্থান সমূহৰ নামৰ তালিকা লগত গাঠি দিয়া হল (তালিকা "খ") (See the Annexure-XIII)

(ঘ) চাহ নিগমৰ বর্ত্তমানলৈকে হোৱা লাভ লোকচানৰ পৰিমান ঃ

১৯৯২-৯৩ চনলৈকে লোকচান - ২৯৪৮.০৬ লাখ
১৯৯৩-৯৪ „ লাভ - ৯১.৩৮ লাখ
১৯৯৩-৯৪ „ মুঠ লোকচান - ২৮৬০.০৬ লাখ

(ঙ) চাহ নিগমৰ মুখ্য কার্য্যলয়ৰ কর্মচাৰীৰ সংখ্যা ৯৮ জন। তেওঁলোকৰ নাম, পদবি আৰু মাহেকীয়া পৰিতোষিকৰ তালিকা লগত গাঠি দিয়া হল (তালিকা "গ")। (See the Annexure-XIV)

(চ) অসম চাহ নিগমৰ মুখ্য উপদেষ্টা নাই। নিগমত অৱশ্যে এজন উপদেষ্টা আছে। এই উপদেষ্টা জনক ১৯৯২ চনৰ চেপ্টেম্বৰ মাহৰ পৰা নিযুক্তি দিয়া হয়। তেখেতৰ ১৯৯২-৯৩ চনৰ ভ্রমন বানচ ১১,০৮৭.৭২ টকা আৰু ১৯৯৩-৯৪ চনত ভ্রমন বানচ ১৪,৩২২.১৬ টকা আৰু মাহেকীয়া অন্যান্য পাৰিতোষিক ১৯৯২-৯৩ চনত - ৫৫,৫০৯.০০ টকা আৰু ১৯৯৩-৯৪ চনত - ১,০৮,১৩৭.০০ টকা।

বিষয় ঃ বিজুলী যোগান।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

৭৬১। মাননীয় গ্রাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯১ চনৰ ১ জুলাই পৰা ১৯৯৫ চনৰ ১ মার্চলৈ কিমান নতুন গাওঁলৈ বিজুলী যোগান ধৰা হৈছে।

(খ) এই সময় ছোৱাত কিমান গাৱঁলৈ বিজুলী (Extension) বর্দ্ধিতকৰণ কৰা হৈছে।

(গ) বর্ত্তমানৰ নতুন গাৱঁলৈ বা Extension কৰি বিজুলী যোগানৰ আচঁনি লোৱা হৈছেনে?

(ঘ) যদি হৈছে, কিমান গাৱঁলৈ?

(ঙ) এই বর্দ্ধিতকৰণৰ কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হব?

(চ) বৰপেটা জিলাত কিমান গাওঁ এই (নতুন ও Extension) আচঁনিৰ কাৰণে লোৱা হৈছে?

(ছ) নতুন গাওঁলৈ বা Extensionৰ আচঁনি যদি লোৱা হোৱা নাই, লোৱাৰ ব্যৱস্থা কৰিবনেকি?

শ্রী গোপীনাথ দাস (ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উক্ত সময়ছোৱাত ১৫১ খন পিয়লভুক্ত নতুন গাৱঁলৈ বিজুলী যোগান ধৰা হৈছে।

(খ) সেই সময়ছোৱাত তলত উল্লেখ কৰা ১৫৩ খন গাওঁলৈ সম্প্রসাৰৰ আচঁনিৰ অধীনত বিজুলী যোগান ধৰা হৈছে ঃ

১৯৯১-৯২	-	১২৪ খন	পৰিশিষ্ট - ১
১৯৯২-৯৩	-	২৪ খন	পৰিশিষ্ট - ২
১৯৯৩-৯৪	-	৫ খন	
		১৫৩ খন	

(ইয়াৰ তালিকা লগত গাঠি দিয়া হ'ল) (See the Annexure-XV)

(গ) ১৯৯৪-৯৫ বিত্তীয় বছৰত নতুন পিয়লভূক্ত গাৱঁৰ বৈদ্যুতিকৰণ আৰু সম্প্রসাৰণৰ কাম আচঁনিত অন্তর্ভূক্ত কৰা হৈছে আৰু ইয়াৰ কামো চলি আছে।

(ঘ) সমগ্র অসমত ১৯৯৪-৯৫ চনত বৈদ্যুতিকৰণ কৰিবলৈ আচঁনিৰ অন্তর্ভূক্ত কৰা গাৱঁৰ সংখ্যা তলত উল্লেখ কৰা হল।

১। নতুন গাওঁ ৩৫০ খন।

২। সম্প্রসাৰণৰ গাওঁ ৩৩৬ খন।

(ঙ) বর্ত্তমান বর্দ্ধিতকৰণৰ হাতত লোৱা কাম চলি আছে আৰু ২/৩ মাহৰ ভিতৰতে শেষ হব বুলি আশা কৰা হৈছে।

(চ) ১৯৯৪-৯৫ বিত্তীয় বছৰত বৰপেটা জিলাত বৈদ্যুতিকৰণ কৰিবলৈ আচঁনিৰ অন্তর্ভূক্ত গাওঁৰ সংখ্যা তলত উল্লেখ কৰা হল।

১। নতুন গাওঁ	- ২১ খন।	পৰিশিষ্ট - ৩
২। সম্প্রসাৰণৰ গাওঁ	- ১০ খন।	

(ইয়াৰ তালিকা তলত গাঠি দিয়া হ'ল।) (See the Annexure-XVI)

(ছ) প্রশ্ন নুঠে।

Re :- Techno Economic Physibility Report.

Shri Mission Ranjan Das asked :

762. Will the Minister of Industries be pleased to state :

(a) Whether the Government has given the approval to the Techno Economic Physibility report on a Power Loom Project at Karimganj submitted by the NEITCO, Guwahati for Mahalakshmi Powerloom C.S. Ltd. which has been forwarded to the Director, Handloom and Textile, Assam by the Asstt. Director, Handloom and Textiles, Karimganj, vide his letter No. HIKG (Coop) 34/84-85/74, dated 2nd April, 1994?

(b) If yes, when?

(c) If not, why and when its approval will be given?

Shri Bijit Saikia (Minister of Industrics) replied :

(a) Directorate of Handloom & Textile has received the Techno Economic Physibility report on 14-9-94 which was submitted by Asstt. Director of Handloom & Textile, Karimganj vide his letter No.HTKG(Coop) 34/84-85/80, dt. 9-3-94 and it is under scrutinee.

No approval has been given by the Government yet.

(b) Does not arise.

(c) After proper Examinstion at a very short time.

বিষয় ঃ অতিৰিক্ত শিক্ষক নিযুক্তি।

শ্ৰী নজমুল হকে সুধিছে ঃ

৭৬৩। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৩ চনৰ ১ লা জানুৱাৰীৰ পৰা ১৯৯৫ চনৰ ৯ মাৰ্চলৈকে অসমৰ বিভিন্ন জিলাত এম,ই আৰু এম,ই মাদ্ৰাছাত মুঠ কিমান জন অতিৰিক্ত শিক্ষক নিযুক্তি দিয়া হৈছে, জিলা ভিত্তিত সংখ্যা জনাবনে?

(খ) উক্ত নিযুক্তিৰ ক্ষেত্ৰত প্ৰাৰ্থী সকলৰ কিবা সাক্ষাৎকাৰ লোৱা হৈছিলনে? যদি হোৱা নাই তেন্তে কেনে নিয়ম নীতিৰ বলত এনেকুৱা নিযুক্তি হল?

(গ) উক্ত অতিৰিক্ত শিক্ষক পদবোৰ সৰ্ব্বোচ্চ ৬০ হাজাৰ টকালৈকে বিক্ৰি হোৱাৰ কথা চৰকাৰে জানেনে?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক)
(খ) এই বিষয়ে জিলা প্রাথমিক শিক্ষা বিষয়াবর্গৰ পৰা তথ্য বিচৰা হৈছে।

(গ) এই বিষয়ে চৰকাৰৰ ওচৰত কোনো প্রাথমিক তথ্য/অভিযোগ নাই।

বিষয় ঃ একত্রিকৰণৰ প্রক্রিয়া।

শ্রী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৭৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) একেতা চৌহদতে থকা উচ্চ মাধ্যমিক বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয় সমূহ একত্রীকৰণ কৰাৰ বিষয়ে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) উক্ত একত্রীকৰণ প্রক্রিয়াটো বর্ত্তমান কি পর্য্যায়ত আছে?

(গ) ১৯৯৫-৯৬ বিত্তীয় বছৰটোতে একত্রীকৰণ প্রক্রিয়া সম্পূর্ণ কৰিবনে?

শ্রী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) একেটা চৌহদতে থকা উচ্চ মাধ্যমিক বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয় সমূহৰ একত্তিকণৰ খাটাং সিদ্ধান্ত হোৱা নাই।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ শিক্ষা কেন্দ্র।

শ্রী মহেন্দ্র বড়াই সুধিছে ঃ

৭৬৫। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

যোৰহাট জিলাৰ প্রাপ্ত বয়স্ক শিক্ষা বিভাগত কিমানটা শিক্ষা কেন্দ্র আছে আৰু ১৯৯১ পৰা ১৯৯৪ লৈকে পর্য্যায় ক্রমে কিমান শিক্ষক নিযুক্তি দিলে সেই সকলৰ নাম ঠিকনা, সম্প্রদায় উল্লেখ কৰি সদনৰ মজিয়াত এখন তালিকা দাখিল কৰিব?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

জিলাখনত ১৯৯৩ চনৰ পৰা আৰম্ভ হোৱা পূর্ণ সাক্ষৰতা অভিযানৰ বাবে প্রাপ্ত বয়স্ক শিক্ষা কেন্দ্র সমূহ বন্ধৰখা হৈছে।

১৯৯১ চনৰ পৰা ১৯৯৪ লৈকে পর্য্যায়ক্রমে নির্দ্দেশক/নির্দ্দেশিকাসকলৰ নাম, ঠিকনা আৰু সম্প্রদায় উল্লেখ কৰি তালিকা এখন সদনৰ মজিয়াত ৰখা হ'ল।

বিষয় ঃ ট্রেন্সফারমার মেরামতি।

শ্রী প্রনব কুমার নাথ জিজ্ঞাসা করছেণ ঃ

৭৬৬। মাননীয় গ্রাম্য বৈদ্যুতিকরণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

(ক) করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত গোলান-কান্দি ও ছায়াবাড়ী নামক স্থানে দুটি ট্রেন্সফরমার দীর্ঘদিন থেকে নষ্ট থাকার ফলে সংশ্লিষ্ট এলাকার গ্রামীন জনসাধারণ বৈদ্যুতিক আলোথেকে বঞ্চিত হচ্ছেন এব্যাপারে বিভাগিয় কত্তৃপক্ষ অবহিত আছেন কি?

(খ) যদি না কেন? যদি আছেন তাহলে এক সপ্তাহের ভিতরে মেরামতি করত সংশ্লিষ্ট এলাকায় বৈদ্যুতিক আলোর ব্যৱস্থা করার জন্য এখন পর্য্যন্ত কি কি কার্য্যকরি পদক্ষেপ নিয়েছেন, বিশদ তথ্য তথা সদনের মেঝে দাখিল করিবেন?

শ্রী গোপী নাথ দাস (ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত গোলান-কান্দি ও ছায়াবাড়ী নামে গ্রাম দুটিতে সংযোজিত ২৫ কে.ভি.এ. ট্রেন্সফরমার দুটি নষ্ট হয়ে থাকার জন্য সংশ্লিষ্ট এলাকার বিদ্যুত যোগান কিছু দিন থেকে ব্যাহত হয়ে আছে।

(খ) ছায়াবাড়ী গ্রামে খারাপ হয়ে থাকা ট্রেন্সফরমারটা পরিবর্ত্তনের জন্য অন্য একটা ২৫ কে.ভি.এ. টেন্সফর্মার ইতিমধ্যে সংগ্রহ করা হয়েছে এবং এপ্রিল মাসের ভিতরে এটাকে সংযোজিত করে বিদ্যুত সরবরাহ করতে পারা যাবে বলে আশা করা হচ্ছে। গোলান-কান্দি গ্রামেও পরিবর্ত্তেনের জন্য একটা নতুন ট্রেন্সফর্মার অতি শীঘ্রে যোগান ধরার ব্যৱস্থা হাতে নেওয়া হয়েছে।

Re :- Schemes of Solar Electric Supply.

Shri Koshewar Baruah asked :

767. Will the Minister of Science, Technology & Environment be pleased to state :

(a) Whether it is a fact that there is a proposal to include two villages of Gohpur L.A.C. in Sonitpur District under Solar Electric Supply Scheme.

(b) What step in the meantime has been taken in this respect?

Shri Haren Bhumij (Minister) replied :

(a) One village has been inclued under, Solar Electric Supply in Gohpur L.A.C. in Sonitpur District.

(b) B.D.O. concerned has been requested to identify the beneficiaries. Reports - Reports are awaited.

বিষয় ঃ বিদ্যালয়ৰ খালী পদ।

শ্ৰী মুনীন মহন্তই সুধিছে ঃ

৭৬৮। মাননীয় মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৪-৯৫ চনত মৰিগাওঁ জিলাৰ বিভিন্ন মাধ্যমিক বিদ্যালয়ত অৱসৰ গ্ৰহণ দুৰ্ঘটনা জনিত কাৰণত মাধ্যমিক শিক্ষক, নিম্ন বৰ্গৰ সহায়ক আদি পদ খালি হৈছে নেকি?

(খ) যদি হৈছে, কি কি পদৰ সৃষ্টি হৈছে? (বিভিন্ন স্কুলৰ নাম, সৃষ্টি হোৱা পদ সমূহ সম্পৰ্কে পৃথকে জনাব)

(গ) এই পদ সমূহত নিযুক্তি দিয়া হৈছে নেকি, যদি দিছে নিযুক্তি দিয়া পদ সমূহৰ কিমানটা বিভাগীয় সঞ্চালকে আৰু কিমানটা জিলা পৰিদৰ্শকে নিযুক্তি দিছে?

(নিযুক্তি দিয়া প্ৰাৰ্থী সকলৰ নাম, ঠিকনা বিদ্যালয় আৰু নিযুক্তি দিয়া বিষয়াৰ নাম)

(ঘ) ৪র্থ শ্ৰেণীৰ উপযুক্ত প্ৰাৰ্থীক তৃতীয় শ্ৰেণীলৈ খালি পদত উন্নীত কৰাৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰা হৈছে নেকি?

শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয় হৈছে।

(খ) বিষয় শিক্ষকৰ পদ ৫টা, স্নাতক শিক্ষকৰ পদ ৯টা আৰু উচ্চবৰ্গৰ সহায়কৰ পদ ১টা।

(পদ খালী হোৱা স্কুলৰ নাম আৰু পদ সমূহৰ নামৰ তালিকা সংলগ্ন 'ক'ত দিয়া হ'ল।) (See the Annexure-XVII)

(গ) পদাৰ্থ বিজ্ঞানৰ বিষয় শিক্ষকৰ খালী পদ এটাৰ বাহিৰে, আনখালী পদ সমূহত নিযুক্তি দিয়া হৈছে।

উচ্চ বৰ্গৰ সহায়ক পদটোত নিম্নবৰ্গৰ সহায়ক জনক পদোন্নতি দিয়াত খালী হোৱা নিম্নবৰ্গৰ সহায়কৰ পদত, বিজ্ঞান স্নানক শিক্ষকৰ পদ এটাত আৰু বিষয় শিক্ষকৰ ৪টা পদত

মাধ্যমিক শিক্ষা সঞ্চালককে নিযুক্তি দিছে আৰু কলা স্নাতক শিক্ষকৰ খালী পদ ৮টাত বিদ্যালয় সমূহৰ পৰিদর্শকে নিযুক্তি দিছে।

(নিযুক্তি দিয়া প্ৰাৰ্থীসকলৰ নাম, ঠিকনা, স্কুলৰ নাম আৰু নিযুক্তি দিয়া বিষয়াৰ নামৰ তালিকা সংলগ্ন 'খ'ত দিয়া হ'ল।) (See the Annexure-XVIII).

(ঘ) হোৱা নাই।

বিষয় ঃ হিন্দী শিক্ষক নিযুক্তি।

শ্ৰী নজমূল হকে সুধিছে ঃ

৭৬৯। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৩-৯৪ চনৰ হাইস্কুল লেভেলত অতিৰিক্ত কনিষ্ঠ/জ্যেষ্ঠ হিন্দী শিক্ষক পদ কিমানটা মঞ্জুৰী দিয়া হৈছিল? জিলা ভিত্তিত তথ্য জনাবনে?

(খ) উক্ত হিন্দী পদ সমূহ কাৰ দায়িত্বত কেনেকৈ বন্টন কৰা হৈছে?

(গ) ১৯৯৪-৯৫ চনত আৰু অতিৰিক্ত হিন্দী শিক্ষক পদ মঞ্জুৰীৰ কিবা দিহা কৰা হৈছেনে? যদি হৈছে তাৰ সংখ্যা কিমান?

(ঘ) ইলিমেনটৰী ইডুকেচনত অতৰিক্ত হিন্দী শিক্ষক পদ ৰাজ্যিক তথা জিলা ভিত্তিক মঞ্জুৰী দিয়া হৈছিলনে? (তথ্য সহ জনাব)

(ঙ) গোৱালপাৰা জিলা অন্তৰ্গত বিদ্যালয় সমূহত কাৰ দায়িত্বত পদ সমূহ কেনেকৈ বন্টন কৰা হৈছে?

(চ) ১৯৯৪-৯৫ চনত কিমান সংখ্যক অতিৰিক্ত হিন্দী শিক্ষক পদ মঞ্জুৰীৰ ব্যৱস্থা কৰাৰ সম্ভাৱনা আছে?

শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৩-৯৪ চনত হাইস্কুল পর্য্যায়ত অতিৰিক্ত কণিষ্ঠ/জ্যেষ্ঠ হিন্দী শিক্ষক ৪৩৪ টা পদ বিভিন্ন জিলাত মঞ্জুৰী দিয়া হৈছিল। (জিলা ভিত্তিত তথ্য লগত গাঁঠি দিয়া হ'ল।) (See the Annexure-XIX)

(খ) উক্ত পদ সমূহ বিভিন্ন জিলাৰ স্কুল সমূহৰ পৰিদর্শক সকলৰ দায়িত্বত চাহিদা অনুসৰি আৱশ্যকীয় স্কুলৰ বিপৰীতে নিয়োগ কৰিবলৈ বন্টন দিয়া হৈছে।

(গ) মঞ্জুৰী দিয়া হোৱা নাই।

(ঘ) (ঙ) আৰু (চ) | ১৯৯১-৯২ চনত দিয়া হৈছিল। মঞ্জুৰী দিয়া চিঠি - ই.পি.জি.-৫৬৭/৯১/১০৬ তাৰিখ ১৬-১১-৯১ সংলগ্ন কৰা হ'ল। ৬টা পদ সঞ্চালকৰ দায়িত্বত আৰু ৬টা পদ জিলা শিক্ষা বিষয়াৰ দায়িত্বত নিযুক্তি দিয়া হৈছিল। ১৯৯৪-৯৫ চনত হিন্দী শিক্ষকৰ পদ মঞ্জুৰী দিয়া নাই।

বিষয় ঃ প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ আঁচনি।

শ্ৰী মহেন্দ্ৰ বড়াই সুধিছে ঃ

৭৭০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলা উদ্যোগ কেন্দ্ৰই প্ৰধানমন্ত্ৰী ৰোজগাৰ আঁচনিত ১৯৯১ চনৰ পৰা বৰ্ত্তমানলৈকে যিসকল দৰিদ্ৰ সীমাৰেখা তলত থকা শিক্ষিত নিবনুৱা যুৱকক ঋণ দিলে সেই সকলৰ ভিতৰত মুক্তিযোদ্ধা পৰিয়ালৰ কিমান লোকক ঋণ দিয়া হল, সেই সকলৰ নাম, ঠিকনা, সম্প্ৰদায়, বয়স উল্লেখ কৰি এখন তালিকা সদনৰ মজিয়াত দখিল কৰিব?

শ্ৰী ৰিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যোৰহাট দিলা উদ্যোগ কেন্দ্ৰই প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ আঁচনিৰ জৰিয়তে বৰ্ত্তমানলৈকে যিসকলক ঋণ দিলে সেই সকলৰ ভিতৰত মুক্তিযোদ্ধা পৰিয়ালৰ লোকৰ ঋণ দিয়া সকলৰ নাম, ঠিকনা, সম্প্ৰদায়, বয়স উল্লেখ কৰি তালিকা এখন ইয়াৰ লগতে সংলগ্ন কৰা হ'ল। (See the Annexure-XX)

বিষয় ঃ হিন্দী শিক্ষক নিযুক্তি।

শ্ৰী নজমূল হকে সুধিছে ঃ

৭৭১। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১লা জুলাইৰ পৰা ১৯৯৪ চনৰ ৩১ জানুৱাৰীলৈকে এম,ই, আৰু হাইস্কুলত মুঠ কিমান জন হিন্দী শিক্ষক নিযুক্তি দিয়া হৈছে।

(খ) উক্ত হিন্দী শিক্ষকৰ নিযুক্তি কোন বিধান সভা সমষ্টিত কিমান জনক দিয়া হৈছে? সমষ্টি ভিত্তিত তাৰ সংখ্যা সদনৰ মেজত দাখিল কৰিব?

(গ) গোৱালপাৰা জিলাৰ ৰাখালডুৰী হাইমাদ্ৰাছা আৰু আমবাৰী বজাৰ হাইস্কুলত উক্ত সময়ৰ ভিতৰত যি দুইজন হিন্দী শিক্ষক নিযুক্তি দিয়া হৈছে তেওঁলোকৰ নাম সদনক জনাবনে?

শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যাবতীয় তথ্য সমূহ জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ পৰা বিচৰা হৈছে। তথ্যপাতি পোৱাৰ লগে লগে সদনত দাখিল কৰা হব।

(খ) মধ্য ইংৰাজী পর্য্যায়ত ৪২২ জন নিযুক্তি দিয়া হৈছে। বিধান সভা সমষ্টি ভিত্তিত পদ মঞ্জুৰী দিয়া নহয়। জিলা ভিত্তিত মধ্য ইংৰাজী বিদ্যালয়ত পদ আৱন্টনৰ সংখ্যা সংলগ্ন কৰা হ'ল। (See the Annexure-XXI)

(গ) গোৱালপাৰা জিলাৰ ৰাখালডুবি হাই-মাদ্ৰাছাত স্কুল সমূহৰ পৰিদর্শকে অতিৰিক্ত হিন্দী শিক্ষক হিচাবে শ্রী প্রদীপ কুমাৰ নাথক নিযুক্তি দিছে। উক্ত সময়ৰ ভিতৰত আমবাৰী বজাৰ হাইস্কুলত কোনো হিন্দী শিক্ষক নিযুক্তি দিয়া হোৱা নাই। গতিকে নাম উল্লেখৰ প্রশ্ন নুঠে।

বিষয় ঃ শিক্ষক পদত মকৰল।

শ্রী মহেন্দ্র বড়াই সুধিছে ঃ

৭৭২। মাননীয় প্রাথমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) যোৰহাট জিলাত ১৯৯১-৯২ পৰা ১৯৯৪-৯৫ লৈকে চৰকাৰী নিম্ন বুনিয়াদী উচ্চ বুনিয়াদী আৰু চৰকাৰী নিম্ন আৰু উচ্চ বিদ্যালয়ৰ শিক্ষক পদত মকৰল কৰা শিক্ষক পদৰ প্রতিজনৰ নাম, ঠিকনা সম্প্রদায় শিক্ষাগত অর্হতা বয়স আৰু অসম বিধান সভাৰ কোনো সমষ্টিৰ কোনো সম্প্রদায়ৰ যুৱকক শিক্ষক পদৰ নিযুক্তিত বঞ্চিত কৰিছেনে?

(খ) জন গাঠনিৰ মতে নিযুক্তিৰ সংখ্যা কিমান?

শ্রী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রশ্নত বিচৰামতে তথ্য অনুবদ্ধ 'ক'ত দিয়া হৈছে। সমষ্টি ভিত্তিত নিয়োগৰ কোনো ব্যৱস্থা নাই। (See the Annexure-XXII)

(খ) যিহেতু এনে খালি হোৱা সীমিত পদ সময়ে সময়ে পূৰ কৰা হয়, গতিকে সংৰক্ষিত শ্রেণীৰ প্রার্থীক Quota অসঠিক ভাবে নিয়োগ কৰা হৈছে।

(Deferred unstarred Question Nos. 271, 491, 652, 700, 703, 707, 708, 711, 713, 714, 715, 718, 719, 721, 723, 724, 725, 726, 728 and 729 as follows :)

(Replies to defferred question of 24-3-95)

Re :- Enquiry Commission

Shri Babu Rongpi, Shri Monsingh Rongpi and Shri Holiram Terang asked :

271. Will the Minister of Hill Areas Deptt. be pleased to state :

(a) Whether it is a fact that the Government of Assam appointed a Commission consisting of Shri M.S. Pangtey, IAS, Development Commissioner for Hill Areas of Assam to enquire into the serious alligations against the authority of N.C. Hills District Council by a notification on 19th January, 1989?

(b) Whether the Commission found the alligation to be the fact?

(c) Why the enquiry report has not been published so far?

Shri Gobinda Chandra Langthasa (Minister, Hill Areas Department) replied:

(a) Yes.

(b)&(c) The relevant file No.HAD.79/88 which contains the original report of Pangtey Commission was sent ot the then Advocate General on 29-5-92 and the same has not yet been received back. As such the Department is not in a position to prepare replies to the Assembly Question. File has been called for from the then Advocate.

(Deferred from 31-3-95)

Re :- Allocation.

Shri Dipendra Rongpi asked :

491. Will the Minister of PWD (Hills) be pleased to state :

(a) What is the total funds allocation in both plan and Non-Plan under state sector schemes of PWD (Hills) in the year of 1993-94 and 1994-95?

(b) Please state the total fund allocation to each divisions and schemes taken so far?

(c) Also state the completed and non-completed schemes of each divisions in Karbi Anglong?

(d) And also state the total fund released and yet to be release against each fo the divisions in Karbi Anglong.

Shri Gabinda Chandra Langthasa (PWD Hills) replied :

(a) Total fund allocation in both Plan & Non-Plan under the State Sector are as below :

(Rs. in lakhs)

	1993-94		1994-95	
	Plan	**Non-Plan**	**Plan**	**Non-Plan**
Road Sector	577.00 L	198.29 L.	635.80 L.	407.50 L
Bldg. Sector	293.50 L	46.73 L	256.00 L	57.69 L.

(b) Scheme wise & division wise fund allocation for state sector for Roads & Buildings for the year 1994-95 are enclosed as per Annexure-I & II. (See Annexure-XXIII and XXIV)b

(c) Out of 63 Nos of schemes under state Rd. sector 18 Nos of scheme have so far been completed and out of 50 Nos of schemes under State Bldg. sector, 19 Nos of schemes have been completed during 1994-95 (details division wise) list of schemes as above are enclosed as per Annexure-III & IV).

(d) Total fund released for the year 1994-95 under plan & Non-Plan in Rds & Bldgs scetor for karbi Anglong are shown below :

	Plan		**Non-Plan**
Rd - Sector	Rs. 2,902.00	-	548.91 L.
Bldg. ,,	Rs. 335.75	-	13.70 L.

(৫-৪-৯৫ ইং তৰিখৰ পৰা পিছুৱাই দিয়া প্ৰশ্নোত্তৰ)

বিষয় ঃ স্কীমচ অফ পি,এইচ,ই।

শ্রী রাম প্যারে রবিদাস জিজ্ঞাসা করছেন ঃ

৬৫২। মাননীয় জনস্বাস্থ্যও কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

(ক) বরাক উপত্যকার কাছাড়, করিমগঞ্জ ও হাইলাকান্দি জিলায় অৱস্থিত বিভিন্ন জনস্বাস্থ্য ও কারিকরী (পি এইচ ই) ডিভিজনেৰ অন্তর্গত বিগত ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪, ৯৪-৯৫ আর্থিক বছরে কি কি কাজ ৰূপায়িত হয়েছে?

(খ) উক্ত কাজ গুলির জন্য সর্বমোট কত টাকা মঞ্জুরী দেওয়া হয়েছিল? প্রতিটি কাজের

জন্য মঞ্জুরীকৃত টাকা (স্কীম ওৱাইজ ফাইনেন্সিয়েল এলোকেশ্বন) ও ঠিকাদরের নাম, ঠিকানা সহ বিস্তারিত তথ্য দাখিল করবেন (চেপারেটলি ডিভিজন ওৱাইজ)।

(গ) এখন অব্দি সম্পূর্ণ ও অসম্পূর্ণ কাজের তালিকা অসম্পূর্ণ থাকার কারণ কি?

(ঘ) উক্ত সময় সীমার মধ্যে সম্পূর্ণ হওয়া কাজ গুলির জন্য ঠিকাদারদের (কনট্রাক্টরচ) কি তাদের প্রাপ্য টাকা প্রদান করার হৈয়েছে? কোন কোন ঠিকাদারকে কত টাকা পেমেন্ট করা হয়েছে? (টাকা প্রদানের তারিখ সহ জানাবেন)।

শ্রী দীনেশ প্রসাদ গোৱালা (মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিভিন্ন কাজের তালিকা [Annexure-A(1) to Annexure-A(4)]ত গেথে দেয়ো হয়েছে। (See the Annexure-XXVII)

(খ) সর্ৱমোট ১৭৪৩.২৯ লক্ষ টাকা মঞ্জুৰী দেওয়া হয়েছে। মঞ্জুরীকৃত টাকা কোনও প্রকল্প ভিত্তিক দেওয়া হয় না। ঠিকাদারদের নামও ঠিকানা সহ বিস্তারিত তথ্য গেথে দেওয়া হয়েছে [Annexure-B(1) to B(4)]। (See the Annexure-XXVIII)

(গ) সম্পূর্ণ ও অসম্পূর্ণ কাজের তালিকা গেথেঁ দেওয়া হয়েছে। সময়ত টাকার অভাবে বিলম্ব হয়েছে [Annexure-C(1) to C(4)]। (See the Annexure-XXIX)

(ঘ) সম্পূর্ণ টাকা ঠিকাদারদের দেওয়া হয় নাই। তালিকা গেথে দেওয়া হয়েছে [Annexure-D(1) to D(3) & B-(4)]। (See the Annexure-XXX)

(৬-৪-৯৫ ইং তৰিখৰ পৰা পিছুৱাই দিয়া প্রশ্ন উত্তৰ দানৰ তাৰিখ ঃ ১১-৪-৯৫ইং)

বিষয় ঃ কর্মচাৰী নিয়োগ।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

৭০০। মাননীয় জনসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১ মার্চলৈ জলসিঞ্চন বিভাগত কিমান বিষয়া-কর্মচাৰী নিয়োগ কৰা হৈছে?

(খ) যদি হৈছে, কোন শ্রেণী কিমানজন?

(গ) এই নিযুক্তি সমূহ জাননী বা সাক্ষাতকাৰৰ ভিত্তিত দিয়া হৈছেনে?

(ঘ) যদি হোৱা নাই, তদন্ত মর্মে বিহিত ব্যৱস্থা লব নে?

শ্রী জেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হৈছে। ১৯৯১ চনৰ জুলাইৰ পৰা ১৯৯৫ চনৰ মার্চলৈ সহকাৰী অভিযন্তা, কৃষি

সম্প্রসাৰণ বিষয়া জলসিঞ্চন বিভাগৰ সচিবালয়ৰ পৰা আৰু কনিষ্ঠ অভিযন্তা, উপ-অভিযন্তা-১, সহায়ক আৰু নিৰিক্ষক মুখ্য অভিযন্তাৰ কার্য্যালয়ৰ পৰা (খ) প্ৰশ্নৰ উত্তৰত দেখৱা ধৰনে নিয়োগ কৰা হৈছে। অইন তৃতীয় আৰু চতুর্থ শ্রেণীৰ কর্ম্মচাৰী সকল বিভিন্ন জিলাৰ বিভাগীয় কার্য্যালয়ৰ পৰা নিয়োগ কৰা কাৰণে সম্পূর্ণ তথ্য যোগাৰ কৰিব পৰা নগ'ল। এই তথ্য যোগাৰ হোৱাৰ লগে লগে মাননীয় সদনত দাখিল কৰা হব।

(খ) ১ম শ্রেণীৰ

১। সহকাৰী অভিযন্তা - ৭৯ জন।

২। কৃষি সম্প্রসাৰণ বিষয়া - ৪ জন।

তৃতীয় শ্রেণী

১। কনিষ্ঠ অভিযন্তা (ব্যৱহাৰিক) - ৯১ জন।

২। কনিষ্ঠ অভিযন্তা (যান্ত্রিক) - ১৭ জন।

৩। কনিষ্ঠ অভিযন্তা (বৈদ্যুতিক) - ১৮ জন।

৪। সহায়ক (Stipendary Helper) - ৬৭ জন।

৫। নিৰিক্ষক (Stipendary Supervisor)- ৩৩ জন।

৬। উপ-অভিযন্তা-১ (ব্যৱহাৰিক) - ২৬ জন।

৭। উপ-অভিযন্তা (যান্ত্রিক) - ৫ জন।

(গ) হয়।

(১) অসম লোক সেৱা আয়োগৰ বাচনিমতে ঃ

১ম শ্রেণীৰ সহকাৰী অভিযন্তা - ৫০ জন।

তৃতীয় শ্রেণীৰ কনিষ্ঠ অভিযন্তা (ব্যৱহাৰিক) - ৫০ জন।

তৃতীয় শ্রেণীৰ কনিষ্ঠ অভিযন্তা (যান্ত্রিক) - ৫ জন।

তৃতীয় শ্রেণীৰ কনিষ্ঠ অভিযন্তা (বৈদ্যুতিক) - ১১ জন।

(২) অসম লোক সেৱা আয়োগৰ ৩ (চ) বিধিমতে ঃ

১ম শ্রেণীৰ সহকাৰী অভিযন্তা - ২৯ জন।

১ম শ্রেণীৰ কৃষি সম্প্রসাৰণ বিষয়া - ৪ জন।

কনিষ্ঠ অভিযন্তা (ব্যৱহাৰিক) - ৪১ জন।

কনিষ্ট অভিযন্তা (যান্ত্রিক) - ১২ জন।

* Speach not corrected

কনিষ্ট অভিযন্তা (বৈদ্যুতিক) - ৭ জন।

(৩) বিভাগীয় বাচনিমতে ঃ

উপ-অভিযন্তা - ১ (ব্যবহাৰিক) - ২৬ জন।

উপ-অভিযন্তা - ১ (যান্ত্রিক) - ৫ জন।

(৪) ৰাজনৈতিক বিভাগৰ নির্দ্দেশমতে ঃ

১। নিৰিক্ষক (Stipendary Supervisor) - ৩৩ জন।

২। সহায়ক (Stipendary Helper) - ৬৭ জন।

অসম লোক সেৱা আয়োগৰ বিধি ৩ (চ)ৰ অনুসৰি লোৱা সহকাৰী অভিযন্তা, কৃষি সম্প্রসাৰণ বিষয়া আৰু কনিষ্ট অভিযন্তাৰ নিয়মিয়া কৰণৰ বাবে ইতিমধ্যে অসম লোক সেৱা আয়োগলৈ খচৰা বিজ্ঞপ্তি দিছে।

(ঘ) প্রশ্ন নুঠে।

(৬-৪-৯৫ ইং তৰিখৰ পৰা পিছুৱাই দিয়া প্রশ্ন উত্তৰ দানৰ তাৰিখ ঃ ১১-৪-৯৫ইং)

বিষয় ঃ জলসিঞ্চনৰ আচঁনি।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৭০৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯২-৯৩, ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত জলসিঞ্চন বিভাগে সমগ্র অসমত কিমানটা আচঁনি লৈছিল আৰু তাৰে কিমানটা সম্পূর্ণ কৰা হ'ল?

(খ) ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ লোৱা গভীৰ নলীনাদ আচঁনি বিলাক বর্ত্তমানে অসম্পূর্ণ হৈ থকা কথাটো চৰকাৰ অৱগত নে?

(গ) যদি অৱগত, তেনেহলে উক্ত আচঁনি সমূহ সম্পূর্ণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঘ) পশ্চিম গুৱাহাটী সমষ্টিৰ অসম্পূর্ণ হৈ থকা গভীৰ নলীনাদ আচঁনি কেইটা ১৯৯৫-৯৬ চনত সম্পূর্ণ কৰাৰ ব্যৱস্থা লবনে?

শ্রী জেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯২-৯৩ চনত ১৯টা, ১৯৯৩-৯৪ চনত ৩০টা, আচঁনি লোৱা হৈছে আৰু ১৯৯৪-৯৫ চনৰ জানুৱাৰীলৈ কোনো জলসিঞ্চন আচঁনি লোৱা হোৱা নাই। উক্ত আচঁনি সমূহ এতিয়াও সম্পূর্ণ হোৱা নাই।

* Speach not corrected

(খ) ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ মুঠ ৪১৯টা গভীৰ নলীনাদ আচঁনি লোৱা হৈছে আৰু ইয়াৰ ২৫টা আচঁনি বৰ্ত্তমানলৈ সম্পূৰ্ণ হৈছে।

(গ) আৰ্থিক সচ্ছলতা হলে আৰু ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সম্পূণ সহযোগ পালে আচঁনি সমূহ সম্পূণ কৰাৰ ব্যৱস্থা পৰ্য্যাযক্রমে লব পৰা যাব। ইতিমধ্যে আচঁনিবোৰৰ কামৰ অগ্রগতি পূজিৰ আৱন্টন অনুযায়ী হৈ আছে।

(ঘ) বিভাগক এই বাবে নির্দ্দেশ ইতিমধ্যে দিয়া হৈছে।

Re :- Murder of Lachit Roy.

Shri Monsingh Rongpi, Shri Holiram Terang & Shri Babu Rongpi.

707. Will the Chief Minister be pleased to state :

(a) Whether it is a fact that one Mr. Lachit Roy was murdered at Bartary near Anandabazar of Barpeta district by suspected ULFA man?

(b) What step the Government have taken to arrest the culprit?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) Government have taken steps to arrest the culprits.

বিষয় ঃ বিষয়া কর্মচাৰী নিয়োগ।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

৭০৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১ মার্চলৈ আৰক্ষী বিভাগত কিমান বিষয়া কর্মচাৰী নিয়োগ কৰা হৈছে?

(খ) নিয়োগৰ কাৰণে সাক্ষাৎকাৰ লোৱা হৈছেনে?

(গ) যদি হৈছে, প্রার্থী বাছনি তালিকা প্রস্তুতকৰা হৈছেনে?

(ঘ) যদি হৈছে, সাক্ষাৎকাৰ ভিত্তিত প্রস্তুত কৰা তালিকাৰ পৰা নিয়োগ কৰা হৈছেনে?

(ঙ) কোন শ্রেণীৰ কিমান পদৰ বাবে কিমান প্রার্থীৰ তালিকা প্রস্তুত কৰা হৈছে?

(চ) কোন শ্রেণীৰ কিমানজন প্রার্থীক উক্ত তালিকাৰ পৰা নিয়োগ কৰা হৈছে?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৬৮ জন বিষয়া আৰু ৭৩৭৫ জন কর্মচাৰী।

(খ) হৈছে ।

(গ) হৈছে ।

(ঘ) হৈছে ।

(ঙ) আৰু (চ) বাছনিত উত্তীর্ণ ৬৯৫৯ জনক তৃতীয় শ্রেণীৰ পদত আৰু ৪১৬ জনক চতুর্থ শ্রেণীৰ পদত নিয়োগ কৰা হৈছে ।

বিষয় ঃ আৰক্ষী থানা আৰু উপ আৰক্ষী চকী প্রতিষ্ঠা।

শ্রী কোষেশ্বৰ বৰুৱাই সুধিছে ঃ

৭১১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৮৩ আৰু ১৯৮৯ চনত গহপুৰত ঘটা ভাতৃঘাটি সংঘর্ষৰ পৰিপ্রেক্ষিতত গহপুৰ সমষ্টিৰ ককিলাবজাৰত এখন আৰক্ষী থানা প্রতিষ্ঠা কৰা আৰু দফলাগড়ত এখন উপ আৰক্ষী চকী প্রতিষ্ঠা কৰাৰ প্রস্তাৱ বহুবাৰ উত্থাপন কৰা হৈছে। এই বিষয়ত চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ইতিমধ্যে এই বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি, কিবা ব্যৱস্থা লোৱাৰ কথা ভাবিছে নেকি?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) সংশ্লিষ্ট বিভাগক প্রস্তাৱ পৰীক্ষা কৰিবলৈ কোৱা হৈছে।

বিষয় ঃ স্থায়ী বাসিন্দাৰ প্রমান-পত্র।

শ্রী নজমুল হকে সুধিছে ঃ

৭১৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাৰ উপায়ুক্ত কার্য্যালয়ৰ পৰা স্থায়ী বাসিন্দাৰ প্রমান দিয়াৰ ক্ষেত্রত বাধা নিষেধ আৰোপ কৰা হৈছে নে?

(খ) উক্ত বাধা নিষেধ প্রত্যাহাৰ কৰি লোৱা হব নে?

(গ) গাওঁ পঞ্চায়ত সমূহক জন্ম মৃত্যুৰ প্রমান পত্র দিয়াৰ ক্ষমতা অর্পণ কৰা হব নে?

(ঘ) নাগৰিক জীৱনত জন্ম প্রমান পত্র থকা অপৰিহার্য্যনে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্ত্তমান প্রয়োজন সাপেক্ষে অকল শিক্ষানুষ্ঠানত নাম ভর্ত্তিৰ বাবেহে স্থায়ী বাসিন্দাৰ প্রমান পত্র সংশ্লিষ্ট জিলাৰ উপায়ুক্ত/মহকুমাধিপতিয়ে উপযুক্ত ব্যক্তিক দিয়ে।

(খ) বিষয়টো পৰীক্ষা কৰিবৰ কাৰণে এটা উপ-সমিতি গঠন কৰি দিয়া হৈছে।

(গ) চৰকাৰে বৰ্ত্তমান এই সংক্রান্তত কোনো সিদ্ধান্ত লোৱা নাই।

(ঘ) হয়, অপৰিহার্য্য।

বিষয় ঃ সদৌ অসম নেপালী সন্থাৰ দাবী।

শ্রী হিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে ঃ

৭১৪। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) সদৌ অসম নেপালী সন্থাৰ দাবী সম্পর্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, চৰকাৰে এই ক্ষেত্রত কোনো আলোচনা সন্থাৰ সৈতে চলাবনে, যদি চলাই কেতিয়াকৈ সন্থাক নিমন্ত্রন কৰিব?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সদৌ অসম নেপালী ছাত্র সন্থাৰ ধেমাজী জিলা সমিতিৰ পৰা পোৱাটো অৱগত।

(খ) বিবেচনাধীন হৈ আছে।

বিষয় ঃ আৰক্ষী বিভাগৰ কর্মচাৰীৰ সংখ্যা।

শ্রী হিতেশ ডেকাই সুধিছে ঃ

৭১৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰৰ 'আৰক্ষী বাহিনী'ত থকা মুঠ কর্মচাৰীৰ সংখ্যা কিমান? (প্রতিটো বাহিনীৰ বিপৰীতে তথ্য পৃথক পৃথককৈ দিব)

(খ) ইয়াৰে কিমানজন (১) আই-পি-এছ, (২) এ-পি-এছ আৰু (৩) ৰাজপত্রিত বিষায়া?

(গ) আৰক্ষী বাহিনীৰ কিমানজন বিষয়াক ব্যক্তিগত ভাৱে আৰু কিমানজন আৰক্ষী থানত 'যান-বাহন'ৰ সুবিধা প্রদান কৰা হৈছে।

(ঘ) আৰক্ষী বাহিনী (১) মাহিলী বেতনৰ বাবদ, (২) যান-বাহনৰ তেলৰ বাবদ আৰু (৩) টেলিফোনৰ বাবদ বছৰি গড়ে কিমান ধন ব্যয় হয়? (চলিত বিত্তীয় বর্ষৰ হিচাপত তথ্য দিব)

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্য চৰকাৰৰ মুঠ ২০টা অসম আৰক্ষী বাহিনীত ২১,৮৭৫ জন কর্মচাৰী আছে। (তথ্য পৰিশিষ্ট 'A'ত দিয়া হ'ল) (See the Annexure-XXXI)

(খ) ১। আই,পি,এছ - ৭ জন
২। এ,পি,এছ - ৯৬ জন
৩। ৰাজপত্রিত বিষয়া - ২৮০ জন।

(গ) যান-বাহন চৰকাৰী কাম কাজৰ বাবেহে দিয়া হয়। প্রতিখন আৰক্ষী থানাতে আইন -শৃংখলা নিয়ন্ত্রণ কৰাৰ বাবে যান-বাহনৰ সুবিধা দিয়া হয়।

(ঘ) অসম আৰক্ষী বাহিনী সমূহৰ কর্মচাৰীসকলৰ মাহিলী বেতনৰ বাবে ৭৩,০০,০০,০০০ টকা (তেসত্তৰ কৌটি টকা), যান-বাহনৰ বাবে ১,২০,০০,০০০ টকা (এক কৌটি বিশ লাখ টকা) আৰু টেলিফোনৰ বাবে ৪,০০,০০০ টকা (চাৰি লাখ টকা) বছৰি গড়ে ব্যয় হয়।

বিষয় ঃ গোচৰ প্রত্যাহাৰ।

শ্রী জীউৰাম বড়োই দিছে ঃ

৭১৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

বড়োলেণ্ড আন্দোলনকাৰী আৰু অসম বিধান সভাৰ ৩ (তিনি) জন বিধায়কৰ ওপৰত থকা গোচৰ সমূহ ইতিমধ্যে উঠাই লোৱাৰ ব্যৱস্থা কৰা হৈছিল আৰু এই কার্য্য এই বছৰৰ এপ্রিল মাহৰ ভিতৰতে সমাধান হবনে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) উত্তৰ দিছে ঃ

উক্ত গোচৰ সমূহ প্রত্যাহাৰৰ বাবে বিবেচনা কৰিবলৈ চৰকাৰে জিলা ভিত্তিত আৰু ৰাজ্যিক পর্য্যায়ত তিনিখন কমিটি গঠন কৰি দিছে। ইতিমধ্যে ২২০ জন লোকৰ বিৰুদ্ধে থকা গোচৰ সমূহ উঠাই লোৱা হৈছে। বিধায়ক কেইজনৰ বিৰুদ্ধে থকা গোচৰ সমূহ উঠাই লোৱা হোৱা নাই। তিনিজন বিধায়কৰ গোচৰ উঠাই লোৱাৰ বিষয়টো বিবেচনাধীন হৈ আছে। বাকী থকা গোচৰ সমূহ বিবেচনাৰ বাবে উক্ত কমিটি কেইখনক দায়িত্ব দিয়া হৈছে।

Re :- Communal violence in Assam.

Shri Mission Ranjan Das asked :

719. Will the Chief Minister be pleased to state :

How many people died and how many people got physically injured due to extreamist attack and communal violence during 1991, in different distrists of Assam?

Shri Hiteswar Saikia (Chief Minister) replied :

185 persons died and 136 persons were injured due to the attack by the extremists during the year, 1991.

Only one person died and 39 persons were injured during communal violence in Karimganj District in the year, 1991.

বিষয় ঃ আয়নাখাল চা বাগানে গুলি চালনা।

শ্রী চিত্তেন্দ্র নাথ মজুমদার জিজ্ঞাসা করছেণ ঃ

৭২১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গত ১৯৯৪ ইং হাইলাকান্দি জেলায় আয়নাখাল চা বাগনের শ্রমিকদের উপর গুলি চালনা ব্যাপারে সরকার অবগত কি?

(খ) ঐ গুলি চালনার কত জন শ্রমিক প্রান হারিয়েছিল? তাহাদের নাম কি?

(গ) ঐ গুলি চালনার ফলে কত জন শ্রমিক গুরুত্বভাবে আহত হয়েছিল, তাহাদের নাম কি?

(ঘ) নিহত ও আহতদের পরিবারদের সরকার বত্তৃক আর্থিক দেওয়া হয়েছিল কি?

(ঙ) নিহতদের পরিবারকে কত টাকা ও আহতদের পরিবারকে কত টাকা অনুদান দেওৱা হয়েছিল?

(চ) সরকার কত্তক কোন তদন্ত হয়েছিল কি?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) ৪ (চাৰি) জন। নাম অনুবন্ধ 'ক'ত দিয়া হল। (See the Annexure-XXXII)

(গ) ১১ (এঘাৰ) জন নাম অনুবন্ধ 'খ'ত দিয়া হল। (See the Annexure-XXXIII)

(ঘ) হৈছিল ।

(ঙ) নিহত সকলৰ প্রতিটো পৰিয়াললৈ ৫০০০/- (পাচ হাজাৰ) টকা আৰু আহত সকলৰ প্রতিটো পৰিয়াল বৰ্গলৈ ১০০০/- (এক হাজাৰ) টকা দিয়া হৈছে।

(চ) পার্ৱত্য আৰু ৰৰাক উপাত্যকাৰ আয়ুত্তক গুলিচালনা ঘটনা সন্দর্ভত তদন্ত কৰিবলৈ দায়িত্ব দিয়া হৈছে।

Re :- Persons killed during Barpeta carnage.

Shri Sahidul Alam Choudhury asked :

723. Will the Chief Minister be pleased to state :

(a) What is the total number of persons killed during Barpeta Carnage in 1994?

(b) What is the amount paid to the next of kin of each of the persons killed in the said carnage?

(c) How many families have been given such payments and at what amounts each? (Please furnish the list containing the names, address and amount paid to each of the beneficianries).

Shri Hiteswar Saikia (Chief Minister) replied :

(a) 86 (Eighty six) persons.

(b)&(c) Payment of ex-gratia has been made @ Rs. 25,000/- to the next of kin of each of the 71 (seventy one) deceased. The cases of ex-gratia payment to the remaining 15 (fifteen) families are under examination.

A list of beneficiaries is given at Annexure 'A'. (See the Annexure-XXXIV)

Re :- Anti-social Activities.

Shri Samarendra Nath Sen asked :

724. Will the Chief Minister be pleased to state :

(a) Is it a fact that anti-social activities, viz. illicit sale of liquor, Goonda Tax, buglary, snatching, criminal intimidation have much increased during last one year in Silchar Town?

(b) If so, what step the Government would taked to contain those criminal activities?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) No.

(b) Regular day and night patrolling by Police and constant watch have been maintained to contain any criminal activity.

বিষয় ঃ ভোটাৰ তালিকাৰ খৰছ।

শ্ৰী চন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

৭২৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ভোটাৰ তালিকা তৈয়াৰ কৰিবলৈ কিমান টকা খৰছ কৰা হৈছে?

(খ) ভোটাৰ তালিকা তৈয়াৰ কৰা খৰছৰ টকা ৰাজ্য চৰকাৰে বহন কৰিব নেকি, নে কেন্দ্ৰীয় চৰকাৰে?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ভোটাৰ তালিকা তৈয়াৰ কৰাৰ বাবে ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনৰ ৭-৩-৯৫ তাৰিখলৈ সৰ্ব্বমুঠ ৮,৯৩,২০,৭৬৫.০০ টকা খৰছ কৰা হৈছে।

(খ) খৰছৰ টকা ৰাজ্য চৰকাৰে আৰু কেন্দ্ৰীয় চৰকাৰে শতকৰা ৫০ : ৫০ ভাগত বহন কৰে।

বিষয় ঃ ভিছা কাৰ্য্যলয় স্থাপন।

শ্ৰী নজমুল হকে সুধিছে ঃ

৭২৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৈধ পাৰপত্ৰ লই বাংলা দেশত যোৱাৰ বাবে গুৱাহাটীত বাংলা দেশ চৰকাৰৰ হাইকমিচনাৰৰ ভিছা কাৰ্য্যলয় স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হব নে?

(খ) উক্ত কাৰ্য্যালয় গুৱাহাটীত স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত ইয়াৰ আগত কিবা যোগাযোগ কৰা হৈছিল নে?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এইটো ভাৰত চৰাকাৰৰ বিষয়। এই সম্পৰ্কে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰাৰ বিষয়ে চিন্তা কৰি চোৱা হব।

(খ) হোৱা নাই।

Re :- F.I.R.

Shri Sahidul Alam Choudhury asked :

728. Will the Chief Minister be pleased to state :

(a) Whether there was any F.I.R. registered with Lanka Police Station, vide No. 5/74 (GR-case No.480/74)?

(b) If so, what was the allegations contained therin and against whom?

(c) What is the result of investigaion of the said case?

(Please mention chargesheet No.FR No. with date filed therein if any).

(d) If the investigaion has not yet been completed, will the Government

take appropriate action against persons responsibe for not submitting F.R. or chargesheet till date?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) Complainant Sifatulla Mazumdar of Village Kakijan Dimaru Pathar lodged F.I.R. at Lanka P.S. on 11.2.74 alleging that some Home Guards/ Forest Guards/Forest Ranger set fire in their houses and when the complainant and other villagers raised objection, the Home guard personnel opened fire on them causing infury to four persons and killing one.

(c) The case ended in FR vide F.R. No. 187 dated 7-7-82.

(d) Does not arise.

Re :- Personal Security.

Shri Sahidul Alam Choudhury asked :

729. Will the Chief Minister be pleased to state :

(a) Whether the Government have received any application dated 7th January, 1995 from Shri Nazrul Haque Mazorbhuiya, Advocate, Gauhati High Court praying for his personal security?

(b) Whether the Government proposes to provide personal security to Shri Mazarbhuiya?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) The request is being examined.

* **শ্রী বিনোদ গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা তাকৰীয়া প্রশ্ন আছিল কিন্তু প্রশ্নটো সদনত আলোচনা কৰিব পৰা নগ'ল, মহোদয় এই প্রশ্নটো অতি গুৰুত্বপূর্ণ প্রশ্ন আছিল - স্বাস্থ্য বিভাগত কোটি কোটি টকা আত্মসাত কৰাৰ কাহিনী পোহৰলৈ আহিছে, গতিকে প্রশ্নটো আনিবলৈ দিব লাগে।

* **শ্রী অতুল বৰা ঃ** অধ্যক্ষ মহোদয়, যিহেতু আজি শেষ দিন গুৰুত্বপূর্ণ প্রশ্নটো আহিলে ভাল হ'লহেতেন।

* **শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অধিবেশনৰ শেষ দিন অতি গুৰুত্বপূর্ণ আলোচনা এটা আছিল সেইটো হ'ল - অসম নাগালেণ্ড সীমান্ত ভালেমান দিনৰ

পঞ্চায়ত ইলেকচন পতাৰ ব্যৱস্থা কৰিছে। কিন্তু ইয়াত সাংঘাতিক অমিল দেখা গৈছে। দুই হাজাৰ আঢ়ৈ হাজাৰ অৱার্ড সৃষ্টি কৰা হৈছে। তাৰোপৰি মহিলাৰ কাৰণে সংৰক্ষণ কৰা আসন লটাৰীৰ যোগেদি নকৰি চৰকাৰে নির্ধাৰণ কৰি দিয়া কথা কৈছে। যদি সেইটোৱে সিদ্ধান্ত কৰা হয় তেতিয়াহলে বিৰোধী দলৰ ফালৰ পৰা আসোৱাহ আছে। তাৰোপৰি বেলট পেপাৰ সংক্রান্তত কব খোজো যে, এটা সন্দেহজনক ঠাইত চপাবলৈ দিয়া হৈছে মিউনিচিপালটি কোৰপোৱেচনৰ নির্ৱাচনৰ ক্ষেত্রত গোটেই খিনি কথা পুনৰ বিবেচনা কৰিব লাগিব। পুনৰ আলোচনা কৰা ভাল হব।

* **শ্রী হিতেন্দ্র নাথ গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিল দুখন একেলগে লোৱা ভাল। পাচৰ বিল খনত তিনি, চাৰি মিনিট ললেই হব। আজি ইলেকচন সংশোধনি বিল অনা হৈছে আৰু কিছু সময় পিচলৈ দিৱৰ বাবে। কিন্তু আজি ১২/১৩ বছৰে এতিয়ালৈবে কোনো পৌৰনিগমৰ ইলেকচ্ন হোৱা নাই। আমাৰ আপত্তি এইটোৱেই ১৯৯২ চনৰ জুন মাহত এটা ইলেকচন হৈছিল তাৰ পাচৰ পৰা আৰু ইলেকচন হোৱা নাই। পঞ্চায়তৰ পাচ বছৰৰ মুৰে মুৰে ইলকচন হব। পঞ্চায়তত ৫ বছৰৰ কাৰণে নির্ৱাচন অধিকাৰ সুনিশ্চিত কৰা হৈছে। পঞ্চায়তত স্থায়ীভাৱে বাহাল কৰা পাচত মিউনিচিপাল কোৰপোৱেচনৰ দুর্ভাগ্যজনক হৈছে। এতিয়া ইলেকচন হৈছে আমি ভাল পাইছো। তাৰ বাবে আদৰণি জনাইছো। ৰাজনৈতিক ব্যৱস্থা শক্তিশালী কৰিব লগা হৈছে। ৰাইজৰ প্রতিনিধি লব লাগিব।

যিখন সংসোধনী বিল গুৱাহাটী মিউনিচিপাল কোৰপোৱেচনৰ আনিছে তাত এটা কথা স্পষ্ট নহয়। যি ৰিৰ্জাভেচনৰ কথা কৈছে সেইটো ৰোটেচন কৰিবলৈ কি ৰুল হব? সেইটো চার্কোলাৰ নিদি গেজেট নটিফিকেচন কৰিলে মনঃপূতঃ নহলে আমাৰ আপত্তি থাকি যাব। গতিকে এই খিনি ৰাজনৈতিক দৃষ্টি ভঙ্গিৰে চৰকাৰৰ নিজা ৰবীয়া সংগঠন হৈছে। সংবিধানৰ ৭২/৭৩ অনুচ্ছেদৰ আধাৰত মিউনিচিপাল কোৰপোৱেচনৰ আৰু পঞ্চায়ত ইলেকচনত শতকৰা ৩০ চিট ৰিজাৰভেচন দিছে। এই ৰিজাৰভেচনটো ডাইৰেক্ট ইলেকচনত থাকিব লাগে।

গতিকে এই ৰিজাৰভেচনত ক্ষেত্রত পুণৰ বিবেচনা কৰিবলৈ অনুৰোধ কৰিছো। আজি সকলোতে ৩০ শতকৰা মহিলাক সংৰক্ষণৰ ব্যৱস্থা লোৱা হৈছে। তেওঁলোকে শক্তিশালী ভুমিকা লব লাগে। ভাল কথা। দেশৰ অধিক সংখ্যা মহিলা ঘৰত বহি থাকে। গতিকে তেওঁলোকে যদি দশৰ কাৰণে ৰাইজৰ কাৰণে নিজৰ মনোযোগ প্রয়োগ কৰে খুব ভাল কথা। কৰক। কিন্তু মই কব খুজিছো যে পঞ্চায়তৰ প্রেচিডেন্ট আৰু মেৰাৰৰ পদটোৰ বাবে সংৰক্ষণৰ ব্যৱস্থা নকৰি যদি জেনেৰেল কৰে তেন্তে তাৰ জৰিয়তে যদি কোনো মহিলা

---

* Speach not corrected

আহে তেনেতে আমাৰ কৰ লগীয়া নাই। আৰু বহুতে অংশ গ্ৰহণ কৰিব লগীয়া আছে গতিকে মই আৰু বেচি নকও। এই খিনিকৈ কৈ মই সামৰণি মাৰিলো।

* **শ্ৰী শশকমল সন্দিকৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৮ বছৰে মূৰত গুৱাহাটী মিউনিচিপালটি কৰপোৰেচনৰ ইলেকচন হব বুলি শুনি আনন্দিত হৈছো আৰু ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু যি ব্যৱস্থাৰে নিৰ্ব্বাচনি প্ৰস্তুত কৰিছে ৰাজনৈতিক আলোচনা কৰোতে কেইটামান পৰামৰ্শ দিয়া হৈছিল। কিন্তু পূৰ্ণ সংশোধনীৰ ক্ষেত্ৰত আৰু সংৰক্ষণৰ ক্ষেত্ৰত —

মাননীয় অধ্যক্ষ ঃ এনে কথা পুনৰ নকব।

* **শ্ৰী শশকমল সন্দিকৈ ঃ** মহিলা আৰু এচ,চি,এচ,টিৰ ক্ষেত্ৰত বিৰোধী দলৰ পৰা যিটো পৰামৰ্শ দিয়া হৈছিল সেইটো কাৰ্য্যকৰি নকৰিলে। গতিকে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা নিশ্চয় ইয়াৰ এটা সঠিক উত্তৰ পাম। এটা খেলি মেলিৰ কথা নগেন কলিতা ডাঙৰীয়াই কৈছে। ইলট্ৰোবেংক নিৰ্ম্মানৰ ক্ষেত্ৰত খেলি মেলি কৰিছে। গতিকে এই এটাৰে সমস্যাৰ সৃষ্টি কৰিব। নটিফিকেচনত নাম সোমাইছে, কিন্তু মেপত নাই। এতিয়া গুৱাহাটীৰ মাছখোৱা এলেকাটো নটিফিকেচনত আছে কিন্তু মেপত নাই। এই বিলাক খেলিমেলি হৈছে। বহুত স্থায়ী বাসিন্দাই বঞ্চিত হব। এই খেলিমেলি বিলাক আতৰাই মুক্ত নিৰ্ব্বাচন দিবৰ বাবে মই মূখ্যমন্ত্ৰীৰ দৃষ্টি আৰ্কষণ কৰিলো।

* **শ্ৰী দেৱান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বেচি কথা কৈ বিৰক্ত কৰিবলৈ নাযাওঁ তথাপি লাগতিয়াল কথা কেইটামান কব লাগিব। ইয়াত আমাৰ মতামতৰ প্ৰশ্ন আছে। ৰাজ্যিক নিৰ্ব্বাচনী আয়োগে বিভন্নি ৰাজনৈতিক দলৰ মতামত লব বুলি আশ্বাস দিছিলে, কিন্তু আমি দেখিবলৈ পাইছো যে সেই আশ্বাস পালন কৰা হোৱা নাই। নিৰ্ব্বাচনী আয়োগৰ অধীনত নিৰ্ব্বাচনৰ ঘোষণা কৰা হৈছে, সেইটো ভাল কথা হৈছে। তথাপি ইতিমধ্যে যিবিলাক কথা কোৱা হৈছে সেইবিলাকত গভমেণ্টে নটিফিকেচনৰ দ্বাৰা সিদ্ধান্ত লৈছে। আমাৰ পার্টিৰ কালৰ পৰা চৰকাৰৰ এই নীতিৰ বিৰোধিতা কৰিছো, আমি ৰাজ্যিক নিৰ্ব্বাচনী আয়োগক জনাইছো আৰু আয়োগে বোধহয় ৰাজ্য চৰকাৰক জনাইছে। এতিয়া চৰকাৰে নিৰ্দ্ধাৰণ কৰিছে কিমানবোৰ আসন সংৰক্ষণ থাকিব। আগতে বিভিন্ন ৰাজনৈতিক দলৰ মতামত লৈ লটাৰীৰ দ্বাৰা কৰা হৈছিল, এই পুৰণা পদ্ধতি বিলাক ৰাখিব লাগে। অধ্যক্ষ মহোদয়, ২য় কথা হৈছে, ওৱার্ড বিলাক 'ডিলিমিটেচন' কৰোতে মেপ আৰু নটিফিকেচনৰ মাজত বহুত বিসংগতি হৈছে আৰু তাৰ ফলত বহুত মানুহ বাদ পৰি গৈছে। এই বিসংগতি দূৰ কৰাৰ কাৰণে প্ৰয়োজন হলে গোটেই কথাখিনি পুনৰ ভালদৰে চালি জাৰি পৰীক্ষা কৰাৰ বাবে অনুৰোধ জনাইছো। আৰু গেজেট নটিফিকেচনৰ জৰিয়তে ৰিজাৰ্ভেচন কৰাৰ ব্যৱস্থাৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

---

* Speach not corrected

* **ডঃ জয়নাথ শর্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই দুটামান কথা মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। যোৱা বিধান সভাত নবেম্বৰ মাহৰ ভিতৰতে চৰকাৰে জি ,এম,চিৰ নির্ব্বাচন পতা হ'ব বুলি কৈছিল। কিন্তু চৰকাৰে এই প্রতিশ্রুতি ৰক্ষা কৰিব নোৱাৰিলে অৱশ্যে প্রতিশ্রুতি ভংগ কৰাৰ আগৰ পৰাই এটা পৰম্পৰা আছে। এই নবেম্বৰৰ ৬ তাৰিখৰ আগতে নির্ব্বাচন পাতিব নোৱাৰাৰ বাবে এখন অডিনেঞ্চ কৰি ৬ মাহৰ সময় বঢ়াই লৈছে। মই বিশেষ অভিযোগ এটা দিব খুজিছো, মাছখোৱাৰ যিটো কথা চি,পি,এমৰ ফালৰ পৰা উল্লেখ কৰিছে, ৰমেন কলিতাই উল্লেখ কৰিছে আৰু গগৈ ডাঙৰীয়াই উল্লেখ কৰিছে। এতিয়া এইটো নতুন ওৱার্ড ১৯ নং হৈছে আগতে ১৩ নম্বৰ আছিল, এই ওৱার্ডৰ সংক্রান্তত মাছখোৱা সমাজ কল্যাণ পৰিষদৰ লোক সকলক কমপ্লেইন দিবলৈ যাওঁতে গুৱাহাটী কর্পোৰেচনৰ চৰকাৰৰ মনোনীত চেয়াৰমেনজনে বেয়া ব্যৱহাৰ কৰি তেওঁলোকৰ কমপ্লেইন নললে। অধ্যক্ষ মহোদয়, আমি দেখিছো শাসক দলৰ আশীৰ্বাদ প্রাপ্ত বহুত ৰাজনৈতিক দলৰ নেতা পালিনেতাই চৰকাৰী বিষয়া সকলক নিজৰ সুবিধাৰ কাৰণে ব্যৱহাৰ কৰিছে। মাছখোৱা সমাজ কল্যান পৰিষদে ২৪-৩-৯৫ তাৰিখে আমাৰ হাউচ চলি থকা সময়তে কমপ্লেইন দিছিলে কিন্তু কোনো একচন নহল। ২৩-৩-৯৫ তাৰিখে মিউনিচিপাল কমিচনাৰক কমপ্লেইন দিছিলে সেইখনৰ ওপৰতো কোনো ব্যৱস্থা লোৱা হোৱা নাই। এই মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আর্কষণ কৰিছো যাতে এই কমপ্লেইন বিলাকৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হয়। আৰু জনসাধাৰণৰ 'ডেমক্রেটিক ৰাইট' যাতে ৰক্ষা কৰিব পাৰে।

মাননীয় অধ্যক্ষ ঃ মিঃ মিচন ৰঞ্জন দাস আপোনাৰ এমেন্ডমেন্ট আছিলে একে লগে কৈ দিয়ক।

* **শ্রী মিশ্যন ৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰাকাৰে যিটো ৰাজ্যিক নির্ব্বাচনী আয়োগ গঠন কৰিছে, এই আয়োগৰ হাতত ৰিজাভেচনৰ দায়িত্ব দিব লাগে। চৰকাৰে এই দায়িত্ব নিজৰ হাতত ৰাখিছে তাত আমাৰ বিৰোধিতা আছে। আগতে দেখিছিলো পঞ্চায়ত আদিৰ নির্ব্বাচনত ৰিজাভেচনৰ ক্ষেত্রত লটাৰীৰে সিদ্ধান্ত লৈছিল এটা গাওঁ পঞ্চায়তত কিমান আসন এচ,চি,এ,টি আৰু মহিলাৰ হ'ব সেইটো নির্দ্ধাৰণ কৰা হৈছিল। এতিয়া চৰাকৰে নিজৰ হাতত লৈছে, কেনেকৈ নির্ব্বাচন কৰিব, আৰু ৰাজনৈতকি দল বিলাকৰ লগত আলোচনা নকৰাৰ কাৰণ কি সেইটো মুখ্যমন্ত্রী মহোদয়ে ভালদৰে কব লাগে। আমাৰ চাজেচন হৈছে এইটো সিদ্ধান্ত লটাৰীৰ দ্বাৰা হ'ব লাগে এইটো নির্ব্বাচনী আয়োগক দিব লাগে আৰু সকলো ৰাজনৈতিক দল থকা অৱস্থাত মিমাংশা কৰিব লাগে। অধ্যক্ষ মহোদয়, চৰকাৰে ৬ মাহৰ বাবে নির্ব্বাচন পিচুৱাৰৰ কাৰণে অর্ডিনেঞ্চ আনিছে In clause II of the Bill the proposed

---

* Speach not corrected

amendment of section 425 of the Principal Act shall be substituted by the following - "to be superseded for six month provided that after the first constitution of the corporation, the state Government may dissolve the corporation period of dissolution shall not exceed six month"। অধ্যক্ষ মহোদয়, চৰাকৰে এতিয়া নিৰ্ব্বাচনৰ দিন ঘোষণা কৰিছে আমি ভাল পাইছো। আমাৰ আশংকা আছিল নিৰ্ব্বাচন নহবওঁ পাৰে আৰু চৰকাৰে ১২ বছৰ বিচাৰিছিল তাত আমি আপত্তি জনাইছো। আৰু আসন সংৰক্ষণৰ ক্ষেত্ৰত যি ব্যৱস্থা কৰিছে তাত আমি আপত্তি জনাইছো।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, মই প্ৰথমতে সংশোধনৰ ক্ষেত্ৰত কব খুজিছো। মিউনিচিপাল এক্ট অসমৰ ক্ষেত্ৰৰ, সংশোধনী ৭৪ মতে ইণ্ডিয়ান পার্লিয়ামেন্টে গোটেই ভাৰত বৰ্ষৰ কাৰণে মিউনিচিপাল এক্ট তৈয়াৰ কৰিছে তাৰ বেচিচত আমাৰ ইয়াত সংশোধনী অনা হৈছে সেই মতে ৬ মাহৰ ভিতৰত নিৰ্ব্বাচন পাতিব লাগে। ইয়াত ১৮ বছৰ নিৰ্ব্বাচন হোৱা নাছিল। আমি এতিয়া নিৰ্ব্বাচন পাতিবলৈ লৈছো। আমি ২৪-৪-৯৪ নিৰ্ব্বাচন পাতিবলৈ কার্য্যলয়ক দায়িত্ব দিছিলো। কিন্তু সেই সময়ৰ ভিতৰত নিৰ্ব্বাচন পাতিব নোৱাৰিলো। তাৰ কাৰণ যিটো গেপ হ'ল এই গেপ পুৰাবৰ বাবে সংশোধন অনা হৈছে। অধ্যক্ষ মহোদয় আৰু এটা কথা, ৰাজ্য চৰকাৰে কোনো হস্তক্ষেপ কৰা নাই। বাউণ্ডেৰী ৰিমাৰ্কেচন কামটো জি,এম,চিয়ে কৰিছে, এই কামত জি,এম,চিএ আগ ভাগ লৈ on the basis of the 74th Amendment of the Indian Parliament কৰিছে আৰু কৈছে যে list of constituency delimited and suggestions were initiated from public and political Parties.

অধ্যক্ষ মহোদয়, এতিয়া আন এটা কথা ৰিজাৰভেছন - এছ,চি/এছ,টি আৰু উইমেনৰ ৰিজাৰভেছন আমি এক্টৰ প্ৰভিজন মতে কৰিছো। এক্ট মতে লোকেছন ৰিজাৰভেছন কৰিব লাগে। এই বিষয়ে আমি আপোনালোকক জনাইছো। গুৱাহাটী মিউনিছিপালিটিৰ অধীনত মুঠ ৬০ টা চিট আছে। ইয়াৰে এক তৃতীয়াংশ হিচাপত ২০ টা চিট উইমেনৰ কাৰণে ৰিজার্ভ কৰিব লাগে। সেই হিচাপে মহিলাৰ বাবে আমি ৩, ৬, ৯ এনেকৈ কৰিছো। Every third seat is reserved for woman. ইয়াত কোনো ধৰণৰ লটাৰীৰ কথা অহা নাই। যিহেতু ৬০ খন আসনৰ এক তৃতীয়াংশ উইমেনৰ কাৰণে কৰিব লাগে সেই কাৰণে আমি ১, ৩, ৬, ৯, ১২, ১৫ ধৰণেৰে আসন সংৰক্ষণ কৰিছো। আকৌ মিউনিচিপালিটিৰ যিবিলাক এৰিয়াত এছ, চি/এছ, টি সর্বাধিক আছে। সেইবিলাকৰ এছ, চি/এছ, টি লগতে গুৱাহাটীত থকা এছ, চি সংগঠনৰ লগত আলোচনা কৰি সেই আসন কেইখন সংৰক্ষণ কৰাৰ বাবে ঠিক কৰা হৈছে। কথা প্রায়বিলাক একেই আছে। অধ্যক্ষ মহোদয়, মেপখন পাবলিক দকুমেন্ট নহয়। শর্মাই ২৩ মার্চৰ মাছখোৱাৰ যিটো কথা কৈছে। এইসকল লোকে মোকো লগ ধৰিছে।

---

* Speach not corrected

মোক লগ ধৰাৰ পিছত মই এ,দি,চি মহন্ত চাৰ্জ দিছো। তেওঁক এইটো চাব দিছো। তেওঁক পৰামৰ্শ দিয়াৰ পিছত এইবিলাক কাম কৰি আছে। মোক জনাইছে। তাৰ পিছত আৰু মাছখোৱাৰ পৰা কোনো অহা নাই। তেওঁলোকে আৰু আপত্তি কৰা নাই। অধ্যক্ষ মহোদয়, নিৰ্ব্বাচনৰ কথা যিটো কৈছে। নিৰ্ব্বাচনটো মুক্ত নিশ্চয় হব। ইয়াত কোনো ধৰণৰ ইন্টাৰফেয়াৰ কৰা নহয়। মাত্ৰ নিৰ্ব্বাচনী বিষয়াৰ লগত মিউনিচিপালিটি বিষয়াই যোগাযোগ কৰি আছে। এই পৰ্য্যায়ত কামবিলাক হৈ আছে. দি, চিয়ে বিটাৰ্ণিং বিষয়া, নিৰ্ব্বাচনী বিষয়াৰ লগত যোগাযোগ ৰাখি আছে। শ্ৰী গোস্বামী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো দুখৰ কথা। কাৰণ আজি ১৮ বছৰে মিউনিচিপালিটিৰ নিৰ্ব্বাচন নাপাতিলে। এতিয়া আমি পাতিবলৈ ওলাইছো। এইটো ভাল হোৱা বুলিহে কব লাগিছিল। নিৰ্ব্বাচন পাতিবলৈ যোৱা ১৮ বছৰে কোনো চৰকাৰে সাহস নকৰিলে। কোন হাৰে কোনে জিকে সেইটোৰ ভয়তে। আমি এতিয়া সাহস কৰিছো। আমি নিৰ্বাচন পাতিবলৈ ওলাইছো। কোন হাৰে, কোন জিকে সেইটোলৈ আমি লক্ষ্য কৰা নাই। আমি নিৰ্ব্বাচন পিছু�ৰাব লগা হৈছিল ভোটাৰ তালিকা সম্পূৰ্ণ হোৱা নাছিল বাবে। আপোনালোকে জানে ৰাজ্যিক ভোটাৰ তালিকাই গুৱাহাটী মিউনিচিপালিটিৰো ভোটাৰ তালিকা। মিউনিচিপালিটিৰ বেলেগ ভোটাৰ তালিকা নাই। এই ভোটাৰ তালিকা যোৱা ১৮ অক্টোবৰত পাবলিছ হৈছে ভোটাৰ তালিকা প্ৰকাশ নোহোৱা বাবে নিৰ্ব্বাচন দুই বছৰ পিছু�ৰাব লগা হৈছে। নতুন ভোটাৰ তালিকা পাবলিছ হোৱাৰ পিছত আমি কাম আৰম্ভ কৰিছো। আমি ইচ্ছা কৰি পলম কৰা নাই। শ্ৰীসন্দিকৈ ডাঙৰীয়াই একে কথাকে কৈছে আমি উত্তৰ দিছো। শৰ্মাৰ কথা উল্লেখ কৰিছো। বি,জে,পিৰ শ্ৰী দাস ডাঙৰীয়াই যিটো লটাৰীৰ কথা কৈছে। ইয়াত লটাৰীৰ প্ৰ'ভিজন নাই। এই ক্ষেত্ৰত মুঠ কথা আমি এচিওৰেন্স দিছো চৰকাৰে কেতিয়াও হস্তক্ষেপ নকৰে। গুৱাহাটী মিউনিচিপালিটিৰ যিসকল বিষয় ববীয়াই তাৰ ইলেকছনত এচিষ্ট কৰিছে তেওঁলোকে নিশ্চয় দায়িত্ব লৈ কাম কৰিছে। ইয়াত হস্তক্ষেপ নহয়। এতিয়া আমি আশা ৰাখিছো মাননীয় সদস্যসকলে এমেণ্ডমেন্ট উইদ্ৰ কৰিব। এছ, চি/এছ, টি আসন সংৰক্ষণৰ ক্ষেত্ৰত যিবিলাক এৰিয়াত এছ, চি/এছ, টি সৰ্বাধিক আছে সেই কেইটাৰ লগতে এছ, চি সংগঠনৰ লগত আলোচনা কৰি ঠিক কৰা হব। উইমেনৰ ক্ষেত্ৰত এক তৃতীয়াংশ সংৰক্ষণ কৰা হয়।

* **শ্ৰী প্ৰমোদ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ ক্লিয়াৰিফিকেছন। সংবিধানৰ ৭৩ তম সংশোধনীৰ নিৰ্ব্বাচনী আয়োগৰ আৰ্হিত ৰাজ্যিক নিৰ্ব্বচনী গঠন কৰাৰ সিদ্ধান্ত কৰা হয়। এতিয়া গুৱাহাটী মিউনিচিপাল কৰ্প'ৰেছনৰ নিৰ্ব্বাচনৰ ক্ষেত্ৰত ওৱাৰ্ড বিলাকৰ সীমা নিৰ্দ্ধাৰণ আৰু আসন সংৰক্ষণৰ ব্যৱস্থা কৰাৰ দায়িত্বটো ৰাজ্যিক নিৰ্ব্বাচনী আয়োগক কিয় দিয়া নহ'ল? কিয় গুৱাহাটী মিউনিচিপালিটিৰ ক্ষেত্ৰত চৰকাৰে কৰাৰ সিদ্ধান্ত ললে। আমি জনাত নিৰ্ব্বচনী আয়োগৰ আৰ্হিত ৰাজ্যিক নিৰ্বাচনী আয়োগ গঠন কৰা হৈছে। গতিকে আয়োগক দায়িত্ব দিব

* Speach not corrected

লাগিছিল। সেই উদ্দেশ্যে ৰাজ্যিক নির্ৱাচনী আয়োগে ৰাজনৈতিক দল বিলাকৰ লগত দুবাৰ সভা আহ্বান কৰিছে। মিটিং হৈছে। আলোচনাও হৈছে। কিন্তু অৱশেষত এই বিষয়ে ৰাজ্যিক নির্ৱাচনী আয়োগক অধিকাৰ নিদি চৰকাৰে গুৱাহাটী মিউনিচিপালিটিৰ যোগে এইবিলাক কৰাৰ সিদ্ধান্ত ললে কিয়?

* **শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সংক্রান্তত কিবা আইন আছে মই চাব লাগিব। List of constituencies delimited was published and suggestions were invited from public. এই সংক্রান্তত মই যিখিনি পাইছো সেইখিনিহে কৈছো। ইয়াতকৈ বেচি কব নোৱাৰো। কিন্তু এটা কথা ঠিক যে নির্ৱাচন সংক্রান্তত কোনো কথাতে চৰকাৰে হস্তক্ষেপ নকৰে।

Mr. Speaker : I now put the motion before the House.

The motion is that - "The Guwahati Municipal Corporation (Amendment) No.1 Bill. 1995 be taken into consideration".

Those who are in favour say 'Ayes'.

Those who are against say 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it, the motion is passed.

Shri Mission Ranjan Das, will you withdraw the amendment?

Shri Mission Ranjan Das : I have withdrawn.

Mr. Speaker : With the leave of the house, the amendment is withdrawn.

I now put the amendment before the House, Clause 2 do form part of the Bill. and short title of the Bill. The question is that - Clause 2, Preamble, Enacting formula and Short title of the bill do stand part of the Bill.

There is no amendment in Clause 3 of the Bill. I now put Clause 3 of the Bill before the House.

The question is that - Clause 3 do stand part of the Bill.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 3 do form part of the Bill.

Now Item No. 2(c) - Hon'ble Chief Minister to move.

---

* Speach not corrected

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that The Guwahati Municipal Corporation (Amendment) No.1 Bill, 1995 be passed.

Mr. Speaker : I now put the motion before the House. The motion is that "The Guwahati Municipal Corporation (Amendment) No.1 Bill, 1995 be passed.

The Motion is passed.

The Bill is passed.

Now, Item No.3(a) - Hon'ble Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that The Guwahati Municipal Corporation (Amendment) No.2 Bill, 1995 be taken into consideration.

Mr. Speaker : I now put the motion before the House. The Motion is that The Guwahati Municipal Corporation (Amendment) No.2 Bill, 1995 be taken into consideration.

Those who are in favour say 'Ayes'.

Those who are against say 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it, the motion is passed.

The Motion is passed.

Now item No. 3(b) - Mr. Goswami will you move the Amendment?

Shri Hitendra Nath Goswami : Sir, I am not going to move the amendment. অধ্যক্ষ মহোদয়, মই আগতেও পৰামর্শ দিছো মেয়ৰৰ সংৰক্ষণৰ কথাটো ভবিষ্যতে চিন্তা কৰিলে ভাল বুলি ভাৱো।

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ পার্লিয়ামেন্টৰ সংশোধনীৰ ওপৰত কৰিছো।

শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ মই পার্লিয়ামেন্টৰ কথাটো চাইছো। ৩০ শতাংশ সংৰক্ষণৰ কথাটো কৈছে। নিজে নিজে কৰি লব পাৰে। মোৰ যদি ভুলহোৱা নাই ইনদাইৰেক্ত নির্ৱাচনত ৩০ শতাংশৰ কথাটো অহা নাছিল।

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ যদি তাত নাই তেন্তে বিবেচনা কৰিম।

Mr. Speaker : The amendment is withdraw. The Clasue 2 do form part of the Bill.

---

* Speach not corrected

There is no amendment in clause 3 of the Bill I now put Clause 3 of the Bill before the house. The question is that Clause 3 do stand part of the Bill -

Those who are in favour say 'Ayes'.

Those who are against say 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 3 do from part of the Bill. I now put clause I Preamble Enacting Formula and short title of the Bill before the House for approval. The question is that "Clause I, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour say 'Ayes'.

Those who are against say 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clasue I, Enacting Formula and Short Title do form part of the Bill.

Now item No.3(c) - Hon'ble Chief Minister to Move.

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that the Guwahati Municipal Corporation (Amendment) No.2 Bill, 1995 be passed.

Mr. Speaker : I now put the motion before the house. The motion is that "The Guwahati Municipal Corporation (Amendment) No.2 Bill, 1995 be passed.

Those who are in favour say 'Ayes'.

Those who are against say 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed. The Bill is passed.

Now Item No.4(a) - Hon'ble Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that The Assam Forest Regulation (Amendment) Bill, 1995 be taken into consideration.

* **শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয় এই ক্ষেত্রত মই কেইটামান কথা কব বিচাৰিছো ১৮৯১ চনত পুৰণা ফৰেষ্ট মেনুৱেল মতে যদি চিজ হয় তেন্তে চোৰাং কাৰবাৰীৰ ওপৰত

---

* Speach not corrected

যেনে ধৰণে ব্যৱস্থা লব লাগিছিল তেনে ধৰণে লব পৰা নাছিল। এই সংশোধনীৰ জৰিয়তে সেইটো সুস্পষ্ট কৰিব বিচৰা হৈছে আৰু প্ৰশংসনীয় কাম হব। পাৰিপাৰ্শ্বিক ভাৰসাম্য আৰু বন ধ্বংস যজ্ঞ ৰোধ কৰিবলৈ কিছু পৰিমাণে হলেও সক্ষম হব। আগতে বনজ সম্পদ ধ্বংসকাৰীৰ ক্ষেত্ৰত ফাইন আছিল ৫০ টকা আৰু এতিয়া ৫ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। ফৰেষ্ট মেনুৱেল ভঙ্গকাৰীৰ বিৰুদ্ধে আগতে ইমপ্ৰিজনমেন্ট ছয় মাহ আছিল এতিয়া তিনি বছৰলৈ বৰ্দ্ধিত কৰা হৈছে। ডাঙৰ কথা হল বনানি অঞ্চলত শ্বমিল বহুৱাৰ সুবিধা আছিল আৰু আইনৰ সহায় লৈ চলাই থকাৰ ব্যৱস্থা আছিল। এতিয়া সেই বিলাকৰ ক্ষেত্ৰত বাধা নিষেধ আৰোপ কৰা হৈয়ে ইয়াৰ ফলত বনজ সম্পদ ৰক্ষাত বিশেষ অৰিহণা যোগাব পাৰিব। ইয়াৰ পিচত ক্লজৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ফৰেষ্ট অফিচাৰে ইলিগেল কার্য্যকলাপ দেখিছে চিজ কৰাৰ ব্যৱস্থা আছিল আৰু বস্তু খিনি মুকলি কৰি দিয়াৰ অধিকাৰ আছিল। অসৎ বন বিষয়াই অবৈধ লেন-দেন কৰি অধিগ্ৰহণ কৰা বস্তু খিনি মোকলাই দিয়াৰ ব্যৱস্থা আছিল। এতিয়া চিজ কৰি এৰি দিয়াৰ আগতে সহকাৰী কনজাভেটৰ অব ফৰেষ্টক প্ৰদিউচ কৰিব লাগিব। ইয়াৰ দ্বাৰা দুর্নীতি বন্ধ কৰাত সহায়ক হব। ফৰেষ্ট ৰেগুলেচন ষ্ট্ৰিক্ট কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। সকলোখিনি নির্ভৰ কৰে বন বিষয়াৰ সততাৰ ওপৰত। ইয়াৰ জৰিয়তে বন বিভাগৰ হাত শক্তিশালী কৰিব বিচৰা হৈছে। চোৰাং বেপাৰীয়ে ভয় খোৱাৰ ব্যৱস্থা কৰিছে। সকলো খিনি নির্ভৰ কৰে এই আইন খন কেনে ধৰণে প্ৰয়োগ হব। মই পৰহি কৈছো বিধান সভা চলি থকা অৱস্থাত অভিলেখ সংখ্যক বন বিভাগৰ বিষয়াৰ নিলম্বিত কৰা হৈছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে এশ বছৰীয়া পুৰণা আইন থকা সত্বেও বনবিষয়াই যি সততাৰে কাম কৰিব লাগিছিল সেইটো কৰা নাই। সেয়ে বন ধ্বংসকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লব লগা হৈছে। এতিয়া চোৰাং ব্যৱসায়ীক ভয় খোৱাৰ ব্যৱস্থা কৰা হৈছে। ইমপ্ৰিজনমেন্ট ৩ বছৰলৈ বৃদ্ধি কৰা হৈছে। কিন্তু আইনখন প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বর্ত্তমান পৰিস্থিতিত যথেষ্ট আশংকা কৰিছো। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই দৃষ্টি ৰাখে যাতে বন বিষয়া সকল সজাগ হয় আৰু সতর্ক হয়। তেতিয়া হলেহে সুফল পোৱা যাব।

মাননীয় অধ্যক্ষ মহোদয়, আমি বনজ সম্পদ ধ্বংসৰ কথা বিভিন্ন সময়ত উল্লেখ কৰি আহিছো কিন্তু আমি দেখা পাইছো ধ্বংস যজ্ঞ আব্যাহত আছে। কেন্দ্ৰীয় বন বিভাগৰ মন্ত্ৰীয়েও কৈছে আৰু তেখেতে দিয়া পৰামর্শবিলাক কাগজে-কলমেহে হৈছে। এইটো ৰূপায়ন কৰিবৰ কাৰণে আৰু বনাঞ্চল ধ্বংসৰ পৰা ৰক্ষা কৰিবৰ কাৰণে যি সকল সৎ বিষয়াই ভাল কাম কৰে তেওঁলোকক পদোন্নতি দিয়াৰ আৰু অসৎ বিষয়াসকলক শাস্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি এইখিনি কথা আনিছো এই বিলাক কৰিব পাৰিলে আইনগত ভাবে বন বিভাগক যঠেষ্ট শক্তিশালী কৰিব পৰা যাব। এইটো শক্তিশালী কৰিবৰ কাৰণে কিছুমান

'অৰিয়েন্টেশ্যন' দিব লাগে। ফৰেষ্ট বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াক এইখিনি পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্য সামৰণি মাৰিলো।

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনী বিলখন 'ৰেগুলাৰাইজেশ্যন'ৰ কাৰণে আহিছে মই ইয়াৰ বিষয়ে কিছু কথা কবলৈ বিচাৰিছো। আমাৰ ইয়াত অফিচাৰ সকল দোষী বা চৰকাৰে বনাঞ্চল ধংস কার্য্য চলাইছে বুলি দুটা 'লেভেলত ৰেচপনচিবুল ফিস্ক' কৰিব পাৰি। প্রথম কথা হল চোৰাং চিকাৰীয়ে হওঁক বা অন্য ধৰণৰ যিকোনো চোৰাং কাৰবাৰীয়ে হওক তেওঁলোকে ৰাজহুৱা সম্পত্তি নিজৰ স্বার্থৰ বাবে আদায় কৰিছে। চৰকাৰে কৈ আছে বন বিভাগৰ বিষয়া সকলে কৰি আছে। মই এই বিষয়ত দুজনমান 'ৰিটায়াড' বিষয়াৰ লগত কথা পাতোতে কৈছিল যে যদি 'গুড ফেইঠত' এই কাম কৰে তেতিয়া সকলো দোষ মৰিষণ হয়। - clause 70 : "No. suit or criminal prosecution or other legal proceeding shall lie against any Public Servant or anything done in good faith or omitted to be done ..... wise under these Regulations of the Rules for orders made there under." তাৰ মানে যি কেইটা কাম ভাল কৰে বা 'ইমপ্লিমেনট' কৰিছে নিজকে চাবৰ কাৰণে। এইটো 'ক্লজ ১৭' থকাৰ কাৰণে তেওঁলোকে সুবিধা লৈ আছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ে এই ধৰণৰ 'ক্লজ' উঠাব পাৰিব নেকি? এতিয়ালৈকে অসমৰ বনাঞ্চলৰ গছ চোৰাংভাবে কাটি আছে। বহুতো মূল্যবান গছ কাটি চালান দি আছে। তেনে ক্ষেত্রত বন বিভাগে চোৰাং কাৰবাৰ বন্ধ কৰাৰ নজিৰ নাই। শতকৰা ৯৯ ভাগ চোৰাং কাৰ বাৰ হয়। গোটেই বিভাগটোত এটা লিগেল চেল নাই। এটা লিগেল চেল গঠন কৰাৰ কথা আছিল। সেই ফাইলটো সামৰি গৈছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ক এটা গুৰুত্বপূর্ণ কথা কওঁ - নামবৰ হাবিৰ মূল্যবান গছগছনি কটা গৈছে। গছ বতাহত পৰিলে কাটি নিয়াৰ বাবে এজনক 'পাৰমিট' দিয়া হৈছিল। সেইজনে এতিয়ালৈকে গছ কাটি নি আছে, নামবৰ হাবিৰ গছ কাটিবৰ কাৰণে এতিয়ালৈকে সুবিধা পাব নেকি? গছ কটাৰ কাৰণে এ,জিয়ে ধৰিলে। আমি পাব্লিক একাউঞ্চ কমিটিত ধৰিছেলো, কিন্তু ফাইলটো হেৰাল। পি,এ,চি,ত 'এস্কামিন' কৰি আছে - তাৰ পিচতে ফাইলটো নাই। এইটো এটা গুৰুত্বপূর্ণ বিষয়। ফাইলটো কলৈ গল - সচিবালয়ৰ পৰা হেৰাইছে। আমি দেখা পাইছো ৰক্ষকে ভক্ষক হৈছে। মই এটা উদাহৰণ দিবলৈ বিচাৰিছো আপোনালোকে আচৰিত হব - দৰং জিলাত বন বিষয়া আছে - তাত বৃটিছৰ দিনৰে কেইজোপামান ডাঙৰ ডাঙৰ গছ আছিলে সেই গছ কেইজোপা ডি,চি য়ে নিজে কটোৱাইছে, এচ, পিয়ে লেবাৰ বিলাকক কোৱাইছে।

মাননীয় অধ্যক্ষ ঃ আপুনি এতিয়া এই বিলাক কথা কব নেলাগে। আপোনাৰ যদি কিবা 'চাজেশ্যন' আছে 'চাজেশ্যন' দিয়ক। এতিয়া যি জানো কথা কোৱাৰ সময় দিব পৰা নেজাব।

---

* Speach not corrected

* **ডঃ জয়নাথ শর্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বন ধ্বংস কৰাৰ কথাহে কৈছো। এই বিলাক কোৱাটো প্ৰয়োজন। যদি কবলৈ নিদিয়ে মই এই বিষয়ৰ ওপৰত আজি একো নকও।

(Shri Zoii Nath Sarma walk out in Protest to speaker's comment)

* **শ্ৰী গহীন চন্দ্ৰ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিখন বিলৰ ওপৰত এমেণ্ডমেন্ট আনিছে তাৰ ওপৰত মোৰ কবলগীয়া একো নাই। মাত্ৰ ৰুল বিলাক মতে ভালধৰণে ইমপ্লিমেন্ট হয় সেইটোকে কামনা কৰিছো। আৰু এটা কথা ১৯৯০ চনৰ পৰা আজিলৈকে উচ্চ পদস্ত বিষয়া সকলৰ যি পৰীক্ষা পাতিব লাগে সেইটো বন্ধ হৈ আছে।

মাননীয় অধ্যক্ষ ঃ আপুনি বিলখনৰ ওপৰত কওঁক। বাজেটৰ ওপৰত কোৱাৰ দৰে কলে নহব।

* **শ্ৰী গহীন চন্দ্ৰ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বাতৰি কাকতত লিখিছে সেয়েহে মই কবলৈ বিচাৰিছো আৰু ৫ বছৰৰ পিচত কোনো অসমীয়া কৰ্মচাৰী অৰ্থাত চি,চি,এফ, চেক্ৰেটৰী আদি নেথাকিব। সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো কিয় আজিলৈকে পৰীক্ষা পতা হোৱা নাই।

* **শ্ৰী কমল ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই সংক্ৰান্তত কেইটামান কথা কবলৈ বিচাৰিছো আজি ফৰেষ্ট বিভাগৰ ওপৰত যিখন বিল সংশোধনী আনিছে তাৰ ওপৰত সমৰ্থন জনাইছো। মাত্ৰ তাৰ ওপৰত কেইটামান পৰামৰ্শহে দিব বিচাৰিছো। বনাঞ্চল বিলাক প্ৰটেকটেট এৰিয়া ঘোষণা কৰি কাৰ্ফিউ আইন জাৰি কৰিব লাগে নহলে বনাঞ্চল বিলাক ৰক্ষা কৰিব পৰা নহব। আজি বন বিভাগৰ বিষয়াৰ মাজত ভাল বুজাবুজি নাই কাৰেণ বিষয়া সকলে উচিত ব্যৱস্থা লব নোৱাৰে বা নলয়। চেনচেটিভ এৰিয়া বিলাকত বন চকী বহুৱাব লাগে। আৰু এই বনাঞ্চল যদি ৰক্ষা কৰিব লাগে তেতিয়াহলে ফৰেষ্টত বেটেলিয়ানৰ আৰু ফৰেষ্ট কামাণ্ডু দিয়া ব্যৱস্থা কৰিব লাগে। শেষত কওঁ যে এই ক্ষেত্ৰত যদি কোনোবা দোষী বুলি প্ৰমাণিত হয় তেতিয়াহলে তাৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* **ডাঃ কমলা কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিখন বিল আনিছে আৰু এই বিল খনৰ ওপৰত যি এমেণ্ডমেন্ট আনিছে এইটো আমি ভাল পাইছো। এই বিলখনৰ দ্বাৰা বনাঞ্চল ৰক্ষণা-বেক্ষণাত যথেষ্ট সহায়ক হব আৰু অবৈধ ভাৱে বনাঞ্চল ধংস কাৰ্য্যত লিপ্ত হোৱা সকলৰ ওপৰত কঠোৰ ভাবে দমন কৰাত সহায়ক হব। আগতে যিখন আইন আছিল সেই আইনখনৰ জৰিয়তে বনজ সম্পদ ধংস ৰক্ষা কৰাৰ পৰিবৰ্ত্তে ধংসহে কৰিলে। এই ক্ষেত্ৰত আমি দেখা পাই আহিছো যে বিভিন্ন সময়ত বিভিন্ন ঠাইত উপযুক্ত সময়ত উপযুক্ত ব্যৱস্থা নোলোৱাৰ কাৰণে আচলতে বনজ সম্পদ ধংস হৈছে। আজি যিখন বিল আনিছে

---

* Speach not corrected

সেইখনৰ যোগেদি যাতে ভাল কাম হয় তাৰ ওপৰত লক্ষ্য ৰাখিব লাগিব। এই বিলখনৰ মাধ্যমেৰে আইনখন কঠোৰ ভাৱে বলবত কৰি আমাৰ ফৰেষ্টৰ যাতে ৰক্ষণা-বেক্ষণা হয় তাৰ ওপৰত লক্ষ্য ৰাখিব লাগিব। আইন তৈয়াৰ কৰাটো সহজ কিন্তু কার্য্যকৰী কৰাত যাতে ভালদৰে লক্ষ্য ৰাখে তাৰ কাৰণে মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনালো। মই আগতেই কৈছো যে এই আইনখনৰ এমেণ্ডমেন্ট অনাৰ কাৰণে ভাল পাইছো কিন্তু বহুতো ক্ষেত্রত দেখা পাইছো যে মিনিষ্ট্রিয়েল লেভেলত গ্রীণ কার্ড, ৰেড্ কার্ড দি গছ কটাৰ অনুমতি দিয়া হয়। এই সুবিধাবিলাক লৈয়ে বনৰ ধংসকার্য্য চলিছে। এই ভিচকিমিনেচন বিলাক থাকিব নেলাগে। এই এমেণ্ডমেন্টৰ জৰিয়তে যাতে বন সম্পদ ৰক্ষণা-বেক্ষণা হয় তাকে কৈ সামৰণি মাৰিলো।

* **শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বন বিভাগৰ ক্ষেত্রত যিখন বিল আনিছে, যি সংশোধনী আনিছে সেই সংশোধনী আমি চাইছো সেইটো ভাল হৈছে এই সংশোধনীৰ জৰিয়তে যথেষ্ট খিনি ৰক্ষণা-বেক্ষণা দিয়াত ফৰেষ্ট বিভাগৰ সহায়ক হব। আগতে যিখন আইন আছিল সেইখন বৃটিছৰ দিনতে কৰা আইন। সেই পুৰণি কলীয়া আইন খন কাৰণে আমাৰ বনাঞ্চল ধংশ হোৱাৰ অন্য এটা কাৰণ। আজি যিখন বিল আনিছে সেইখনত দেখা যায় যে আগতে ৫০ টকা ফাইন আছিল এতিয়া ৫ হাজাৰ টকা কৰিছে আৰু ৬ মাহ ইমপ্রিজনমেন্টৰ ঠাইত ৩ বছৰ কৰিছে ইয়াৰ দ্বাৰা যথেষ্টখিনি প্রতিৰোধ কৰাৰ লগতে গছ-গছনি কটাত ৰক্ষণা-বেক্ষণ দিয়াত নিশ্চয় সহায় কৰিব। এই আইনখন প্রয়োগ কৰাত যাতে কঠোৰ হয় আৰু যিসকল বিষয়া বেয়া কামত লিপ্ত হয় তেনেকুৱা অভিযোগ যদি চৰকাৰে পায় সেই বিলাকক কঠোৰ হাতে দমন কৰিব লাগে আৰু তাত যাতে কোনো ধৰণৰ ৰাজনৈতিক হস্তক্ষেপ নেথাকে তাৰ প্রতি লক্ষ্য কৰিব লাগে। এই বিল খনৰ যিটো সংশোধনী আনিছে তাত আমি পূর্ণ সমর্থন জনাইছো আৰু ভালদৰে প্রয়োগ কৰা হয় তাৰ ওপৰত মুখ্যমন্ত্রী মহোদয়ৰ ওপৰত অনুৰোধ জনালো।

Mr. Speaker :Hon'ble Chief Minister to reply.

* **শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্রী গোস্বামীদেৰে বহু কেইটা কথা উল্লেখ কৰিছে। তেখেতে বিলখন ভালকৈ পঢ়ি চাইছে তাৰ কাৰণে ভাল পাইছো। ১৮৯১ চনতে এই আইনখন কৰা হৈছিল এতিয়া ১০৪ বছৰৰ পিচত এই আইনখন সংশোধন কৰিবলগীয়া হৈছে। ইয়াত আপোনালোকে সমর্থন দিয়াৰ কাৰণে মই আপোনালোকৰ ওপৰত কৃতজ্ঞ। আইন সংশোধন বিলখন ইমপ্লিমেন্ট কৰিব পাৰিলে গছ কটাটো বন্ধ কৰিব পাৰিম বুলি ভাবিছো। আজি এই বিলখনৰ জৰিয়তে যিবিলাক শাস্তিমূলক ব্যৱস্থা লৈছো তাৰ দ্বাৰা যথেষ্ট উপকৃত হব পাৰিম। জয়নাথ শর্মাই চোৰাং কাৰবাৰৰ কথা কৈছে আৰু মই অস্বীকাৰ নকৰো। ইয়াৰ বাহিৰেও বড়ো আন্দোলনৰ সময়ত

---

* Speach not corrected

কোকৰাঝাৰ, বঙাইগাওঁ, ববপেটা আৰু গোৱালপাৰা জিলাত যিবিলাক ডি,এফ,অ, অফিচ আছিল সেইবিলাক জ্বলাই দিছিল। বেইঞ্জ অফিচ বিলাক জ্বলাই দিছিল আৰু তেতিয়া তাত বন বিভাগৰ কোনো কৰ্মচাৰী থাকিব পৰা নাছিল। এই সুবিধাতে বহুতো গছ-গছনি কাটি নিয়ে। কোকৰাঝাৰ, বঙাইগাওঁ, ধুবুৰী, গোৱালপাৰা, ববপেটা এই ৫ খন জিলাত বনাঞ্চলৰ ঘৰ, কার্য্যালয়, থকা ঘৰ সকলো জ্বলাই দিয়ে। সেই সময়ত ২ বছৰ কোনো কৰ্মচাৰী তালৈ ম'ভ কৰা নাছিল। এইক্ষেত্ৰত বহুত কথা কব লগীয়া আছে। মাননীয় সদস্য জয়নাথ শর্মাই যিটো গছ কটা কথা কৈছে তাৰ ওপৰত শাস্তি দিয়া হব।

মাননীয় সদস্য শ্রী শর্ম্মা ডাঙৰীয়াই ফাইল হেৰোৱা বিষয়ে যিটো কথা কৈছে সেই ক্ষেত্ৰত ফাইলটো কেনেকৈ হেৰাইছে আৰু তাৰ কাৰণে যি জন বিষয়া দায়ী তেওঁৰ ওপৰত শাস্তি মূলক ব্যবস্থা লোৱা হব। মাননীয় সদস্য ডাঃ কমলা কলিতা আৰু শ্রীৰমেন কলিতা ডাঙৰীয়াই ভালেখিনি পৰামর্শ আগবঢ়াইছে। তাৰ বাবে মই তেখেত সকলক ধন্যবাদ জনাইছো। গ্রীন কার্ড, ৰেড কার্ড কাক দিয়া হৈছে সেইটো মোতকৈ তেখেত সকলেই ভালদৰে জানে। কামৰূপ জিলাৰ বকো, ছয়গাওঁ আদি অঞ্চলত মেঘালয়ৰ ফালে গছ কাটি অসমৰ টি,পি, চীল মাৰে আৰু কামৰূপৰ ফালে গছ কাটি মেঘালয়ৰ টি,পি, চীল মাৰে। তেনেকৈয়ে আমাৰ কাঠবোৰ লৈ যায়। সেয়ে আমি কুণ্ডা নিয়াতো বন্ধ কৰিছিলো। কিন্তু হাইক'র্টে ষ্টে অর্ডাৰ দিয়াৰ কাৰণে সেইটো বন্ধ কৰিব পৰা নাই। গছ চুৰি সম্পর্কে মই বহু কথাই জানো। ১৯৬০ চনত মই যেতিয়া এখন কলেজ পাতিছিলো তেতিয়া শিৱসাগৰৰ এজন ঠিকাদাৰৰ পৰা ৰঙনি আনিব গৈছিলো। তেতিয়া তেওঁ আমাক এক হাজাৰ টকা কলেজৰ কাৰণে দিছিল। তেতিয়া এই এক হাজাৰ টকা বহুত আছিল। আমি ভাবিছিলো তেখেতে বহু টকা দিলে আৰু সেই কাৰণে আমি তেখেতক ধন্যবাদ জ্ঞাপন কৰি সোধাত তেখেতে কলে যে গছৰ কাৰবাৰত বহু প্রফিট থাকে। এই কাৰবাৰত আমি বহু টকা মাৰিব পাৰো। মই নামঘৰ এটাৰ কাৰণে এখন পাৰমিট পাইছো আৰু সেই পাৰমিট খনেৰে মই ১০০ জোপা গছ কাটিব পাৰিছো। এবাৰ কেনেবাকে এখন পাৰমিট উলিয়াব পাৰিলেই বহু দিন গছ কাটিব পাৰি। এইটো চলি আহিছে। সেই কাৰণে মই এনেবোৰ ঘটনা চলি থকা কাৰণে অন্তৰৰ পৰা দুখ পাইছো। গতিকে এইটো বন্ধ কৰিব লাগে। মাননীয় সদস্য কমল ব্রহ্ম ডাঙৰীয়াই এটা কথা কৈছে যে বে-আইনী ভাবে গছ কটা লোক সকলক কঠোৰ শাস্তি দিব লাগে বুলি কৈছে। এই বিষয়টো মই মুখ্য সচিবৰ লগত ইতিমধ্যে আলোচনা কৰিছো আৰু 'চুট এট চাইচ' কৰিব পাৰি নেকি সেই বিষয়ে আলোচনা কৰিছো। তাৰ বাহিৰেও তেখেতে ডি,এফ,অ, সকলৰ মেজিষ্ট্রিয়েল পাৱাৰ দিয়াৰ কথা কৈছে। সেইটো মই চিন্তা কৰি চাম। সেই কাৰণে মই আজি এই বিল খনৰ সংশোধনীৰ ক্ষেত্ৰত সকলো মাননীয় সদস্যৰ সমর্থন পোৱাৰ কাৰণে সকলোকে

ধন্যবাদ জনাইছো আৰু ইয়াৰ দ্বাৰা মই ভাবো আমি নিশ্চয় গছ কটাতো বন্ধ কৰিব পাৰিম।

* **শ্ৰী গহীন চন্দ্ৰ দাস ঃ** অধ্যক্ষ মহোদয়ে, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো যে ১৯৯০ চনৰ পৰা অসম লোক আয়োগে বন বিষয়া নিযুক্তিৰ বাবে পৰীক্ষা পতা নাই। তাৰ লগতে আৰু এটা কথা হ'ল বৰ্ণিহাতত থকা ফৰেষ্ট ট্ৰেইনিং কলেজ খন কিয় বন্ধ কৰা হৈছে সেইটোও স্পষ্ট কৰি দিলে ভাল হয়।

* **শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই বিষয় কেইটা মই চাম।

Mr. Speaker : I now put the motion before the House. The motion is that the Assam Forest Regulation (Amendment) Bill, 1995 be taken into consideration.

Those who are in favour, say 'Ayes',

Those who are against, say 'Noes'.

'Ayes; have it, 'Ayes' have it, 'Ayes' have it,

The motion is passed.

Now item No. 4(b). There is no amendment in clause 2 of the Bill. I now put clause 2 of the Bill before the House for approval. The question is that clause 2 do stand part of the Bill.

Those who are in favour, say 'Ayes',

Those who are against, say 'Noes'.

'Ayes; have it, 'Ayes' have it, 'Ayes' have it,

Clause 2 do form part of the Bill. (by voice vote.)

There is an amendment in clause 3 of the Bill in the name of Hon'ble Member Shri Jew Ram Boro.

Shri Jew Ram Boro : I would like to withdraw the amendment.

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the amendment?

(Leave granted)

Clause 3 do for part of the Bill.

There is no amendment in clauses 4, 5, 6, 7, 8, 9, 10, 11, 12, 13,

---

* Speach not corrected

14, 15 and 16 of the Bill. I now put clauses 4, 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15 and 16 before the House.

The question is that clauses 4, 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15 and 16 do stand part of the Bill.

(By voice vote) clauses 4, 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15 and 16 do form part of the Bill.

I now put clauses 1, preamble, enacting formula and short title of the Bill before the House. The question is that Clause 1, preamble, Enacting Formula and Short title do stand part of the Bill.

(By voice vote) clause I, Preamble, Enacting formula and short title do form part of the Bill.

Now items No. 4(c). Hon'ble Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that The Assam Forest Regulation (Amendment) Bill, 1995 be passed.

Mr. Speaker : I now put the motion before the House. The Motion in that the Assam Forest Regulation (Amendment) Bill, 1995 be passed.

(By voice vote)

The motion is passed.

The Bill is passed.

Now item No. 5(a). There is a message from Governor of Assam.

Message

Raj Bhawan

March, 14, 1995

Under Rule 207 of the Constitution of India, I Shri Lok Nath Misra recommend. The Rabha Hasong Autonomy Council Bill, 1995 be taken into consideration in the Assam Legislative Assembly.

Lok Nath Misra.

Now Minister, WPT & BC to move, for consideration of the Bill.

Shri Gomeswar Pegu (Minister, WPT & BC) : Sir, I beg to move that the Rabha Hasong Autonomous Council Bill, 1995 be taken into consideration.

* **শ্রী প্রমোদ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাভা, হাছং অটনমাচ কাউন্সিল বিল, ১৯৯৫, এই বিলৰ উদ্দেশ্যৰ প্রতি আমাৰ সমর্থন আছে। কাৰণ, ইয়াৰ উদ্দেশ্যত কৈছে যে অসম ৰাজ্য খনৰ ভিতৰতে ৰাভা জনগোষ্ঠীৰ লোক সকলক 'ৰাভা হাছং অটনমান কাউন্সিল' দিয়াৰ ব্যৱস্থা কৰা হৈছে। আজি বহু দিনৰ পৰাই অসমৰ বিভিন্ন জনগোষ্ঠীয়ে ৰাজ্য খনৰ বিভাজন নকৰাকৈ ৰাজ্য খনৰ ঐক্য সংহতি ৰক্ষা কৰি সর্ৱাধিক স্বায়ত্ব শাসনৰ কাৰণে আন্দোলন কৰি আহিছে আৰু তাৰ পৰিপ্রেক্ষিতত ইতিমধ্যে বড়ো সকলক ৰাজ্য খনৰ ভিতৰতে স্বায়ত্ব শাসন দিয়াৰ মাজেদি তেখেত সকলৰ আশা আকাংখ্যা পুৰণ হৈছে। ঠিক তেনেকৈ ৰাভা সকলকো ৰাজ্য খনৰ ভিতৰতে স্বায়ত্ব শাসন দিয়াৰ মাজেদি তেখেত সকলৰ আশা আকাংখ্যা, ভাষা-কৃষ্টি ৰক্ষনা-বেক্ষনৰ কাৰণে যি হাবিয়াস সেইটো পুৰণ কৰাৰ লক্ষ্য কৰা হৈছে। কিন্তু এই বিল খনৰ উদ্দেশ্যত এটা কথা কোৱা হৈছে যে ইয়াৰ কোনো কমপেক্ট এৰিয়া নাথাকে। ইয়াত এনে ধৰণে কৈছে – "In preamble of the Bill, the words and figure" of the satellite areas of village councils formed out of blocks of contiguous revenues villages, each having more than 50% populations of Rabha Hasong Community, without having any compact area."। বাকী খিনি কথাৰ প্রতি আমি আগতেই কৈছো যে যিবিলাক গাওঁ সেই জনগোষ্ঠীৰ শতকৰা ৫০ ভাগ বা তাতোকৈ অধিক সেই গাওঁ বিলাক এই কাউন্সিলৰ অন্তর্ভূক্ত হোৱা উচিত। তাৰ কাৰণে এই কাউন্সিল এৰিয়াৰ কন্টিগিউটি ৰক্ষা কৰাৰ কাৰণে মাজত যদি কোনো গাওঁ থাকে আৰু সেই গাওঁত অন্য জনগোষ্ঠীৰ ৫০ শতাংশতকৈ কম মানুহ থাকে তেনেকুৱা গাওঁ এই কাউন্সিলৰ অন্তর্ভুক্ত কৰিব লগা হব পাৰে। কিন্তু ইয়াৰ প্রিএম্বোলত এটা কথা কৈছে যে ৰাভা, হাছং সকলৰ অটনমাচ কাউন্সিলৰ কোনো নির্দ্দিষ্ট সীমা নাথাকে। ইয়াত কৈছে যে তেওঁলোকক চেটেলাইট ভিলেজ কাউন্সিল কৰা হব আৰু তাৰ কাৰণে অসমৰ যি বিলাক গাওঁত শতকৰা ৫০ ভাগতকৈ অধিক ৰাভা হাছং জনগোষ্ঠীৰ মানুহ আছে আৰু যিবিলাক গাওঁৰ জনসংখ্যা ৬ হাজাৰৰ বেছি তাত চেটেলাইট ভিলেজ কাউন্সিল গঠন কৰা হব।

(Mr. Speaker vacated the chair and Mr. Dy. Speaker occupied the chair).

উপাধ্যক্ষ ডাঙৰীয়া, এইটো হৈছে বেলেগ উদ্দেশ্য। ইয়াৰ ফলত অৱশ্যে চৰকাৰে এইটো কব, এই গোটেই কামটো কৰা হৈছে, ভূপিন্দৰ সিং কমিটিৰ পৰামর্শ আহোতে এই বিষয়ে আমি সকলো ক্ষেত্রতে আলোচনা কৰিছিলো আৰু কৈছিলো, স্বায়ত্বৰ অর্থ থাকিব যদিহে স্বায়ত্বৰ নির্দ্দিষ্ট সীমা ৰেখা থাকে। ইয়াৰ অবিহনে উন্নয়ন মূলক কাম বা তেখেত সকলৰ সংস্কৃতি আশা আকাংশ ৰূপায়িত কৰাৰ ক্ষেত্রত নির্দ্দিষ্ট অঞ্চল ৰূপায়িত নহলে অনেক

* Speach not corrected

অসুবিধা হব পাৰে। এই ক্ষেত্ৰত সাধাৰণতে যুক্তি দিয়া হয় যে আমি আন্দামান দ্বীপত কেনেকৈ আছো। আন্দামান দ্বীপ হৈছে সাগৰৰ মাজৰ দ্বীপ, বহুতো ঠাই আছে, সেই দ্বীপ চাৰি শ দ্বীপ লৈ গতিত হৈছে। এটা দ্বীপৰ পৰা আনটো দ্বীপৰ মাজত মাটি নাই, সাগৰৰ মাজত থকা দ্বীপ। কিন্তু সেই যুক্তি আমাৰ ইয়াত প্ৰজোয্য নহয়। কাৰণ কিছুমান চেটেলাইট ভিলেজ কাউন্সিল হব, কিয় নহয় ৫০ খন হব আৰু যদি তাৰ কোনো সীমা নাথাকে তেতিয়া হলে প্ৰশাসন কেনেকৈ চলিব? উদাহৰণ স্বৰূপে ৰাভা হছাঙৰ দৃধনৈত এখন চেটেলাইট ভিলেজ কাউন্সিল হল, তেতিয়া দৰঙৰ প্ৰশাসন কেনেকৈ চলিব। কামৰূপত থাকলে মৰিগাওঁত কেনেকৈ চলিব। তেওঁলোকৰ প্ৰশাসনৰ খৰচ বাঢ়ি যাব। যিখন জিলাত চেটেলাইট কাউন্সিল হব তাৰ বাহিৰেও আন জিলা বিলাকত স্বাভাবিকতে যি খিনি উপকাৰ পাব লাগে নেপায়। সেই কাৰণে নীতিগতভাবে আমি এই কথাটো পুনৰ দোহাৰিব বিচাৰো ৰাভা হজং কাউন্সিলৰ বাবে ভৱিষ্যতে যি বিলাক হব সেই কাউন্সিল বিলাকৰ সামাজিক অৰ্থনৈতিক শিক্ষাগত ভাবে বিকাশৰ কাৰণে তেখেত সকলৰ সাংস্কৃতিক স্বকীয়তা ৰক্ষণা-বেক্ষণৰ কাৰণে এটা নিৰ্দ্দিষ্ট অঞ্চল থকাটো প্ৰয়োজন। নিৰ্দ্দিষ্ট সীমা নথকাকৈ ৰাভা হজঙৰ কাউন্সিল কৰা হৈছে। ইয়াৰ ফলত দুটা কথা হব, আহিব লগা অভিজ্ঞতা চৰকাৰে পুনৰ বিবেচনা কৰিবলৈ বাধ্য হব। প্ৰথম কথা হৈছে এনেকুৱা ধৰণৰ সংলগ্ন নথকা চেটেলাইট ভিলেজ কাউন্সিল উন্নয়নৰ কাৰণে দ্ৰুত উন্নয়নৰ কামৰ অগ্ৰসৰ হোৱাৰ সম্ভৱনা নহয়। দ্বিতীয়তে সেই অঞ্চলৰ অন্যান্য যিবিলাক জনজাতীয় লোক আছে সেই সকলৰ মাজত অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত যি যোগাযোগ সেই খিনিৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাই দেখা দিব। মই জানো যে চৰকাৰে কব এই কাৰণে সীমা ৰেখা নাই। বড়োলেণ্ড অটোন'মাস কাউন্সিলৰ আজিও সীমা বিবাদ নিস্পষ্টি হোৱা নাই। ইয়াৰ কাৰণে কোনো কোনো ঠাইত সংসর্ঘ হৈছে। এই ক্ষেত্ৰত সেই চুক্তি প্ৰযোজ্য নহয়। কাৰণ যি বিলাক চেটেলাইট ভিলেজ কাউন্সিল হব তাৰ শতকৰা ৫০ ভাগ জনজাতীয় লোক বাস কৰিব। সমস্যা একেই থাকিব, সেই কাৰণে আমি চৰকাৰক পুনৰ জনাওঁ, সংশোধনী দিছে যত কোৱা হৈছে কমপেক্ট এৰিয়া নাথাকে সেইটো দিলেট কৰিব দিছে। যদি নিৰ্দ্দিষ্ট সীমা ৰখা হয়, এই ক্ষেত্ৰত মই পুনৰ এটা কথা কওঁ বড়োলেণ্ড অটেন'মাচ কাউন্সিলৰ দূৰৰ হৈ গ'ল, এতিয়া লৈকে সীমা বিবাদ নিস্পত্তি হোৱা নাই। আৰু স্বাভাবিকতে এখন স্বায়ত্ব শাসিত অঞ্চলত যি পাচশ গাওক লৈ বিবাদ আছে সেই বিবাদ বিলম্ব নকৰি চৰকাৰ, আন্দোলনকাৰী যি সকল বড়োলেণ্ড চুক্তিৰ স্বাক্ষৰকাৰী সেই সকলৰ লগত আলোচনা কৰি ততালিকে সেই বিবাদ মীমাংসা কৰা দৰ্কাৰ। আৰু দ্বিতীয় কথা হৈছে নিৰ্বাচনৰ কথা। চৰকাৰে ৰাভা হজং অটোন'মাচ কাউন্সিল এই বিল পাছ হোৱাৰ পিচত এখন মনোনীত কাউন্সিল কৰিব। কিন্তু উদ্দেশ্য হ'ল ৬ মাহৰ ভিতৰত নিৰ্বাচন কৰিব।

উপাধ্যক্ষ মহোদয়, আপোনাৰ মনত আছে আমি বড়োলেণ্ড অটোন'মান কাউন্সিল বিল পাছ কৰা দুবছৰ হল আজিলৈকে নির্ব্বাচন হোৱা নাই, চৰকাৰে কৰিব বিচৰা নাই। চৰকাৰে ৰাজনৈতিক স্বার্থৰ কাৰণে কিছুমান মনোনীত সদস্যৰ দ্বাৰা প্রশাসন চলাই থকাৰ ফলত উন্নয়ন মূলক কামৰ ক্ষেত্রত যথেষ্ঠ অসুবিধা সৃষ্টি হৈছে। এইক্ষেত্রত বড়ো সকলৰ যি আশা-আকাংশা আছে সেইটো পূৰণ হোৱা নাই। মাননীয় মুখ্যমন্ত্রীয়ে কৈছে যে পঞ্চায়তৰ ১৮ বছৰ ধৰি ইলেকচন হোৱা নাই। আমি নির্ব্বাচন বিচাৰো, নির্ব্বাচন হোৱাটো দাবী কৰিছো। বড়োলেণ্ড অটোন'মাচ কাউন্সিল গঠন কৰা হ'ল যদিও প্রকৃত পক্ষে বড়ো সকলৰ গণতান্ত্রিক অধিকাৰৰ পৰা বঞ্চিত কৰা হল।

উপাধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্রত আমি দাবী কৰো যে এই বিল পাছ হোৱাৰ পিচত এখন স্বায়ত্ব শাসিত পৰিষ্দ গঠন কৰিব, ৬ নহলেও ৭ মাহৰ ভিতৰতে ৰাভা হাজং অটোন'মাচ কাউন্সিল গঠন কৰি নির্ব্বাচন অনুষ্ঠিত কৰাৰ যাতে সুযোগ দিয়ে। ইয়াৰ লগত আৰু এটা কথা উৎথাপন কৰিব বিচাৰিছো, সেইটো হল অসমত ইতিমধ্যে বড়োলেণ্ড অটোন'মান কাউন্সিল হৈছে, আজিও আমি ৰাভা হাজং স্বায়ত্ব পৰিষদ বিল এই সদনত পাছ কৰিম। আৰু হয়তো কেইবা খনো স্বায়ত্ব শাশিত পৰিষদ গঠন হব, অসমৰ বিশেষ বৈশিষ্টৰ কথা বিবেচনা কৰি আমি ভাবো যে অসমত লেজিশ্লেটিভ কাউন্সিল বা চেকেণ্ড চেম্বাৰ গঠন কৰা উচিত। এই ক্ষেত্রত যি কমিশ্ননৰ ভিত্তি কৰি চৰকাৰে স্বায়ত্ব পৰিষদৰ ব্যৱস্থা কৰিবলৈ গৈছে সেইটো হৈছে ভূপিন্দৰ সিং কমিটি।

মাননীয় উপাধ্যক্ষ মহোদয়, ভুপিন্দৰ সিং কমিটিৰ ৰিপোর্টত পৰামর্শ দিছিল যে অসমৰ যি জন গাঠনি অসমৰ যি বিশেষ সমস্যা এই সমস্যাৰ কথা বিবেচনা কৰি অসমত এখন চেকেণ্ড চেম্বাৰ থকা উচিত। উপাধ্যক্ষ মহোদয়, তেখেতৰ ৰিকোমেণ্ডেচনৰ নং ১৪ মই পঢ়ি দিব খুজিছো।

Recommendation No. 14. It is said that the democracy is in essence, majority Rule and minoright right. The Legislative Assembly of the State thus deserve the purposes of enabling different socio-economic and political entities to interact with each other, hammer out solutions to the public problems of the day and undertake legislation required for the entire society of the State. But the complaint of the ethnic minorities has been that they have been neglected and discriminated against. An important intellectual section of the Society in Assam feels that, for the purpose, a second chamber should be crated in the State with the

stipulation of equal representation to all ethnic groups. While we have not gone to the extent of equal representation, we recommend creation of a second Chamber in Assam i.e. Legislative Council. In accordance with Article 171(3) of the Constitution of India and the present membership of 126 Assam Legislative Assembly, the strength of MLCs would be around 42. But we have recommended that it should be more to enable adequate representation to Scheduled Tribes in the House.

উপাধ্যক্ষ মহোদয়, সেইকাৰণে অসমৰ বিভিন্ন জনগোষ্ঠিৰ যি বৈশিষ্ঠ সেই বৈশিষ্ঠ, সমস্যা যদি সমাধান কৰিব বিচাৰে যদি অসমৰ বিশেষ পৰিস্থিতিৰ সমাধা কৰিব বিচাৰে তেতিয়াহলে ভুপিন্দৰ সিং কমিটিৰ যি ৰিকোমেন্দেচন অসমত এখন চেকেণ্ড চেম্বাৰ গঠন কৰা একান্ত প্ৰয়োজন। হয়টো ইয়াৰ গঠন সম্পৰ্কত বেচি আলোচনা কৰিব পাৰো। আৰু এই কথা নহয় যে ভাৰতবৰ্ষত আগতে বহুত ষ্টেতত চেকেণ্ড চেম্বাৰ নাছিল। অসমতে আছিল। ১৯২১ চনৰ পৰা ১৯৪৭ চনলৈকে কাউন্সিল আছে। ভাৰতবৰ্ষৰ কিছুমান প্ৰদেশত লেজিচলেটিভ কাউঞ্চিল উঠাই দিয়া হৈছিল। পিচত পুনৰ প্ৰৱৰ্ত্তন কৰিবলগীয়া হৈছিল। এতিয়া ভাৰতবৰ্ষৰ ৫খন ৰাজ্যত লেজিচলেটিভ কাউঞ্চিল আছে। এই কাউঞ্চিল অসমৰ আৰ্হিত বেলেগ হব। বিভিন্ন লোকেচনত Local Bodies, Graduate representation, Assembly representation. সেই বিলাক থকাৰ উপৰিও জনগোষ্ঠিৰ উপযুক্ত সংখ্যক প্ৰতিনিধি লেজিচলেটিভ কাউঞ্চিলত থকাৰ ব্যৱস্থা কৰিব লাগে। অসমত যিসকলে স্বায়ত্ব শাসন পাব তাৰ বাহিৰেও বহুত থাকি যাব। যিবিলাকে স্বায়ত্ব শাসন লাভ কৰা নাই সেই সকলৰ কাৰণে বেলেগে স্বায়ত্ব শাসন গঠণ কৰাটো সম্ভৱপৰ নহয়। বিভিন্ন জনগোষ্ঠিৰ বিভিন্ন সমস্যা আছে তেওঁলোকৰ যাতে উপযুক্ত ভাৱে প্ৰতিফলিত হয় তাৰ কাৰণে আমি ভাবো। অসমত বিলম্ব কৰি এখন লেজিচলেটিল কাউঞ্চিল গঠণ কৰাৰ কাৰণে বিবেচনা কৰিব লাগে। এই ক্ষেত্ৰত কেইবাবাৰো বিষয়টো আলোচনা কৰিছো। আমি ভাৱো চৰকাৰে প্ৰথমতে এই বিষয়টোৰ ওপৰত সুকীয়াকৈ বেবেচনা কৰা উচিত। আৰু বিলম্ব নকৰি সকলো মিলিত হৈ সদনক প্ৰস্তাব লব পাৰো। প্ৰস্তাৱ ললেই লেজিচলেটিভ কাউঞ্চিল গঠণ কৰিব নোৱাৰি। ভাৰত চৰকাৰে চাব লাগিব। নানা আইনগত প্ৰশ্ন আছে। কিন্তু আমাৰ বিধানসভাই সদ ইচ্ছা প্ৰকাশ কৰিলে আমি সফল হব পাৰিম। আমি ভাবো চেকেণ্ড চেম্বাৰ গঠণ কৰাৰ যোগেদি অসমৰ সমস্যা সমূহ সমাধান কৰাৰ ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিব পাৰিম। আৰু এটা কথাৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমি আজি অসমৰ বিভিন্ন জনগোষ্ঠি স্বায়ত্ব শাসনৰ কথাটো সমৰ্থন কৰিছো। কিন্তু লগে লগে অসমৰ স্বায়ত্ব শাসনৰ প্ৰশ্ন জৰিত হৈ আছে। ভাৰতবৰ্ষৰ ভিতৰত বিভিন্ন ৰাজ্য বিশেষকৈ অসমৰ উত্তৰ পুৰ্ব্বাঞ্চলৰ ৰাজ্য সমূহৰ অসমৰ

দৰে সৰু ৰাজ্যৰ সেইবিলাক সংবিধানৰ ভিতৰৰ সৰ্ব্বাধিক ৰাজনৈতিক অৰ্থনৈতিক বা বিত্তীয় স্বায়ত্ব শাসনৰ প্ৰশ্ন জৰিত আছে। আজি সকলো বিলাক ৰাজ্য বিভিন্ন ৰাজনৈতিক দলৰ স্বায়ত্ব শাসন আছে। প্ৰায় বিলাক ৰাজ্যই দাবী উত্থাপন কৰিছে। ৰাজ্যখনৰ সংবিধানৰ ভিতৰত বৰ্ত্তমান অধিক স্বায়ত্ব শাসন দিব লাগে। তাৰ কাৰণে চাৰ্কাৰীয়া কমিচন গঠণ কৰিছিল। কিন্তু সেই কমিচনে গোটেইবিলাক মতামত দিব নোৱাৰিলে। ১৯৮৩ চনত অসমত যিবিলাক হিংসাত্মক ঘটনা সংঘতিত হৈছিল সেই বিলাক ঘটনা তদন্ত কৰাৰ বাবে এখন ওৱান মেন কমিচন কমিতি গঠণ কৰিছিল। সেই কমিচনৰ চেয়াৰমেন আছিল ত্ৰিভুৱন প্ৰসাদ তেৱাৰী। চিনিয়ৰ আই,এ,এচ অফিচাৰ। উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্য সচিব আছিল ১৯৯৪ চনৰ মে মাহত ৰিপোৰ্ট দাখিল কৰিছিল। সেই ৰিপোৰ্টত অসমৰ গোটেই সমস্যা বিলাক আছিল। গোটেই ভলিউমটোৰ কথা মই কবলৈ যোৱা নাই। অসমত কিয় সেই বিলাক ঘটনা হৈছে। সেই ঘটনাৰ বাস্তৱ মূল্যায়ন কৰাৰ চেষ্টা কৰিছে যদিও সেই ৰিপোৰ্টৰ নানা জনে বিৰোধিতা কৰিছিল। অৱশেষত অসমৰ সমস্যা বিলাক সমাধা কৰাৰ কাৰণে তেখেতে বিশেষ ধৰণে ৰিকোমেণ্ডেচন দিছিল। সেই ৰিকোমেণ্ডেচনত ৭'২১ আৰু ৭'২২ এই দুটাত তেখেতে কৈছে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ অৰ্থনৈতিক বিকাশত একেবাৰে পিচপৰি আছে। যিহেতু অসমক ইতিমধ্যে ভাৰতবৰ্ষৰ স্পেচিয়েল কেতগৰিৰ ষ্টেত হিচাবে গ্ৰহণ কৰা হৈছে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত বিশেষকৈ কৃষি, হৰ্টিকালচাৰ, বাননিয়ন্ত্ৰন যি বিলাক আমি কটেজ ইন্দাষ্ট্ৰী বুলি কও সেই বিলাকৰ কাৰণে ভাৰত চৰকাৰে অনুমোদন দিব লাগে আৰু যিবিলাক প্ৰচলিত চৰ্ত্ত আছে সেইবিলাক চৰকাৰে ৰেহাই কৰিব লাগে। সকলোতকৈ ইমপোৰ্টেন্ট ৰিকোমেণ্ডেচন হৈছে ৭'৩। সেই ৰিকোমেণ্ডেচনত তেখেতে কৈছে - মাননীয় উপাধ্যক্ষ মহোদয়, মই পঢ়ি দিছোঁ -

Assam should be granted special protection as Kashmir where no real estate can be acquired by or sold to an outsider. At present there is an Act in the State which has replaced the earlier ordinance entitled "The Assam Allienation of Land (Regulation) Ordinance, 1980". Under this Act restrictions have been placed through legislation on the acquisition of immovable property by foreigners in Assam. Considering the peculiarities of Assam, the valley parts also deserves the same protection as the Tribal belts and blocks in order to protect the interests of the local people.

মাননীয় উপাধ্যক্ষ মহোদয়, এইটো এটা মূল্যবান পৰামর্শ দিছে, বিশেষকৈ ব্রহ্মপুত্র উপত্যকাত, ইয়াৰ যিখিনি মানুহ আছে, সেইখিনি মানুহে এটা জাতি হিচাবে টিকিবলৈ হলে তেওঁলোকৰ মাটিৰ ওপৰত অধিকাৰ থাকিব লাগিব। যি জাতিৰ মাটিৰ ওপৰত অধিকাৰ নাই, তেওঁলোকক বিফিউজী বুলি কোৱা হয়। অসমীয়া মানুহ কেতিয়াও বিফিউজী হ'ব নোৱাৰে। অসমত স্থায়ী ভাবে বসবাস কৰা লোক সকলক বিফিউজী ষ্টেটাচলৈ যোৱাটো নিবিচাৰে। সেই কাৰণে আমি বিপর্টৰ মতে, কাশ্মিৰৰ নিচিনাকৈয়ে হওক বা ভাৰতবর্ষৰ অন্যান্য ৰাজ্যৰ নিচিনকৈ ট্রাইবেল বেল্টৰ নিচিনাকৈ যাতে বাহিৰৰ পৰা মানুহ আহি মাটি অধিগ্রহণ কৰিব নোৱাৰে তাৰ বাবে কেতবোৰ ব্যৱস্থা কৰিব লাগে। যাতে বাহিৰৰ পৰা মানুহ আহি ইয়াত চাকৰিৰ ক্ষেত্রতো নিয়োগ কৰিব নোৱাৰে। উপাধ্যক্ষ মহোদয়, আপুনি জানে ইতিমধ্যে ভাৰতবর্ষৰ বহুতো প্রান্তত বিশেষকৈ তিনিটা ৰাজ্যত আইন কৰা হৈছে যে সেয়া হৈছে, ওৱেষ্ট বেংগল চৰকাৰে ১৫ বছৰলৈকে সেই ৰাজ্যৰ এমপ্লইমেন্ট এক্টেঞ্জত নাম ভর্ত্তি কৰিব নোৱাৰিব। তেনেকৈ কর্ণাটক ৰাজ্যত ১৫ বছৰলৈকে নাম ভর্ত্তি কৰিব নোৱাৰা আইন কৰা হৈছে আৰু সেই দৰে মহাৰাষ্ট্রতো কৰা হৈছে। যদি এই বোৰ ৰাজ্যত এনে ব্যৱস্থা কৰিব পাৰে, আমাৰ অসমতো নিয়োগৰ ক্ষেত্রত এই ব্যৱস্থা লোৱা হয়, তেতিয়া অসমত স্থায়ী ভাবে বসবাস কৰি থকা অসমীয়া মানুহৰ উন্নয়ণ সাধন হ'ব আৰু অসমীয়া মানুহৰ জীৱৰ ৰক্ষনা-বেক্ষন কৰাৰ যিহেতু অধিকাৰ আছে, সেয়ে উপাধ্যক্ষ মহোদয়, এইটো কৰা উচিত। মাননীয় উপাধ্যক্ষ মহোদয়, ৰিকমেন্দেচনৰ ৰিপর্ট মতে ৭'২৫ In the competitive examinations for certain categories of services, same facilities should be given to the Assamese as are admissible to candidates belonging to the Scheduled Tribes in the North Eastern Region. In the matter of All India and Central Services and those of the Public Sector Undertakings, local candidates suffer from the same disadvantages as others because the unfavourable circumstances relate to the area as such and are the outcome of certain historical, social and geographical factors.

* **শ্রী যতীন মালী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আশা কৰো যে অসম চৰাকৰে টিৰাৰী কমিচনৰ ৰিপর্ট যেতিয়া পাইছিল, তেতিয়া বর্ত্তমানৰ মুখ্যমন্ত্রী হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্রীয়েই হৈ আছিল আৰু ১৯৮৪ চনত এই ৰিপর্ট দাখিল কৰা হৈছিল। কিন্তু দূর্ভাগ্যৰ কথা আজিলৈকে কোনো ব্যৱস্থা লোৱা নহ'ল। টিৰাৰী কমিচনৰ চেয়াৰমেন এজন অৱসৰ প্রাপ্ত ইউ,পি,ৰ চিফ চেক্রেটৰী আছিল। তেখেত এজন অতি অভিজ্ঞ লোক আৰু তেখেতে যিখিনি পৰামর্শ আগবঢ়াইছিল, সেইখিনি পৰামর্শ অসমৰ সমস্যা সমাধানৰ ক্ষেত্রত সহায়ক আছিল। গতিকে সেই পৰামর্শ অনুযায়ী কার্য্যকৰী কৰিলে আমাৰ বহুতো সমস্যা সমাধান হ'লহেতেন। সেয়েহে

* Speach not corrected

সামগ্রিক ভাবে যাতে আমাৰ অসমে দ্রুত গতিৰে আগবাঢ়ি যাব পাৰে, সমস্যা সমাধান কৰিব পাৰে তাৰ কাৰণে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অসম চৰকাৰক অনুৰোধ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে ১৯৯৫ চনৰ "The Rabha Hasong Autonomous council will comprise the areas of the village councils as indicated above. Thus there will be no separate compact area for the Apex council and it will consist of satellite areas of village councils." এমেন্দমেন্ট আনিছে, এই সম্পৰ্কত মই লক্ষ্য কৰিছোঁ যে -- "ৰাভা হাছং" পৰিষদক চৰকাৰে মেক্সিমাম এটৰ্নি দিয়াৰ কাৰণে চিন্তা কৰিছে। ৰাভা সকলক চচিয়েলি বা সামাজিকভাবে, অর্থনৈতিক ভাবে, শিক্ষা-দিক্ষা, সাংস্কৃতিক দিশত তেওঁলোকৰ উন্নয়ণৰ কথা ইয়াৰ জৰিয়তে চিন্তা কৰা হৈছে। আৰু আমি লক্ষ্য কৰিছোঁ ৰাভা সকলৰ উন্নয়ণৰ কাৰণে যিখন বিল ইয়াত উত্থাপন কৰিছে, বিশেষকৈ ইয়াত আপত্তি কৰিব লগীয়া নাথাকিব, যদিহে চৰকাৰে তেওঁলোকৰ উন্নয়ণৰ লগতে আন আন কার্য্যও সুচাৰুৰূপে সমাধান কৰে। তাৰ বাবে আমাৰ দৃষ্টি ভংগী উত্থাপন কৰা হৈছে। আমি লক্ষ্য ৰাখিব লাগিব যাতে প্রতিটো জাতি/গোষ্ঠিৰ লোকৰ নিজৰ উন্নতি আৰু প্রগতিৰ কাৰণে যিমান চিন্তা কৰি আহিছে, আৰু এই ক্ষেত্রত ৰাভাও আৰু এইক্ষেত্রত ৰাভা সকলৰ, বিশেষকৈ আমাৰ গোৱালপাৰা জিলাৰ গোটেই অঞ্চলতে এই পার্বত্য অঞ্চলটোত যিবিলাক লোকে বাস কৰিছে, অর্থাৎ যি সকল অজনজাতীয় লোক বাস কৰি আছে, তেওঁলোকৰ সমস্যা সমাধানৰ কাৰণে ও আৰু উন্নয়ণৰ কাৰণেও দাবী জনাই আহিছে। এইটো ঠিকেই, কিন্তু আমি লক্ষ্য কৰিছো উপাধ্যক্ষ মহোদয়, এট'নমাছ কাউন্সিলৰ সম্পর্কে যিটো কথা আহিছে। মই ভাবে, ৰাভা সকলৰ উন্নয়ণৰ ক্ষেত্রত যি নির্দ্দেশ আছে, সেইখিনি কার্য্যকৰী কৰাৰ নামত যাতে অন্যান্য জাতি-গোষ্ঠিৰ স্বার্থ বক্ষাত ব্যাঘাট নজন্মে, সেই সম্পর্কে মই চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিলো। যি যি এলেকাত ৰাভা সকল বসবাস কৰি আছে, সেই এলেকাত অন্যান্য জন জাতি বা অজনজাতিৰ লোকো বাস কৰি আছে, আৰু উপাধ্যক্ষ মহোদয়, তেওঁলোককো সুৰক্ষা বা নিৰাপত্তা দিয়াৰ কথা এই খিনিত আহি পৰে। গতিকে ৰাভা সকলৰ লগতে আনলোক সকলেও যাতে সামাজিক উন্নতি আৰু সুৰক্ষা পাব পাৰে চৰকাৰে তালৈ লক্ষ্য ৰাখিব লাগিব। এই যিটো অ'ট'নমাচ কাউন্সিল ৰাভা সকলৰ ক্ষেত্রত ব্যৱস্থা কৰা হৈছে, সেই চিষ্টেম বাহাল ৰাখিলে ৰাভা হাছং অট'নমাচ্ কাউন্সিল কৰি প্রগতি আৰু উন্নয়ণত আগবাঢ়িব পাৰিব বুলি মই ভাবো আৰু চৰকাৰেও যাতে এই দায়িত্ব পালন কৰাত অৱহেলা নকৰে। ৰাভা সকলৰ লগতে অন্যান্য জাতি-গোষ্ঠিয়েও যাতে সমানে সুবিধা পাব পাৰে তাকে আশাকৰি মাননীয় উপাধ্যক্ষৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্রীক অনুৰোধ জনালোঁ আৰু

আশা ৰাখিলোঁ যাতে অসমৰ জনসাধাৰণে এইখিনি সুবিধা পোৱাত বঞ্চিত নহয়। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

* **শ্ৰী দেৱান জয়নাল আবেদিন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ বিধেয়কখনৰ ওপৰত আমাৰ ২ টা মান এমেণ্ডমেণ্ট আছে। প্ৰথম এমেণ্ডমেণ্ট মই কৰ বিচাৰিছো যে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ পৰা হাছং শব্দটো বাদ দিব লাগে। এই কাৰণেই মই কৰ বিচাৰিছো যে উপাধ্যক্ষ মহোদয়, মই ৰাভা ভাষা নাজানো আৰু হাছং শব্দটো হৈছে ৰাজ্য (ষ্টেট) সেয়ে হলে এই বিধেয়কখনৰ যোগেদি এখন ৰাজ্যৰ দ্বাৰা আৰু এখন ৰাজ্য গঠন কৰি দিয়াটো আমি সমৰ্থন কৰিব নোৱাৰো। এনেদৰে কৰিলে আগলৈ কিছু অসুবিধা হব। দ্বিতীয় এমেণ্ডমেণ্টত কৈছো যে Chapter IV formation of Executive council তাত কোৱা হৈছে যে "The Executive Council shall consist of the Chief Executive councillors elected in accordance with the provisions of Sub-section (4) of section 6." ইয়াত দেখা গৈছে যে চীফ্ একজিকিউটিভ কাউন্সিল ৩ জন হোৱাৰ কাৰণে সেই ঠাইত আৰু ৪ জনৰ কথা আমি কৈছো। যাতে ভোটাৰ ক্ষেত্ৰত ৫ জন হয়। ভোটাৰ ক্ষেত্ৰত সেইবিলাক অসুবিধা সৃষ্টি হয়। এই বিলখনৰ উদ্দেশ্য ভাল বুলি কোৱা হৈছে। অসমৰ বিভিন্ন ভাষাৰ জনগোষ্ঠী আৰু ঐক্যৰ সংহতি যাতে অটুট থাকে তাৰ কাৰণে এই বিলখন কৰা হৈছে বুলি দাবী কৰা হৈছে। উপাধ্যক্ষ মহোদয়, কিছু ক্ষেত্ৰত ভাল হোৱা যেন নালাগে। নীতিগতভাৱে কোৱা হৈছে যে এফালে যেনেকৈ কোনো জনগোষ্ঠীৰ মাজত দেখা দিয়া আশা-আকাংখ্যা আৰু দমন কৰাত আশাবাদী নহলেও আন কোনো ব্যৱস্থা ৰোধ নহয়। বাস্তৱিকতে জনগোষ্ঠীৰ সাধাৰণ মানুহৰ কোনো উপকাৰ নহয়। আমি দেখিছো যে এইবোৰ সমষ্টিত এক শ্ৰেণী মানুহে সুবিধা পায়। সাধাৰণ মানুহে কোনো সুবিধা নাপায়। এনেধৰণে স্বায়ত্ব শাসন দি দি আচলতে আমাৰ ৰাজ্য খনত বসবাস কৰা মানুহ বিভিন্ন জন-গোষ্ঠী, বিভিন্ন ভাষা-ভাষী ধৰ্ম্মাৱলম্বী মানুহৰ মাজত ঐক্য সংহতি বিনষ্ট কৰাই নহয় তাৰ দুৰ্ব্বল ও কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাইজৰ কিছু অভিজ্ঞতাও হৈছে। বড়োলেণ্ড অটোনমাচ্ কাউন্সিল পাছ কৰি দিছিল। বড়োলেণ্ড সীমাৰ ভিতৰত থকা অবড়ো সকলৰ স্বাৰ্থ ৰক্ষা কৰিছে নে নাই? স্বাভাৱিকতে শতকৰা ৫০ ভাগতকৈ বেছি জন-জাতি থকা অঞ্চলহে বড়োলেণ্ডলৈ যাব। আমি দেখা পাইছো কনষ্ট্ৰিবিউটৰী নামত ৫০ ভাগতকৈ বেছি অ-জনজাতি লোকক সামৰি লোৱা হৈছে। ফলত অ-জনজাতি মানুহ আৰু তেওঁলোকৰ মাজত সংঘাটৰ সৃষ্টি হল। সেই সংঘাটৰ বলি হৈ তেওঁলোকে আজিও ভোগ কৰি আছে। ৰাভা হাছং স্বায়ত্ব শাসিত বিলখন কাৰ্য্যকৰী হলে সেই অঞ্চলত বসবাস কৰা অজনজাতী লোক সকল সেই একে ধৰণে হোৱাৰ আশংকাই দেখা দিছে।

---

* Speach not corrected

(অধ্যক্ষই আসন গ্রহণ কৰে।)

মাননীয় অধ্যক্ষ মহোদয়, ৰাভা সম্প্রদায়ৰ লোক সকলক স্বায়ত্ব শাসন দিয়াৰ লগে লগে অ-জনজাতি, অ-ৰাভা যিবোৰ অসপ্রদায়ৰ মানুহ আছে তেওঁলোকৰ স্বার্থ ৰক্ষাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্রহণ কৰিব লাগে। নহলে অটোনমাচ্ কাউন্সিলৰ পৰা কেতিয়াও কোনোদিনে সুফল নাপাব। মাননীয় অধ্যক্ষ মহোদয়, মই আশা কৰিছো এইবিলাক যেতিয়া পাছ কৰা হব তাৰ পিচত পৱিত্রতাৰে চৰকাৰৰ দ্বাৰা পৰিচালিত হোৱা বড়োলেণ্ড এৰিয়া আজিলৈকে নিদ্ধাৰণ কৰি দিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য প্রমোদ গগৈ ডাঙৰীয়াক সমর্থন দি মোৰ বক্তব্য সামৰণি মাৰিব বিচাৰিছো। অসমৰ বিভিন্ন জন-গোষ্ঠিৰ মাজত সমন্বয় আনিবৰ কাৰণে লেজিচলেটিভ কাউন্সিল গঠন কৰা হয়। এই যুক্তিসন্মত প্রস্তাৱ আৰু আগতে যিটো লেজিচলেটিভ কাউন্সিল আছিল সেইটো মোৰ পক্ষৰ পৰা প্রস্তাৱটো সমর্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্রী হলিৰাম টৈৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ দিবৰ কাৰণে যি ব্যৱস্থা লৈছে তাক আমি আদৰণি জানাইছো। তাৰ পৰা ৰাভা সকল কিমান ফলৱতী হব কোৱা টান। ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ বিধেয়কখনত স্পষ্টকৈ কোৱা হৈছে যে কোনো বিশেষ বাউণ্ডেৰী নথকাৰ ফলত কিছু অসুবিধা আহি পৰিব।

মাননীয় অধ্যক্ষ মহোদয়, বিলখনত স্পষ্ট ভাবে কৈছে যে তাত কোনো বাউণ্ডেৰী নাথাকিব, আজি গোটেই অসমতে ৰাভা জনজাতিয় সকল বিয়পি আছে। আমি জনা মতে অসম ৰাজ্যত ট্রাইবেল বেল্ট এণ্ড ব্লোক আছে, সেইবিলাকৰ কি হ'ল? যদি আছেই তেতিয়াহলে এই ট্রাইবেল বেল্ট এণ্ড ব্লোক বিলাক লৈ আমি একোটা সীমা নিদ্ধাৰণ কৰিব নোৱাৰোনেকি? এতিয়া বহুতে কয় ট্রাইবেল বেল্ট এণ্ড ব্লোক বিলাকত অজনজাতিয় লোকৰ সংখ্য বৃদ্ধি পাইছে বা বেচি, তাৰ কাৰণে মূলতঃ দায়ী কোন? সেইটোৰ কাৰণে চৰকাৰেই দায়ী নহয় জানো। সেইকাৰণে এটা সংশোধনী আনি এটা নির্দ্দেশনা দিব লাগে যাতে একোটাকৈ বাউণ্ডেৰী নির্দ্ধাৰণ কৰি দিয়া হয় নহলে বি,এ,চিৰ ক্ষেত্রত বাউণ্ডেৰীৰক লৈ যিবিলাক তিক্ততা সৃষ্টি হৈছিল সেইবিলাক যাতে পুনাৰাবৃত্তি নহয় তালৈ বিশেষ নজৰ দিব লাগে। আজি অকল ৰাভা হাচং সকলৰ স্বায়ত্ব শাসনৰ কাম নহয় চৰকাৰে হেনো মিচিং টিয়া আৰু অন্যান্য জনজাতীয় সকলকো তেনেধৰণৰ স্বায়ত্ব শাসন দিয়াৰ বেলিকা আলোচনা বিলোচনা কৰিছে। সেইকাৰণে ভৱিষ্যতে যাতে স্বায়ত্ব শাসন দিয়াৰ বেলিকা এতিয়া চলি থকা ভুলবোৰ সুধৰাই লব পাৰে আৰু স্পষ্ট সীমা নিদ্ধাৰণৰ কথা থাকিব লাগে। তাৰোপৰি বহু সময়ত দেখা যায় স্বায়ত্ব শাসন দিয়াৰ বেলিকা যি সকল জনগোষ্ঠীৰ সম্পর্ক আছে সেই সকলৰ লগতহে

* Speach not corrected

আলোচনা কৰিব লাগে কিন্তু দেখা যায় প্ৰকৃত যি সকল জনগোষ্ঠীৰ লগত আলোচনা কৰিব লাগে তেওঁলোকৰ লগত আলোচনা কৰা দেখা নাযায়, ফলত স্বায়ত্ব শাসন দিয়াৰ ক্ষেত্ৰত নানা ধৰণৰ বিশৃংখলাৰ সৃষ্টি হয়। গতিকে এই ক্ষেত্ৰত জনগোষ্ঠীৰ প্ৰকৃত প্ৰতিনিধিৰ লগত আলোচনা কৰি এই দিশত অগ্ৰসৰ হব লাগে। এই খিনিকে জনাই সামৰণি মাৰিলো।

* **শ্ৰী শশকমল সন্দিকৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিখন বিধেয়ক অসমৰ জনজাতিয় সকলৰ অধিকাৰ ৰক্ষনা-বেক্ষন দিয়াৰ কাৰণে সদনত আনিছে সেইখনৰ আমি বিৰোধিতা কৰা নাই। কিন্তু চৰকাৰে ৰাভা হাচং সকলক অটোনমাচ কাউন্সিল দিবলৈ যাওতে কিছুমান বিধি ব্যৱস্তা লৈছে, সেই বিলাক ক্লিয়াৰ হোৱা নাই আৰু বহু সময়ত আচল প্ৰতিনিধি সকলক কনফিদেঞ্চত লোৱা নাই আৰু সীমা নিদ্ধাৰণৰ ক্ষেত্ৰত কোনো ধৰণৰ স্পষ্ট ইঙ্গিত নাই। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লগতে সমগ্ৰ অসমত ৰাভা সকল বিয়পি আছে। ৰাভা সকলক স্বায়ত্ব শাসন দিবলৈ যাওতে আন আন যি সকল অৰাভা জনগোষ্ঠী আছে সেই সকলৰ বহুতৰ মাজত দুচিন্তা আৰু দূৰ্ভোগগ্ৰো কৰাৰ উপক্ৰম হৈছে। গতিকে অটোনমাচ কাউন্সিল দিয়াৰ বেলিকা চৰকাৰে সুচিন্তিত বিবেচনা কৰিব লাগে যাতে আন আন জনগোষ্ঠীৰ কোনো আপত্তি নাথাকে। নহলে আজি চাওক, আজিৰ দিনতো বাতৰিত প্ৰকাশ পাইছে বি,এ,চি দিয়াৰ পিচত বঙ্গাইগাৱত এজন অবড়োক হত্যা কৰা হ'ল। আনহাতেদি মিচিং, টিয়া সকলকো স্বায়ত্ব শাসন দিয়াৰ কথা উঠিছে, আকৌ দেউৰী সকলে আন নালাগে নিজেই স্বায়ত্ব শাসনৰ দাবী ঘোষনা কৰিছে। তাৰোপৰি অসমৰ অন্যান্য জনগোষ্ঠী আছে, যেনে মৰান-মটক, কোচ ৰাজবংশী ইত্যাদি জনগোষ্ঠীৰ মনত আশা-আকাংক্ষা জাগ্ৰত হৈছে আৰু তেওঁলোকৰ মনত আশংকা আহিছে। গতিকেই এই অটোনমাচ কাউন্সিল দিয়াৰ বেলিকা অসমৰ সকলোবোৰ জনগোষ্ঠীৰ প্ৰকৃত প্ৰতিনিধিৰ লগত মুকলি ভাবে আলোচনা কৰক। যাতে তেওঁলোকৰ মনত বিচ্চিনতাৰ ভাব জাগি নুঠে। বিলখনৰ ৬নং দফাত যিটো দেখুৱাইছে - ৰাভা হাচং স্বায়ত্ব শাসনৰ কাৰণে সদস্যৰ সংখ্যা দেখুৱাইছে ৩০ জন, তাৰে ৰাভা সকলৰ কাৰণে ১৫ জন আৰু অৰাভাৰ কাৰণে ১৫ জন সদস্য। যিহেতু এই বিলখন অনা হৈছে ৰাভা-হাচং সকলৰ কাৰণে অটোনমাচ কউনচিল আনি তেওঁলোকৰ আশা-আকংক্ষা পূৰণ কৰাৰ কাৰণে ব্যৱস্থা কৰা আৰু তেওঁলোকৰ আৰ্থিক সামাজিক আৰু ৰাজনৈতিক উন্নতিকল্পে এই বিলখন অনাৰ আৱশ্যকতা অনুভৱ কৰিছে। গতিকে বৰ্ত্তমান ব্যৱস্থাত ৰাভা সকলৰ কাৰণে যি ১৫জন সদস্যৰ কথা কৈছে সেইটো ১৫ জনৰ ঠাইত ২০ জন দিব লাগে। মই কৈছো আমাৰ এতিয়াও সময় যথেষ্ট আছে আমি ততাতিয়াকৈ বিলখন পাচ কৰি আমাৰ জনগোষ্ঠীৰ আশা-আকংক্ষা বিশেষকৈ এই ৰাভা-হাচং সকলৰ কাৰণে যি কৰিব বিচৰা হৈছে সেইটো কার্য্যকৰী হব বুলি মই নাভাবো। সেইকাৰণে মই ভাবে এই বিলখন ভালধৰণে অধ্যায়ন কৰি খুটি-নাতি চাই

---

* Speach not corrected

পাচ কৰাৰ কাৰণে এতিয়াই পাচ নকৰি চিলেক্টে - কমিটিলৈ পঠাব লাগে এই খিনিকে কৈ মই সামৰণি মাৰিলো।

* **ডাঃ কমলা কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত যিখন বিল উপস্থাপিত কৰা হৈছে, এই বিলখনৰ আমি বিৰোধিতা কৰা নাই, কিন্তু কেইটামান কথা এই বিধেয়ক খনৰ ওপৰত আলোচনা কৰোতে স্পষ্ট ভাবে চৰকাৰে বুজাই দিব পাৰিব লাগে। আজি আমাৰ ৰাজ্য খনত যিমান বিলাক জনগোষ্ঠি আছে, পিচপৰি থকা সম্প্রদায় আছে তেওঁলোক ৰাভা হাচংয়েই হওক বা অন্যান্য জনগোষ্ঠী হওক, পিচপৰা সম্প্রদায়ৰ উন্নয়নৰ কাৰণে যি ব্যৱস্থা লোৱা হয় সেই ব্যৱস্থা প্রতি আমাৰ পূর্ণ সমর্থন আছে। ৰাভা হাচং সকলৰ আশা-আকাংক্ষা পূৰণ কৰিবৰ কাৰণে যি বিধেয়ক আজি সদনত আহিছে সেই সম্পর্কে ইতিমধ্যে কেবাজনো মাননীয় সদস্যই উল্লেখ কৰিছে, বিশেষকৈ ৰাভা হাছং অটোনমাচ কাউন্সিলত সীমাৰ কথাটো উল্লেখ কৰা নাই। গতিকে এই অটোমানচ কাউনচিল দিয়াৰ বেলিকা বিশেষ ভাবে চাব লাগিব যাতে ইয়াক লৈ অন্যান্য জনগোষ্ঠী, অৰাভা সকলৰ মাজত কোনো ধৰণৰ তিক্ততা সৃষ্টি হব নোৱাৰে সেই কথাটো বিশেষ ভাবে চাব লাগিব। সীমা নির্দ্ধাৰণৰ বেলিকা স্পষ্ট নির্দ্দেশনা নথকাৰ কাৰণে এই ক্ষেত্রত যথেষ্ট অসুবিধা আহিব পাৰে বুলি সন্দেহৰ অবকাশ আছে। আজি এই বিধেয়ক খনৰ জৰিয়তে ৰাভা সকলৰ যি খিনি আশা-আকাংক্ষা আৰু সমস্যা আছে সেই খিনি সমাধান কৰাৰ লগে লগে উন্নতিৰ কথা চিন্তা কৰাৰ লগে লগে অন্যান্য গাড়ো বা জনজাতিয় সকলৰ বা কোচৰাজবংশী সকলৰ আশা-আকাংক্ষা আৰু উন্নতিৰ কথাও আহি পৰিব পাৰে আৰু তেতিয়া তেওঁলোকৰ মনত দুচিন্তা আহিব পাৰে। সেইকাৰণে এই ক্ষেত্রত এটা স্পষ্ট ব্যাখ্যা পালে আমি সুখি হ'ম। আমাৰ আশা হ'ল এই ৰাভা অটোনমাচ কাউনচিল হৈ যোৱাৰ পিচত যাতে ৰাভা সকলৰ লগতে অন্যান্য জনগোষ্ঠীৰ আশা-আকাংক্ষায়ো পৰিপূৰণ হয় আৰু তেওঁলোকে যাতে সমানে উপকৃত হয় তাৰ প্রতি বিশেষ দৃষ্টি ৰাখি বিলখনত গোটেই কথাখিনি সন্নিবিষ্ট কৰে।

এই ব্যৱস্থা অনা হৈছে। প্রকৃততে ৰাভা সকলৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰিব নে নোৱাৰে? সেই কথাটোত বিশেষ ভাৱে সন্দেহ আছে। সেয়ে চৰকাৰক বিশেষ ভাৱে দৃষ্টি ৰাখিবলৈ অনুৰোধ জনালো। আজি যি উদ্দেশ্যে এই ব্যৱস্থা গ্রহণ কৰিছে সেই উদ্দেশ্য সকলো জনগোষ্ঠীৰ মাজত সন্দেহ আতৰ কৰিলে সকলোৰে সহায় হব। পিচপৰা সম্প্রদায় ৰাভা জনগোষ্ঠীক আগোয়াই নিয়া এই ব্যৱস্থাক আমি সকলোৱে আদৰণি জনাম।

* **শ্রী পানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিখন বিল অনা হৈছে এই বিল খনৰ মই আদৰণি জনাইছো। এই কাৰণেই যে অসমৰ যি সকল অর্থনৈতিক ভাবে পিছপৰা জনগোষ্ঠী বসবাস কৰিছে তেওঁলোকৰ সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক

---

* Speach not corrected

অধিকাৰৰ সুপ্ৰকল্প লোৱা হৈছে। এই জনজাতীয় এলেকা বিলাকত অজনজাতীয় লোকৰ উন্নয়নৰ কাৰণেও গুৰুত্ব দিয়া হয় তাৰ তাৰণে চৰকাৰে লক্ষ্য ৰাখিবলৈ অনুৰোধ কৰিলো। আজি গোটেই অসমতে জনজাতীয় লোক শাসিত সাশন দিয়াৰ লগতে ৰাজনৈতিক সংকা আহিলে তাক নাইকীয়া কৰিবলৈ সংবিধানত ৰক্ষণা-বেক্ষণ দিয়া ব্যৱস্থা কৰিব লাগে। যিটো ব্যৱস্থাই ৰাজনৈতিক ভাৱে উপকৃত কৰিব পাৰে। বিলত সীমা দিয়া নাই। ভূল হৈছে। বিলৰ দাবী যিখনি ৰাজ্যৰ সংবিধানত মানি লোৱা হৈছে। অর্থনৈতিক ভিত্তিত প্ৰধান্য দিয়াৰ লগে লগে যিবিলাক লোকে বসবাস কৰিছে তেওঁলোকৰ উন্নতিৰ ব্যৱস্থা কৰিব লাগিব। সীমা নোহোৱা স্বত্তেও বি এচ চি এলেকাত শতকৰা ৫০ লোক তেওঁলোকে বাস কৰি আছে। সেই ৰাভা গাওঁ সমূহ ৰাভাৰ অন্তভূক্ত হব নে নহয়? এই এলেকা বি,এচ,চিক দিয়া আছে। এই কথাটো মাননীয় মূখ্য মন্ত্রীয়ে জনালে ভাল হয়? তাৰোপৰি আনটো কথা হৈছে যে যি ৰাজনৈতিক উদ্দেশ্যৰে এই ৰাভা বিলখন আনিছে সেই বিলখন কেবল ৰাজনৈতিক উদ্দেশ্যৰে নাৰাখি তেওঁলোক অন্যান্য ক্ষেত্ৰতো উন্নতি সাধন কৰাৰ চেষ্টা কৰাটোৰ প্ৰতি উদ্দেশ্য ৰাখিবলৈ কামনা কৰি এই বিল খনৰ আদৰণি জনাই মোৰ ব্যক্তব্যৰ সামৰণি মৰিলো।

* **শ্ৰী নজমূল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি বিল অনা হৈছে সেই খন হৈছে ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদ বিধেয়ক, এই বিলখন সম্পূর্ণ ভূল তথ্যৰে অনা হৈছে। গতিকে এই বিল খনৰ ওপৰত আলোচনা কৰিব লাগিছিল। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ক্ষমতা আছে গতিকে আলোচনা কৰিবৰ বাবে আপুনি অনুমতি দিব লাগে। চৰকাৰে যি ভূল তথ্যৰে বিল আনিছে, গেটেই ৰাজ্যৰ মানুহে হাহিব। গতিকে ইয়াত সংশোধনী অনা প্ৰয়জেন আছে। হাছং শব্দৰ অর্থ হৈছে ৰাভা ভাষাত ৰাজ্য। গতিকে ৰাভা হাছং কমিনিউটি বুলি কোনো কমিনিউটি নাই। এই কমিনিউটিৰ যিমান শতকৰা লোক আছে তাৰে ৬০ শতকৰা লোক মোৰ সমষ্টিতে আছে। গতিকে মাননীয় সদস্য প্ৰমোদ গগৈ আৰু মই দাবী উত্থাপন কৰিছো যে ইয়াৰ হেড কোৱাটাৰ মোৰ সমষ্টি ৰাজ্যত হব লাগে। পিৰিয়ডিত এক্ট মতে হাছান কাউনচিলৰ মেমবাৰ হব ধুবুৰী বিধান সভাৰ সমষ্টিৰ পৰা অহা এপ, পি জন কাউনচিলৰ মেম্বাৰ হব নোৱাৰিব। তাত এস্ক অফিচো মেম্বাৰ এজন থাকিব। গতিকে তাত থকা এম,এল,এ জন মেম্বাৰ হব পাৰিব নে নোৱাৰে এইটো ক্লেয়াৰ হোৱা নাই। আৰু এটা ভূল হৈছে যে এবিঘা মাটি বেচা কিনা হলে তাৰ এলেকা দিয়া হয়। কিন্তু এখন ৰাজ্য দিয়া হৈছে কিন্তু এলেকা দিয়া হোৱা নাই। গতিকে যিবিলাক নন ৰাভা আছে তেওঁলোকৰ এটা আতকংৰ সৃষ্টি হৈছে। গতিকে মোৰ মতে এটা বাউণ্ডেৰী দিব লাগে যিবিলাক নন ৰাভা আছে তেওঁলোকৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে। যি বিলাক অটোনোমাচ ৰাজ্যত থাকে তেওঁলোকে অৱহেলিত বুলি দুখ প্ৰকাশ কৰে আৰু তেওঁলোকক অটোনোমাচ দিয়া হয়।

---

* Speach not corrected

কিন্তু অটোনোমাচ কাউন্সিল দিয়াটোৱেই ইয়াৰ ৰিমেডি হব নোৱাৰে। আৰু অটোনোমাচ দিয়াটোৱেই হৈছে এখন ৰাজ্য স্থাপন কৰাৰ মূল ভেটি। নাগালেণ্ড, অটোনোমাচ, মেঘালয়া, মিজোৰাম এই সকলো বিলাক এদিন অটোনোমাচ আজি ৰাজ্য হৈছে। তাৰোপৰি এই অটোনোমাচ কাউন্সিলৰ যদি এডমিনিষ্ট্রেটৰ যদি দূর্নীতি মূক্ত নহয় তেন্তে হাছান কাউন্সিলৰ দুখীয়া মানুহৰ কোনো সহায় নহব। ইয়াৰ পাচত মই শেষত এইটোৱেই কব খোজো যে ৰাভা হাছং টো ৰাখিব নালাগে। কাৰণ এখন ৰাজ্যৰ ভিতৰত আৰু এখন ৰাজ্য থাকিব নোৱাৰে। এই খিনিকে কৈ মই মোৰ ব্যক্তব্য সামৰণি মাৰিলো।

* **Shri Parameswar Brahma :** Mr. Speaker Sir, we are discussing about the Rava Hasong Community and I welcome the steps taken by the Government for this backward community, particularly, Rava. Sir, during the discussion, the Bodo Land Autonomous Council has also been discussed here. But one point Sir, the formation of General Council of Bodo Land Autonomous Council and formation of General Council of Rava Hasong Autonomous Council have some differences. The Bodo Land is not the land for only Boro people, it is meant for other people also living within the areas. It is only in name and style with a reserved seats for 36 members of the Plains Tribals; and 15 seats reserved .....

Sir, the tribal people living in this area does not have any objection but resentment is there because Ravas are also Scheduled Caste and in this area Bodos are second in number. So, by this provision, other plain tribals have been debarred from sending representation to Rabha Autonomous Council. In this case, I request the House to see that in the place of the Rabhas it should have been reserved for Scheduled Tribes as it will be more appreciable and acceptable. I am not in agreement that there should be compact area and there should be distinct territories or boundaries because we have experienced about the working of the Assam Land Revenue Regulations and under Chapter 10, there are provisions to protect the lands of tribals people but for non-working of the system, this tribal backward people are suffering. By this arrangement

---

* Speach not corrected

how far the land would be protected. Now sir, drawing the attention of the Govt. in place of these Rabhas and other tribals can also be represented in this Autonomous Council and no misunderstanding should be there. Provisions should be made for the plains tribals as it is done in the case of Bodoland Autonomous Council. Sir, there are some misunderstanding but it is due to various antisocial elements and other political elements for their divisive purpose, there are certain actions for which situation has been created. Anyway, I hope this step will help in protecting the tribals people in the Rabha Autonomous Council, Rabha is known to be Rabha community but there is no community called Rabha Hasong. So, it can be kept as Rabha Community.

Mr. Speaker : We have other business also. I request the members to be brief.

* **শ্রী মিচন ৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি চৰকাৰৰ ফালৰ পৰা ৰাভা হাচং অটনমাচ কাউন্সিল বিল উত্থাপন কৰা হৈছে আৰু ইয়াৰ ওপৰত আলোচনা চলি আছে, আমি এই বিলৰ বিৰোধিতা কৰা নাই - আদৰণিহে জনাইছো। এই বিলৰ দ্বাৰা এই ৰাভা জনজাতি সকলৰ অর্থনৈতিক, সামাজিক, শিক্ষাগত আৰু সংস্কৃতিক দিশত বিকাশ ঘটোৱা হব বুলি বিলত উল্লেখ কৰা হৈছে। ৰাজনৈতিক দিশটো তেওঁলোকক আগবঢ়াই নিয়া হব। এই কাউন্সিলৰ হাতত ৩৪ টা বিভাগ দিয়া হৈছে এই ৩৪ টা বিভাগ পোৱাৰ পিচত নিশ্চয় ৰাভা সকলৰ ক্ষোক্ষ দূৰ হব। অধ্যক্ষ মহোদয়, এই বিলখনত যে যথেষ্ট 'লুপ-হলচ্' আছে সেইটো আলোচনা কালত ওলাই পৰিছে। এই বিলখন ইয়াত উত্থাপন কৰাৰ আগতে ৰাজ্যখনৰ বিভিন্ন ৰাজনৈতিক দলৰ লগত চৰকাৰে আলোচনা কৰা নাছিল। যিটো বি,এ,চিৰ ক্ষেত্রত চৰকাৰে আগতে কৰিছিল। বিধান সভাৰ বিভিন্ন দলৰ সদস্য সকলৰ লগত এই বিল সম্পর্কে চৰকাৰে আগতে আলোচনা কৰা হলে - এই লুপ হলচ্বোৰ নাথাকিল হেতেন বুলি মই ভাবো। চৰকাৰে ইয়াৰ উত্তৰ দিওতে এই লুপ হলচ্বোৰৰ ক্ষেত্রত সঠিক ভাবে আমাৰ জনাব লাগে। আমি দেখিবলৈ পাইছো যে বিলাখনত টু টায়াৰ চিষ্টেম কৰা হৈছে। এটা হৈছে এপক্স অটনমাচ কাউন্সিল আৰু আনটো হৈছে ভিলেজ কাউন্সিল। বিভিন্ন মাননীয় সদস্য সকলে এটা কথা কৈছে যে 'কমপেক্ট এৰিয়া' থাকিব লাগে। কিন্তু এটা কথা আমি যদি কমপেক্টৰ ওপৰত গুৰুত্ব দিও তেন্তে এই কাউন্সিল নহব। কাৰণ গোটেই ৰাজ্যখনতে সিচৰিত হৈ ৰাভা মানুহ আছে। গতিকে কমপেক্ট এৰিয়া কৰাটো সম্ভৱ নহয়। কিন্তু ভিলেজ কাউন্সিল বিলাক যাতে

---

* Speach not corrected

কমপেক্ট হয় সেইটো চৰকাৰে চাব লাগে। বিলত উল্লেখ কৰা আছে যিবোৰ গাওঁত শতকৰা ৫০ ভাগ ৰাভা সম্প্রদায়ৰ লোক আছে সেইবোৰত ভিলেজ কাউন্সিল কৰা হব। মুঠতে ১০ খন এনে ভিলেজ কাউন্সিল হব বুলি উল্লেখ কৰিছে। অধ্যক্ষ মহোদয়, বি,এ,চি, লৈ এতিয়াও বিতর্ক চলি আছে - শেষ হোৱা নাই। এই ভিলেজ কাউন্সিলৰ লগত পঞ্চায়ত আৰু মিউনেচিপিলিটিৰ কি সম্পর্ক হব? তেওঁলোকক দিয়া এই ৩৪ টা বিভাগৰ কাম-কাজ কেনে ধৰণেৰে চলিব, চৰকাৰে উত্তৰদানৰ সময়ত বিতং ভাবে উল্লেখ কৰিব লাগে। বর্তমান এই বিষয়টো 'চাপ্রেছ' কৰি ৰখা হৈছে।

* **শ্রী গিয়াচুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈ থওঁ যে তথাকথিত চেটেলাইট এৰিয়াৰ যিটো ডেফিনেচন দিছে means the area of different revenue villages এই ধাৰণাৰ অধীনত ক্ষমতাৰ বিকেন্দ্রীকৰণ কৰা হৈছে এইটো এটা শূণ্যত থকা ব্যৱস্থাৰ নিচিনা হৈছে, এটা ভৌগোলিক সীমাৰ ভিতৰত বিকেন্দ্রীকৰণ ক্ষেত্র থাকিব লাগিব। তথাকথিত চেটেলাইট এৰিয়াত একো একোটা কাউন্সিল হ'ব। এনেহলে গোটেই অসমতে হব পাৰে। বি,এ,চি এলেকাত ৰাভা হাছং চেটেলাইট ভিলজে হৈ থাকিব তাত বি,এ,চি, লগত কথাটো কি হ'ব সেইটো ভৱিষ্যতে আইনগত জটিলতাৰ সৃষ্টি হ'ব নেকি, আৰু এটা কথা ৰাভা সকলৰ হাজং বুলি আৰু এটা কমিউনিটি আছে, এইটো হাছং মানে সেই হাজঙকে বুজাইছে নেকি? আৰু ইয়াৰ অসমীয়া অর্থ কি হ'ব 'ৰাভা ৰাজ্যিক স্বায়ত্ব শাসিত পৰিষদ' হব নেকি? (ভইচঃ হাছং মানে লেণ্ড) তেনেহলে ঠিকে আছে। এই কথাটোত এটা জটিলতা আছে, গতিকে গোটেই বিষয়টো চিলেক্ট কমিটিত দি ভাল দৰে চাইমেলি কৰা ভাল আছিল নেকি, হওতে কেইদিন মান পলম হ'ব পাৰে।

* **শ্রী কৱেন্দ্র বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ যিখন বিধেয়ক উত্থাপন কৰিছে তাৰ আমি বিৰুদ্ধাচৰন নকৰিলেও এটা কথাত আনন্দ লাগিছে বহুতু পুৰণি কালৰ পৰা চলি অহা আমাৰ অন্যান্য ট্রাইবেল তাই সকলৰ সমস্যা সমূহ সমাধান কৰাৰ বাবে চৰকাৰ আগবাঢ়ি আহিছে। ৰাভা হাছং অটোনমাচ কাউন্সিলৰ দ্বাৰা ৰাভা সকলৰ অর্থনৈতিক, সামাজিক, শৈক্ষিক, ৰাজনৈতিক ক্ষেত্রত বহুখিনি সমস্যা পূৰণ কৰিব পৰা যাব। এই দাবী ১৯৭২ চনৰ পৰাই আমাৰ বড়ো আৰু তিৰা সকলে কৰি আহিছে, আৰু এই সম্পর্কত চৰকাৰৰ লগত আলোচনাও হৈছে। ৰাভা হাছং চুক্তিখন কৰোতে কেন্দ্রীয় চৰকাৰক সাঙুৰী লোৱা নাই। কেন্দ্রীয় চৰকাৰক বাদ দি বাইলেটাৰেল চুক্তি কৰা হৈছে। বড়ো চুক্তিৰ সময়ত কেন্দ্রীয় চৰকাৰ জৰিত আছিল। গতিকে মই ভাবো ইয়াত এটা সংবিধানিক ক্রাইচিছ আহিব পাৰে। আমাৰ ৰাভা সকলৰ অটোনমাচ কাউন্সিলৰ কোনো ডেফিনিট টেৰিটৰিয়েল বাউণ্ডেৰী নাই। তেওঁলোকৰ কাৰণে এটা ডেফিনিট টেৰিটৰিয়েল বাউণ্ডেৰী থাকিব লাগে। মই ভাবো

---

* Speach not corrected

সংবিধান সংশোধন কৰি হলেওঁ ৬ চিদুলৰ ৫ চিদুলৰ অধীনত কামৰূপ আৰু গোৱালপাড়া জিলাৰ ভিতৰত তেওঁলোকক ডিষ্ট্রিক কাউন্সিল দিয়া উচিত আছিল। তেওঁলোকে আগৰে পৰা নীলাচলৰ দাবী কৰি আছিল। যিকি নহওঁক ৰাভা সকলৰ বাবেওঁ এটা ডিফিনিট বাউণ্ডেৰী থকা ভাল আৰু এইটো কেন্দ্রীয় চৰকাৰৰো দৃষ্টি গোচৰ কৰা ভাল। ৰাভা সকলৰ এটা টেৰিটবিয়েল অটোনমাচ কাউন্সিল দিলে তাৰ বাহিৰত থকা সকলে সংকা কৰাৰ কাৰণ নাই কাৰণ সংবিধানৰ ৯ম, চিদুল মতে তেওঁলোকে ৰক্ষণা-বেক্ষণা পাই থাকিব। গতিকে কামৰূপ আৰু গোৱালপাৰা জিলাক সামৰি ৰাভা সকলক অটোনমাচ কাউন্সিল দিলে তাৰ বিভিন্ন জনজাতি সকলক সামৰি লব পাৰিব যিহেতু তাত বড়োসকল আছে, গাড়ো সকল আছে। আমাৰ মাননীয় সদস্য শ্রী শশকমল সন্দিকৈ ডাঙৰীয়াদেৱে যিটো কথা কৈছে তাত মই সমর্থন জনাইছো, আমাৰ ৰাভা সকলৰ আসনৰ সংখ্যা বঢ়াব লাগে নহলে নির্ৱাচনৰৰ পিচত মাইনৰিটি হৈ পৰিলে নিজকে কন্ট্রল কৰিব নোৱাৰিব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Minister to reply.

* **Shri Gomeswar Pegu [Minister of State (Ind) WPT and BC] :** Hon'ble Speaker Sir, I have heard the views of the Hon'ble Member regarding different provisions of the Rabha Hasong Autonomous Council Bill, 1995. I would like to clarify a few points in this regard before making replies to the specific suggestions of the Hon'ble Members. The Bill provides for maximum autonomy on the specified subjects to the people belonging to the Rabha community. For this purpose a 2 tier set up of Village Council shall be constituted by villages having more than 50% of Rabha population. Such villages, for administrative convenience will be grouped in such a way that the total population does not exceed 8,000. We have also kept in mind that in the matter of constitution of the Councils, reservation does not exceed 50% of the total seats. Now I will reply to the specific suggestions of the Hon'ble Members :

1. 3 amendments have been moved in respect of the Preamble of the Bill. It is not considered necessary to use the words "Assam Rabha Hasong Autonomous Council" as because there is no such Act in any other part of the Country and therefore, the proposed nomenclature viz - Rabha Hasong Autonomous Council is justified. We do not propose to provide any compact area and therefore, use of the words like "compact

* Speach not corrected

